# ষষ্ঠদশ অসম বিধানসভাৰ

# বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখ ঃ ০৭/০৭/২০২৬ মঙলবাৰ

আজি ইংৰাজী ০৭ জুলাই ২০২৬ তাৰিখে ৰাতিপুৱা মাননীয় অধ্যক্ষ শ্ৰী ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াৰ অধ্যক্ষতাত ষষ্ঠদশ অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাম কাজ আৰম্ভ হয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২১, মাননীয় সদস্য শ্ৰী আমিনুল হক লস্কৰ।

**5 স6**

**শ্ৰী আমিনুল হক লস্কর (সোনাই)** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্রীর উত্তর আমি পেয়েছি এবং উত্তরে আমি সন্তুষ্ট, যে সোনাই Sub-treasury হবে। কিন্তু অধ্যক্ষ মহোদয় সাত বছর হয়ে গেলো। ২০২০ সালে post sanction করা হয়েছিল এবং Account General এর কাছে পাঠানোও হয়েছিল Assam Govt. Finance Deptt থেকে। কিন্তু আজ অবধি প্রায় সাত বছর হয়ে গেলো। এখানে বিত্ত মন্ত্রী বলেছেন RBI এর অনুমোদন পেলে হয়ে যাবে। RBI এর অনুমোদন সাত বছর লেগে গেলো নাকি? আর কতদিন লাগতে পারে? আমি বিত্ত মন্ত্রী মহাশয়ার কাছে অনুরোধ করবো সোনাই Sub-treasury টা খুব প্রয়োজন। কারণ visibility report যখন নেওয়া হয়েছিল তখন দেখা গেছে বছরে প্রায় ৩০০ কোটি টাকার আদান প্রদান হয়। আমি আপানার মাধ্যমে বিত্ত মন্ত্রীকে অনুরোধ করছি এই Sub-treasury কবে নাগাদ হওয়ার সাম্ভবনা আছে ?

**শ্ৰী জয়ন্ত মল্ল বৰুৱা,মন্ত্ৰী, বিত্ত্ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২০ নহয় ২০১৬ চনতে বিত্ত মন্ত্ৰীৰ বাজেট অধিবেশনতে ২৪ টা উপ-কোষাগাৰ কথা কোৱা হৈছিল। তাৰ ভিতৰত ২০ টা উপ কোষাগাৰ ইতিমধ্যে হৈ গ'ল। ৪ টা উপ-কোষাগাৰ ক্ৰমে সোনাই, বৰজুলুংগা, ভুৰবন্ধা আৰু পাটাচাৰকুচিৰ বাবে সেই সময়ত পদ সমূহ Sanction হৈছিল। কিন্তু RBI ৰ পৰা অনুমতি নহাৰ বাবে সেই উপ-কোষাগাৰ সমূহ কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। আজি আপুনি সদনত এই কথাটো কোৱাৰ বাবে মই অতি সোনকালে RBI ৰ লগত যোগাযোগ কৰি কি কাৰণত অনুমতি আহা নাই ইমান দিনৰ পৰা সেই বিষয়ে অৱগত হম। কি কাৰণত অহা নাই আমিও নাজানো। অনুমতি অহাৰ লগে লগে আমি এই উপ কোষাগাৰ কেইটাৰ বাবে আগবাঢ়িম।

**माननीय अध्यक्षः** आपुनि এই কেইটাৰ লগতে পাটাছাৰকুচিটো চাই দিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, নিশ্চত ভাৱে।

**শ্ৰী আমিনূল হক লস্কর, সোণাইঃ** মাননীয় অধ্যক্ষ মহোদয় এটা শুধু সোনাই সমষ্টির নয় সঙ্গে ধলাই সমষ্টি ও লক্ষ্মীপুর সমষ্টিরও আছে কিছু ডিডিও। এখানে আমাদের ধলাই ও শ্রীক্ষ্মীপুর সমষ্টির বিধায়করা আছেন। Treasury Office শিলচরে, অনেক দূর হয়ে যায় আমাদের থেকে। মন্ত্রী বলেছেন খুব শীঘ্রেই হয়ে যাবে, এর জন্য আমি আমার সমষ্টি ও বরাক ভেলির সব জনসাধারণের তরফ থেকে ধন্যবাদ জানাচিছ। আমার বিশেষ অনুরোধ যাতে খুব তাড়াতাড়ি এই Sub-Treasury টা হয়ে যায়। ধন্যবাদ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,মই ইতিমধ্যে কৈছো যে এই উপকোষাগাৰ কেইটাৰ বাবে পদ সমূহ অনুমোদন হৈ আছে, কিন্তু RBI ৰ অনুমতি নোহোৱাৰ বাবে আমি কৰিব পৰা নাই। এই ক্ষেত্ৰত আমি লাগিব লাগিব।

**माननीय अध्यक्षः** এতিয়া প্ৰশ্ন নং ২২ শ্ৰী শ্বেৰমান আলী আহমেদ। তেখেত যিহেতু অনুপস্থিত গতিকে ইয়াত পৰিপূৰক প্ৰশ্নৰ কথাই নাহে। এতিয়া প্ৰশ্ন নং ২৩ শ্ৰী মহিবুৰ ৰহমান।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মহিবুৰ ৰহমান, মানকাচৰঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰটো পালো। তাত মোৰ প্ৰথম প্ৰশ্নটো আছিল কিছুমান GP যেনে ধানুৱা, পানকাটা, ঠাকুৰণবাৰী, কাকলীপাৰা, বাগাপাৰা আদি গাওঁ পঞ্চায়তত পানীৰ অভাৱ আছে আৰু মই যিখন তালিকা পাইছো সেইখন এতিয়াইহে পাইছো ইয়াত কোৱা হৈছে যে কিছুমান আংক্ষিকভাৱে কাৰ্য্যক্ষম বা Non Functional। ইয়াত আংক্ষিকভাৱে কাৰ্য্যক্ষমে কি বুজাইছে সেইটো মই বুজি পোৱা নাই আৰু ইয়াৰ বাবে Criteria কি যিবোৰ সাফল্য হোৱা বুলি দেখুৱাছে JJM ৰ আঁচনি সেইটো মই জানিব বিচাৰিছো।

**माननीय अध्यक्षः** মাননীয় মন্ত্ৰী।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে তাৰ তথ্য আমি বিতং ভাৱে দাখিল কৰিছো। আমাৰ মুঠ আঁচনি আছে ২৮৫ টা আৰু তাৰ মাজত সম্পূৰ্ণ হোৱা আঁচনি হৈছে ২২৭ খন পানী ব্যৱহাৰ কৰা সমিতিৰ গোটাই দিয়া আঁচনি আছে ২২৫ খন। বৰ্ত্তমান কাম চলি থকা আঁচনি হৈছে standstill period

ৰ পিছত ২৮ খন। আমাৰ যশস্বী প্ৰধান মন্ত্ৰীৰ যিটো বাণী আছে সেইটো পানী কেৱল প্ৰকৃতিৰ উপহাৰ নহয় ই হৈছে জীৱনৰ আধাৰ। বিকাশৰ আটাইতৈকে ডাঙৰ মাধ্যম প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দূৰদৰ্শী চিন্তাধাৰা লৈয়ে গোটেই দেশ জুৰি এই ঐতিহাসিক আন্দোলন আৰম্ভ কৰিছিল যাৰ নাম হৈছে ''ঘৰ ঘৰ নল হৰ ঘৰ জল''। ২০১৯ চনৰ ১৫ আগষ্ট তাৰিখে এই জল জীৱনৰ মিছনৰ যি হাৰ ঘৰ নল হাৰ ঘৰ জল যি শ্লোগান প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আৰম্ভ কৰিছিল আৰু এই অভিযান গোটেই ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্ততে আৰু লগতে অসমত প্ৰায় ২৭,৫৩০ টা প্ৰকল্পৰ কাম হাতত লোৱা হৈছিল আৰু তাৰ মাজত আমাৰ দক্ষিণ শালমাৰা আৰু মানকাচাৰ ধৰা হৈছে আৰু ইয়াৰ অগ্ৰগতি যদি চাও এই এলেকাৰ  ৮৫.২২ শতাংশ আৰু ইয়াল সাফল্যৰ হাৰ গোটেই অসমত হৈছে গড় হিচাপত ৮১.৮২ শতাংশ। ইয়াৰ অৰ্থ হৈছে ভাল কাম হৈছে। আৰু শুনিলে ভাল পাব যে গোটেই ভাৰতবৰ্ষৰ মাজত অসম হৈছে প্ৰথম ৰাজ্য যিয়ে standstill period ৰ পিছত আমি যি অনুমোদন পাইছিলো JJM ৰ কাৰণে তাৰ ভিতৰত ৬৯২ কোটি প্ৰথম পৰ্যায়ত পাইছো আৰু সকলো পাবলগীয়া contractor ক দিয়া হৈছে। পাছিলো। আৰু আমাৰ প্ৰায় ১০ কোটি ৬০ লাখ টকা ১০৫ জন জলজীৱন মিছনৰ ঠিকাদাৰে আদায় পাইছে। আৰু যদি কিবা আঁচনি যি মেৰামতিৰ কাৰণে ২০২৪ চনৰ আগত কিবা আঁচনি বন্ধ হৈ আছে সেই বিষয়ে আমি জনালে আমি বিহীত ব্যৱস্থা ল'ম। আৰু FSTC সংগ্ৰহৰ ক্ষেত্ৰত দক্ষিণ শালমাৰা মানকাচাৰত যিটো আছিল ৯৩.৪৫ টা IMIS অনুসৰি লক্ষ্ নিদ্ধাৰণ কৰা ঠিক হৈছিল। আৰু বৰ্ত্তমান সমপূৰ্ণ হোৱা FSTC হৈছে ৭৯ হাজাৰ ৬ শ ৩৮ টা। এইটো হৈছে সাফল্যৰ হাৰ আৰু বাকীখনি JJM 2 ৰ জৰিয়তে ১০০ শতাংশ সকলো ঘৰত প্ৰতিজন ব্যক্তিক ৫৫ লিটাৰক পানী দিয়াৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰী মহিবুৰ ৰহমান, মানকাচৰঃ** মাননীয়  অধ্যক্ষ মহোদয়, মোৰ আৰু এটা পৰিপূৰক প্ৰশ্ন আছিল যে আমাৰ চৰ অঞ্চলত যিখিনি মানুহ বসবাস কৰি আছে তেওঁলোকৰ কাৰণে JJM ৰ ফালৰ পৰা বা জলসম্পদ বিভাগৰ ফালৰ পৰা কেনেধৰণৰ ব্যৱস্থা লোৱা হৈছে ?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি চৰ অঞ্চলৰ কাৰণে বা পাহাৰীয়া অঞ্চলৰ কাৰণে আমাৰ JJM ৰ বাবে প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ এই অভিলাষী আঁচনি JJM ৰ দ্বাৰা সকলো ঘৰৰ বাবে পানী যোগান ধৰা যায় তাৰ কাৰণে ব্যৱস্থা হাতত ল'ম JJM ২ জৰিয়তে।

**মাননীয় অধ্যক্ষঃ**  এতিয়া প্ৰশ্ন নং ২৪, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্যটন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সঁচা তথ্যখিনি পোৱাৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী বাইদেউক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, ইতিহাস কেনেকৈ বিকৃত কৰা হয়, সেইটো আজিৰ উত্তৰৰ এই কথাখিনি পালো । আমি সৰুৰ পৰাই শুনি আহিছো বদৰপুৰ Fort খন চাহজাহান বদৰুদ্দিনে বনাইছে, এনেকুৱা কিবা তথ্য দাঙি ধৰা হয় আৰু আমি বৰাকভেলিৰ প্ৰত্যেকে জানো। কিন্তু আজি যিটো উত্তৰ পালো যে ৰাজা গোবিন্দ চন্দ্ৰৰ শাসন কালত নিৰ্মীত হৈছিল এই Fort খন। কিন্তু আমি চাহ বদৰুদ্দিনে বনাইছিল বুলি গোটেই বৰাক ভেলিৰ মানুহে জানো। কিন্তু প্ৰকৃত সত্য হৈছে ৰাজা গোবিন্দ্ৰ চন্দ্ৰৰ শাসন কালত নিৰ্মীত হৈছিল Fort খন আৰু আমি দেখা পাওঁ Assam Ancient Monuments and Records Act. 1959 ৰ অধীনত এখন সংৰক্ষিত হৈ আছে। মই আজি চৰকাৰ ধন্যবাদ জনাইছো মাননীয় অধ্যক্ষ মহোদয় সঁচা তথ্যখিনি আজি দাঙি ধৰাৰ কাৰণে। মই বাইদেউলৈ অনুৰোধ কৰিম যে এই Fort খনৰ নামটো change কৰি গোবিন্দ্ৰ চন্দ্ৰ মেমোৰিয়ে ফ'ট (Fort) কৰিব লাগে আৰু মই ভাৱো এই ক্ষেত্ৰত প্ৰত্যেকজন বিধায়ক ৰাজি আছো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা অনুৰোধ আছে যে তেওঁত তাত এটা মূৰ্তি বনোৱা হওঁক আৰু মুৰ্তি বনাই তেওঁৰ ইতিহাস তাত লগাব লাগে যে স্বাধীনতাৰ দিনত তেওঁ যুদ্ধৰ কাৰণে এইখন Fort বনোৱা হৈছিল, এই তথ্য বিলাক আছে, নতুন প্ৰজন্মই জানিব লাগিব। আমাক ভূল তথ্যখিনি শিকোৱা হৈছে মাননীয় অধ্যক্ষ মহোদয়। আমাক ভুল তথ্য নালাগে, সঁচা তথ্যখিনি লাগে। আৰু মই দাবী কৰিম মাননীয়া বাইদেউলৈ এই Fort খন যাতে এখন park ৰ নিচিনা হয় , যাতে আমি গধুলি park খনলৈ যাব পাৰো ৰাজা গোবিন্দ্ৰ চন্দ্ৰৰ আদৰ্শ যাতে আমি শিকিব পাৰো আৰু এটা যাতে সুন্দৰ পৰিবেশ হয় আমাৰ সভ্যতা সংস্কৃতিৰ যুজ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সভ্যতা সংস্কৃতি যুজত আমাৰ চৰকাৰে যেনেকৈ কাম কৰি আছে, মই এজন বিধায়ক হিচাপে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰিয়ানী উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্যটন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক ডাঙৰীয়াৰ প্ৰশ্নত আচলতে সদনত record ৰ কাৰণে কথাখিনি কব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, কাটিগড়া সমষ্টিৰ অন্তৰ্গত শ্ৰীভূমি জিলাৰ বদৰপুৰ ঘাটত বৰাক নদীৰ বাওঁপাৰত অৱস্থিত বদৰপুৰ ঐতিহাসিক দূৰ্গ অসমৰ এক উল্লেখযোগ্য ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্য । স্থানীয় পৰম্পৰা আৰু উপলব্ধ ঐতিহাসিক তথ্য অনুসৰি এই দূৰ্গটো কছাৰী ৰজা গোবিন্দ্ৰ চন্দ্ৰৰ শাসন কালত উৎকৃষ্ট মানৰ পোৰা ইটাৰে নিৰ্মান কৰা হৈছিল । দূৰ্গটোৰ স্থাপত্ব বৈশিষ্ট সামৰি প্ৰতিৰক্ষা ব্যৱস্থা আৰু ঐতিহাসিক তাৎপৰ্যই ইয়াক অসমৰ এক গুৰুত্বপূৰ্ণ ঐতিহ্যবাহী স্থল হিচাপে প্ৰতিষ্ঠা কৰিছে। তদুপৰি ডিমচা কছাৰী ৰাজ্যৰ ইতিহাসৰ সৈতে এই দূৰ্গটো নিবিৰভাৱে জৰিত আৰু ঐতিহাসিক বদৰপুৰ চুক্তি এই স্থানতে স্বাক্ষৰিত হৈছিল বুলি জনা যায়। উক্ত দূৰ্গটো অসমৰ প্ৰচীন কৃতিচিহ্ন আৰু তথ্য অধিনিয়ম ১৯৫৯ ৰ অধীনত ৰাজ্যিকভাৱে সংৰক্ষিত পুৰাতাত্বিক স্মাৰক । ইয়াৰ সংৰক্ষণ, পুনৰুদ্ধাৰ সৌন্দৰ্যবৰ্দ্ধন আৰু সুৰক্ষাৰ দায়িত্ব অসম পত্নতত্ব সঞ্চালয়ক ওপৰত ন্যষ্ট। এই উদেশ্য ২০২৩-২৪ বিত্তীয় বৰ্ষত অসম চৰকাৰে আৱন্টন কৰা ৫০ লাখ টকাৰ পুজিঁৰে অসম পত্নতত্ব সঞ্চালয়কলৈ দূৰ্গটোৰ সংৰক্ষণ আৰু সুৰক্ষামূলক কাম-কাজ সম্পূৰ্ণ কৰিছে । লগতে স্মাৰকটোৰ দীৰ্ঘম্যদী সংৰক্ষণ আৰু সৰ্বাংগীন উন্নয়ৰ বাবে সঞ্চালকালয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। অসম পৰ্যটন বিভাগৰ দৃষ্টিভংগীৰে বদৰপুৰ ঐতিহাসিক দূৰ্গটোৰে ঐতিহ্য ভিত্তিত পৰ্যটন heritage tourism বিকাশৰ ক্ষেত্ৰত যথেষ্ট সম্ভৱনা আছে । স্মাৰকটোৰ ঐতিহাসিক গুৰুত্ব ভৌগলিক অৱস্থান আৰু বৰাক উপত্যকাৰ অন্যান্য পৰ্যটন স্থলৰ সৈতে সংযোগৰ পৰিপেক্ষিতত ইয়াক পৰ্যটন মানচিত্ৰত অধিক ফলপ্ৰসু ভাৱে অন্তৰ্ভূক্ত কৰাৰ সম্ভৱনা আছে। স্মাৰকটোৰে সংৰক্ষণ আৰু গাঠনি সুস্থ অসন্তা অক্ষূন্ন কৰি পৰ্যটন উন্নয়ৰ সৈতে জৰিত যিকোনো পদক্ষেপ অসম পত্নতত্ব সঞ্চলায়কতাৰ সৈতে সমন্বয় ৰাখি প্ৰচলিত আইন আৰু চৰকাৰ নীতি অনুসৰি বিবেচনা কৰা হ'ব।

মই মাননীয় বিধায়ক ডাঙৰীয়াক ইয়াৰ যিটো heritage tourism ৰ কথাখিনি কলো, ভৱিষ্যতে আপুনি যিখিনি পৰামৰ্শ দিছে, সেই সৎ পৰামৰ্শখিনি গ্ৰহণ কৰা হ'ব আৰু আমি বাকীখিনি কথাও নিশ্চিতভাৱে ভৱিষ্যতে চালি জাৰি চাম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, বাইদেউৰ কথাখিনি শুনা পালো আৰু আজি আমি সঁচা কথাখিনি জানিলো। এইটোৰ কাৰণে আমি আজি বৰাকভেলি ৰাইজ আশ্বস্ত যে সঁচা কথাখিনি এখন চৰকাৰে দিব পাৰে বুলি লগতে আমি আশা ব্যক্ত কৰিছো মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বদৰপুৰ মিউনিচিপালিটি যদিও সেইটো ডিপাৰ্টমেণ্টৰ লগত নাই, তথাপিও মই ক'ব বিচাৰোঁ যে ইতিমধ্যে চৰকাৰেও ন'টিফিকেশ্যন

পঠাইছে বদৰপুৰ মিউনিচিপালিটিৰ নাম সিদ্ধেশ্বৰ হ'ব লাগে। তাৰ কাৰণে চৰকাৰে যাতে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰে, তাৰ বাবে মই অনুৰোধ জনাইছোঁ।

**শ্ৰী ৰাজদ্বীপ গোৱালাঃ** Honourable Speaker Sir, I have an unstarred question. এই যে ৰাজা গোৱিন্দচন্দ্ৰৰ কথাটো ক'লে, I wanted to ask here that there is a Khaspur Rajbari located in Udarbond LAC. The reply that I have got is that there is a Memorandum of Understanding (MoU) between Assam Tourism and the Archaeological Survey of India, which is in an advanced stage. But since the memorandum is not getting done, that place is getting ruined and deteriorating every day. There are lot of land disputes also. Many State Government projects are not being implemented, like the Jagannath Mandap, because there is a tea garden nearby, Patimara Tea Estate. Therefore, the Memorandum of Understanding has to be done as early as possible. Ma'am, শেষৰ তিনি বছৰত ইয়াত কোনো ফাণ্ড sanction হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ questionটো not related with the Badarpur Fort।

**শ্ৰী ৰাজদ্বীপ গোৱালা, উদাৰবন** : It relates to the Kachari Kingdom, Sir. He has mentioned that. সেইকাৰণে মই কৈ আছোঁ, Sir.

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্যটন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই দিব পাৰিম। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সদ্ ইচ্ছাত আমি Archaeological Survey of India-ৰ লগত এখন Memorandum of Understanding (MoU) কৰিবলৈ গৈছোঁ। তাত প্ৰায় ৫৪টা monument আছে। অসমত এনেধৰণৰ পত্নতত্ব বিভাগৰ বহুতো গুৰুত্বপূৰ্ণ monument আছে। কিন্তু তেওঁলোকৰ অনুমোদন সাপেক্ষেহে আমি কামবোৰ কৰিব পাৰোঁ। সেইকাৰণে Assam Tourism-এ তেওঁলোকৰ লগত এখন MoU sign কৰিবলৈ লৈছো। তাৰ পিছত তাত সামগ্ৰীক ভাৱে সেই অঞ্চলটোৰ যিবিলাক tourism infrastructure গঢ় ল’ব লাগে, সেইখিনি গঢ়ি উঠিব। গতিকে মই মাননীয় বিধায়ক ডাঙৰীয়াক ক'ব বিচাৰোঁ যে ভৱিষ্যতে আমি এই MoUখন sign হোৱাৰ পিছত তাত tourism-ৰ বাবে যিখিনি প্ৰয়োজনীয় infrastructure লাগে, তাক গঢ়িবৰ কাৰণে এটা পৰিৱেশ সৃষ্টি হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া Question No. 25. সন্মানীয় সদস্য শ্ৰী মহেশ্বৰ বড়ো।

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্যটন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মহেশ্বৰ বড়ো, ভেৰগাঁও :**মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মই লাভ কৰিছোঁ। কিন্তু জানিবলগীয়া আৰু কিছু কথা আছে। ২৫৫খন নতুন অংগনৱাড়ী কেন্দ্ৰ district-wise allocation কৰা হৈছিল, কিন্তু সম্পূৰ্ণ হৈছে মাত্ৰ ৬৭খন। এতিয়াও ১৮৮ খন বাকী আছে। অংগনৱাড়ী কেন্দ্ৰ নথকা ঠাইতহে নতুন অংগনবাদী কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু মই মোৰ সমষ্টিত নিজে ঘূৰি দেখিছোঁ যে বহু ঠাইত ক্লাছ কৰিবৰ বাবে উপযুক্ত অৱস্থা নাই। অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কামবোৰো খুব লেহেমগতিত চলিছে। গতিকে এই কামবোৰ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে কিবা ব্যৱস্থা ল'ব নেকি?

দ্বিতীয়তে, মোৰ সমষ্টিত দুটা CDPO আছে। তাৰ অধীনত প্ৰায় ৪০০ৰো অধিক অংগনৱাড়ী কেন্দ্ৰ আছে। বহুতো অংগনৱাড়ী কেন্দ্ৰ আজিও কাৰোবাৰ ঘৰত বা LP স্কুলত চলাবলগীয়া হৈছে বা পাঠদান কৰিবলগীয়া হয়। গতিকে নতুনকৈ আৰু অংগনৱাড়ী কেন্দ্ৰ দিয়াৰ প্ৰয়োজন আছে। কিন্তু উত্তৰত এই বিষয়ে কোনো policy নাই বুলি কোৱা হৈছে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ জনাব বিচাৰোঁ যে নতুনকৈ অংগনৱাড়ী কেন্দ্ৰ দিয়াৰ প্ৰয়োজন আছে।

তৃতীয়তে, বহুতো অংগনৱাড়ী কেন্দ্ৰত বৰ্তমান কৰ্মী আৰু সহায়িকা পদ খালী হৈ আছে। গতিকে এই পদসমূহত নিয়োগ দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষঃ** Minister, please reply.

**শ্ৰীমতী অজন্তা নেওঁগ, পৰ্যটন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নতুনকৈ নিৰ্বাচিত হোৱা মাননীয় বিধায়ক ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমি তেখেতৰ সমষ্টিৰ লগতে গোটেই জিলাখনৰ তথ্য দিছো আৰু মই নিজেও জিলাখনলৈ গৈছিলোঁ, তাত গৈ construction কামসমূহ monitor কৰিছিলোঁ আৰু কামবোৰ speed up কৰিবলৈ কৈছো। এই যিবিলাক Model Anganwadi Centre নিৰ্মাণ কৰি আছোঁ, তাত আচলেত একোখন Construction Committee থাকে। সেই Construction Committee য়ে তাত স্থানীয়ভাৱে কাম-কাজ বিলাক কৰে। মই বিধায়ক গৰাকীকো মই অনুৰোধ জনাইছো যে যাতে তেখেতে নিজেও Construction Committee সকলৰ লগত বহি পেলাই কাম-কাজ বিলাক যাতে ক্ষিপ্ৰ কৰিব পাৰে, তাৰ বাবে তেখেতেও নিৰ্দেশ দিব পাৰে, মই অনুৰোধ জনাইছো। মই বিধায়ক গৰকীক অনুৰোধ জনাইছো যে তেখেতে যাতে নিজেও construction কমিটী সকলৰ লগত বহি প কাম-কাজবিলাক যাতে ক্ষীপ্ৰ কৰিব পাৰে, তেখেতেও নিৰ্দেশ দিব পাৰে মই অনুৰোধ জনাইছোঁ আৰু সদনত উপস্থিত সকলো বিধায়ককে মই অনুৰোধ জনাইছোঁ। ইতিমধ্যে যদিও প্ৰশ্নটোত গোটেই অসমৰ কথাই মই কৈছোঁ যে অসমত আমি যোৱা সময়ছোৱাত প্ৰায় ৯

হাজাৰৰ বেছি মডেল অংগনবাড়ী কেন্দ্ৰ অনুমোদন দিছিলোঁ আৰু সেই মডেল অংগনবাড়ী কেন্দ্ৰসমূহৰ ভিতৰত প্ৰায় ৪ হাজাৰৰ বেছি কেন্দ্ৰ ইতিমধ্যে নিৰ্মাণ হৈ উঠিছে। আৰু যিখিনি কেন্দ্ৰ ইতিমধ্যে আণ্ডাৰ কনষ্ট্ৰাকশ্যনত আছে, সেই কামখিনি ক্ষীপ্ৰতাৰে কৰিবৰ কাৰণে মই নিজেই জিলাবিলাকলৈ গৈছোঁ। আৰু আহিব লগীয়া সময়ছোৱাত মই জিলাবিলাকলৈ নিজে যাম আৰু বিধায়কসকলৰ লগত থাকি সেইখিনি যিমান পাৰো আমি স্পীড আপ কৰিবৰ কাৰণে চেষ্টা কৰিম৷ লগতে আমি এটা কথাও কৈছিলোঁ যে নিজৰ নিজৰ সমষ্টিত বিধায়কসকলে যদি নেতৃত্ব দিয়ে, তেতিয়াহ'লে মডেল অংগনবাড়ী কেন্দ্ৰসমূহত আমাৰ পঞ্চায়ত আৰু ৰুৰেল ডেভেলপমেণ্টৰ পুঁজি থাকে তাৰো তেওঁলোকে পুনঃনিৰ্মাণ কৰিব পাৰে। ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰলৈ লিখিছোঁ যে অসমত বাকী থকা যিবিলাক মডেল অংগনবাড়ী কেন্দ্ৰ আছে, তাৰ পুনঃনিৰ্মাণৰ কাৰণে পুঁজি বিচাৰিছো। আৰু আমি ইতিমধ্যে অসম চৰকাৰকো অনুৰোধ জনাইছোঁ যাতে আহিবলগা সময়ছোৱাত আৰু মডেল অংগনবাড়ী কেন্দ্ৰ ৰাজ্যখনত নিৰ্মাণ কৰিবৰ কাৰণে বিধায়কসকলক পুঁজি প্ৰদান কৰে। পুঁজি সাপেক্ষে আমি নতুনকৈ মডেল অংগনবাড়ী কেন্দ্ৰ ৰাজ্যখনত গ্ৰহণ কৰিবৰ কাৰণে আমি সদায় প্ৰচেষ্টা গ্ৰহণ কৰি আছোঁ।

**শ্ৰীমহেশ্বৰ বড়ো, (ভেৰগাওঁ** :-অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছিলো এই যে ভেকেণ্ট হৈ থাকে কৰ্মী আৰু হেল্পাৰৰ পদেবাৰ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী :-** ভেকেণ্ট পদটো আচলতে এটা নিয়মীয়া প্ৰক্ৰিয়া। ভেকেণ্ট হয় আমি পদবোৰ পূৰণ কৰি থাকোঁ। আপোনাৰ যদি সমষ্টিত তেনেকুৱা কিবা ভেকেণ্ট প'ষ্ট আছে, মোলৈ লিখিব, মই সেইখিনি পূৰণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিম।

**শ্ৰীআমিনুৰ ৰশিদ চৌধুৰী, দক্ষিণ** কৰিমগঞ্জ :- Sir, Supplementary আছিল।

**মাননীয় অধ্যক্ষ** :- Related to Bhergaon ?

**শ্ৰীআমিনুৰ ৰশিদ চৌধুৰী,দক্ষিণ** কৰিমগঞ্জ :- ছাৰ, CDPO আছে?

**মাননীয় অধ্যক্ষ** :- নহয়, নহয়, ভেৰগাঁওৰ সন্দৰ্ভতনে, ভেৰগাঁৱৰ হে প্ৰশ্ন কৰিছে।

**শ্ৰীআমিনুৰ ৰশিদ চৌধুৰী, দক্ষিণ** কৰিমগঞ্জ :- হয় হয়, অংগনবাড়ী চেন্টাৰৰ ওপৰত আছিল, ছাৰ।

**মাননীয় অধ্যক্ষ** :- ভেৰগাঁওৰ ওপৰত।

**শ্ৰীউৎপল বৰা, গহপুৰ** :- Sir, এটা আছিল।

**মাননীয় অধ্যক্ষ** :- ভেৰগাঁওৰ ওপৰত।

**শ্ৰীউৎপল বৰা, গহপুৰ** :- মন্ত্ৰী ডাঙৰীয়ানীক এটা কথা কব লগীয়া আছিল, অংগনবাড়ীৰ খালী পদৰ ওপৰত ওলাইছে কাৰণে কৈছো।

**মাননীয় অধ্যক্ষ** :- ভূপেন বৰা ডাঙৰীয়াই কওক।

**শ্ৰীভূপেন কুমাৰ বৰা** :- ছাৰ, ভেৰগাঁও সমষ্টিৰ কথাকে কওঁক বা আপোনাৰ সমষ্টিৰ কথাকে কওঁক।

**মাননীয় অধ্যক্ষ** :- নালাগে।

**শ্ৰীভূপেন কুমাৰ বৰা, (বিহপুৰীয়া)** :- ছাৰ, ভেৰগাঁৰৰ কথাকে কৈ আছো। ছাৰ, যিকোনো সমষ্টিত যদি আপুনি যায়, দেখিব যে অংগনবাড়ী চেণ্টাৰবিলাকত তিনিটা পৰ্যায় আছে। এটা অতি সুন্দৰ হৈছে, দেখিলে নয়নাভিৰাম অতি মনোৰম আৰু এবিধ আছে খেলি আছে ঠিকেই আছে আৰু এবিধ আছে অত্যন্তা দুৰ্দশাগ্ৰস্থ, মানে কৰবাত চালি নাই, কৰবাত মজিয়া নাই, কৰবাত বেৰ নাই। মই মাননীয় মন্ত্ৰী মহোদয়াক আপোনাৰ জৰিয়তে সুধিব বিচাৰিছো, যে হয় ৯ হাজাৰ আগতে দিছিল তাৰে কিছু নিৰ্মাণ হৈছে আমি দেখিছো। কিন্তু যিবিলাক একেবাৰে দূৰ্দশাগ্ৰস্থ, য'ত বৰষুণ পৰে, বেৰ নাই, মজিয়াত গোটেই বোকা পানী হয়, সেইবিলাক তৎকালীনভাৱে মেৰামতি কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি? আৰু যদি অগ্ৰাধিকাৰ ভিত্তিত এতিয়া ধৰি ল'লোঁ, আকৌ কিবা নতুনকৈ এহেজাৰ আহিব বা দুহেজাৰ আহিব। সেই অহাখিনিৰ ভিতৰত কোনে বাছনি কৰিব। কোনবিলাকক প্ৰায়'ৰিটি দিব লাগিব। কাৰণ প্ৰায়'ৰিটিৰ কথাটো আহিব লাগিব। কাৰণ এতিয়া ধৰক ভেৰগাঁও সমষ্টিত তেখেতে কোৱা মতে ৪০০ টা চেণ্টাৰ আছে।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে।

**শ্ৰীভূপেন কুমাৰ বৰা, ( বিহপুৰীয়া)** :- ধৰি ললো ২০০ টা বনালে, বাকী ২০০ টা যে বাকী আছে, তাত যিখিনি অতি দূৰ্দশাগ্ৰস্থ সেইখিনক অগ্ৰাধিকাৰ দিব লাগে। দ্বিতীয়তে ছাৰ, আৰু এটা কথা যে অংগনবাড়ী কৰ্মী-সহায়িকাসকলে আমাৰ সততে লগ পালে, আপোনাকো সোধে যে তেওঁলোকৰ মাহেকীয়া যিটো পাৰিপাষিক, সেইটো বৃদ্ধিৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনে কিবা চিন্তা-চৰ্চা কৰিছে নেকি? জনালে ভাল পাম।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে। এক মিনিট, এক মিনিট বৰা ডাঙৰীয়া আপুনি কিবা এটা কব বিচাৰিছিল কওকচোন।

**শ্ৰীউৎপল বৰা, গহপুৰ** :- ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া। মই মন্ত্ৰী বাইদেউক এটা কথা জানিব বিচাৰিছোঁ। যে আমাৰ বহুত অংগনবাড়ী প্ৰজেক্টবিলাকত, আইচিডিএছ প্ৰজেক্টত, অংগনবাড়ী ৱৰ্কাৰ আৰু হেল্পাৰ ভেকেঞ্চি আছে। তাৰ আগতে amalgamation হৈ যোৱাৰ কাৰণে এটা এটা কেন্দ্ৰত ৪ গৰাকীকেও adjust কৰি থৈছিলে। এতিয়া ভেকেঞ্চিৰ againstত তেওঁলোকক adjust কৰিবলৈ Governmentৰ এটা order ওলাইছিল। কিন্তু এতিয়া এনেকুৱা condition হৈছে, এটা projectৰ distance thirty-five kilometer আতৰত, forty-five kilometreআতৰত post টো vacant হৈছে। কিন্তু এতিয়া তাৰ পৰা অংগনবাড়ী worker বা helperগৰাকীক যদি সেই postটোত দিয়া যায়, তেতিয়া হ'লে তেওঁৰ কাৰণে possible নহয় আৰু এনেকুৱা ক্ষেত্ৰত আমাৰ ওচৰলৈ আহি তেওঁলোকে আপত্তি জনাইছে। এই ক্ষেত্ৰত ইতিমধ্যে মই বাইদেউৰ লগত এবাৰ পাতিছিলোঁ। গতিকে এই ব্যৱস্থাটো যদি Governmentৰ orderটোত এনেকুৱা এটা distance fix কৰি লৈ বাকিখিনি যদি নতুন appointment দিয়াৰ ব্যৱস্থা কৰে, তেতিয়াহ'লে ভাল হয়। গতিকে বিভাগে বাইদেউৰে যদি বা মন্ত্ৰী ডাঙৰীয়ানীয়ে এই ব্যৱস্থাটোৰ ওপৰত এটা ব্যৱস্থা গ্ৰহণ কৰে, তেতিয়াহ'লে ভাল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** :- ঠিক আছে। চৌধুৰী আপোনাৰ কথাটো কওক।

**শ্ৰীআমিনুৰ ৰশিদ চৌধুৰী** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছোঁ। মোৰ South Karimganj সমষ্টিত নতুনকৈ create হৈছে ব্লক। কিন্তু বাকী centreবিলাক সকলো বেলেগ সমষ্টিত দক্ষিন কৰিমগঞ্জৰ পৰা বাহিৰত আছে। সেইটো কি নতুনকৈ create কৰাত আনিব নেকি? কেতিয়া আনিব সেইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** :- বাইদেউ আপুনি যিখিনি পাৰে summary হিচাপে এটাই উত্তৰ দি দিয়ক।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** :- অধ্যক্ষ মহোদয়, ইমান বেছিকৈ আচলতে কৈছে মই কিমানখিনি পাৰো কৈ যাম।

**মাননীয় অধ্যক্ষ** :- যিখিনি পাৰে কৈ দিলে হ'ল।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** :- মই এপইণ্টমেণ্টৰ কথাখিনি কৈছোঁ। আমাৰ বৰা ডাঙৰীয়াই সঠিকভাৱে কৈছে। তেখেতে সঠিকভাৱে কৈছে। মোকো কৈছে। মই তেখেতক আশ্বস্থ কৰিছোঁ যে মই এই বিষয়টো চাম, যাতে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ আমি ভেকেঞ্চি পদ বিলাক পূৰণ কৰিব পাৰোঁ। এইটো এক নম্বৰ। দুই নম্বৰ কথা, আমাৰ ভূপেন বৰা ডাঙৰীয়াই যিখিনি কৈছে, তেখেতক মই অৱগত কৰিছো যে ইতিমধ্যে আমি মডেল অংগনবাড়ী কেন্দ্ৰ সাজিলোঁ। তাৰ কাম চলি আছে। হয়তো অতি কম সময়ৰ ভিতৰতে এই ৯

হাজাৰ আমি সম্পূৰ্ণ কৰিব পাৰিম। ইয়াত বিধায়কসকলৰ সহযোগিতা আছে। আৰু আপোনালোকক মই জনাবলৈ পাই ভাল পাইছোঁ যে অসমৰ এই মডেল অংগনবাড়ী কেন্দ্ৰই দিল্লীত আমি যেতিয়া ৰিভিউ কৰিছিলোঁ, আমাক ভাৰতবৰ্ষৰ ভিতৰতে এটা বেষ্ট মডেল বুলি তেওঁলোকে আমাক স্বীকৃতি প্ৰদান কৰিছে । কাৰণ আপোনালোকে জানে যে অসমৰ বাহিৰতো যদি আপোনালোকে যায়, ইমান সুন্দৰকৈ construction কৰা মডেল অংগনবাড়ী কেন্দ্ৰ ভাৰতবৰ্ষত পাবলৈ টান । গতিকে মই বিধায়কসকলক বিশেষকৈ ধন্যবাদ দিছোঁ। তেখেতে নিজে কাম-কাজবিলাক সম্পন্ন কৰিছে আৰু বাকীখিনিও তেওঁলোকে কৰিব। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াকো মই জনাইছোঁ যে যিখিনি আৰু থাকি গৈছে, আমাৰ বিভাগটোৰে যাতে সেইখিনি কামো যাতে পৰ্যায়ক্ৰমে আগবঢ়াই লৈ যাব পাৰো তাৰ বাবে আমি অনুৰোধ জনাইছো, আমি আশা ৰাখিছোঁ ভৱিষ্যতে হয়তো আমি এইখিনি কামটো আগবাঢ়ি যাব পাৰিম। তৃতীয়তে আপোনালোকক কৈছোঁ যে আজি যিসকল অংগনবাড়ী কৰ্মী আৰু সহায়িকা আছে, যোৱা বাজেট অধিৱেশনত বা বাজেটত ঘোষণা কৰা হৈছিল যে অংগনবাড়ী কৰ্মী-সহায়িকাসকল আৰু আশা কৰ্মীসকলৰ যি সেৱা, সেই সেৱাৰ recognisation দিছে। আৰু ভাৰতবৰ্ষৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য যিয়ে বিগত পাঁচ বছৰত অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ দৰমহা বা মজুৰি বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। গতিকে মই প্ৰথমতে কৈছোঁ যে অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ সকলো ক্ষেত্ৰত চৰকাৰখনে কাম কৰিছে। তেওঁলোকৰ যোৱা সময়ছোৱাত পুঁজি বৃদ্ধি কৰা হৈছে। লগতে তেওঁলোকৰ যিটো ৰিটায়াৰমেণ্ট বেনিফিট, ভাৰত বৰ্ষৰ কোনো এখন ৰাজ্য নাই যিয়ে অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ ৰিটায়াৰমেণ্ট বয়স ৬০ বছৰ কৰিছে। লগতে তেওঁলোকৰ ৰিটায়াৰমেণ্ট বেনিফিটো দিয়া হৈছে। গতিকে যোৱা সময়ছোৱাত বা বৰ্তমান চৰকাৰ খনে যোৱা সময়ছোৱাত অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ লগতে আমাৰ যিসকল ফ্ৰণ্টলাইন কৰ্মীসকল আছে, তেওঁলোকৰ কাৰণে যথেষ্ট খিনি কাম কৰিছে। গতিকে মই বিধায়কসকলক অনুৰোধ জনাইছোঁ যে আপোনালোকে নিজা নিজা অংগনবাড়ী কেন্দ্ৰবিলাকলৈ নিজে গৈ মনিটৰ কৰক। আৰু আপোনালোকে কিছু আগ্ৰহ যদি প্ৰদৰ্শন কৰে, কৰ্মীসকলৰ লগত কথা পাতিলে, তেওঁলোকৰ সেৱাখিনি যাতে সুন্দৰভাৱে দিব পাৰে, মই তাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰিছো।

**মাননীয় অধ্যক্ষ** :- আমিনুৰ ৰশিদ চৌধুৰীৰ এটা re-mapping ৰ কথা এটা আছিল। তেখেতে re-mapping ৰ কথা কৈছে। মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** :- তেখেতে এই কথাখিনি কৈছে যে আমাৰ যেতিয়া সমষ্টি পুনৰ গঠন হৈছে, তাৰ পিছত আমাৰ যিবোৰ ডেভেলপমেণ্ট ব্লক আছিল, সেই

ডেভেলপমেণ্ট ব্লকবোৰৰ ৰিঅ'ৰগেনাইজেশ্যন হ'ব লাগে, এককাল হ’বলৈ, সেই কামখিনি আমি কৰি আছোঁ।

**মাননীয় অধ্যক্ষ** :- এতিয়া প্ৰশ্ন নং ২৬। শ্ৰীতাঞ্জিল হুছেইন।

**শ্ৰীতাঞ্জিল হুছেইন, চামগুৰি** :-ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়, মোক এই সুযোগ দিয়াৰ কাৰণে। আজি এই বিষয়টোত মোৰ এটাই প্ৰশ্ন আমাৰ জল জীৱন মিছনৰ কাৰণে হৈছে। জল জীৱন মিছন আমাৰ কেন্দ্ৰীয় চৰকাৰৰ এটা flagship প্ৰগ্ৰেম আছিল। এই প্ৰগ্ৰেমৰ অধীনত আমাৰ মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছে যে এটা শ্লোগান আছিল “ঘৰ ঘৰ নল, ঘৰ ঘৰ জল” । তাৰ পাছতো যেতিয়া এই স্কীম আহিছিল, বহুত আমাৰ যুৱকে নিজৰ কেৰিয়াৰটো এজন কন্ট্ৰেক্টৰ বা ঠিকাদাৰ হিচাপে গঢ় দিব বিচাৰিছিল। তেওঁলোকে এটা সপোন দেখিছিল যে এইটো স্কীম আহিছে, আমি অলপ ইনভেষ্ট কৰোঁ। ইনভেষ্ট কৰোঁতে বহুতে আপোনাৰ বহুত বেংকৰ পৰা লোন লৈ তেওঁলোকে স্কীমটো আৰম্ভ কৰিছিল।

কিন্তু তাৰ পৰৱৰ্তী সময়ত যেতিয়া এই আঁচনিৰ যিটো পুঁজি পোৱা হ’ল, তেওঁলোকে যিখিনি লোন লৈছিলে mortgage দি, তাত আপোনালোকে দেখা পালে যে বহুতৰে মাটি-বাৰী বেঙ্কে লৈ গুছি গৈছে । মই আপোনাৰ জৰিয়তে চৰকাৰক শুধিব বিচাৰিছো যে এই আঁচনিত ঠিকাদাৰক ইতিমধ্যে কিমান পুঁজি দিলে আৰু কিমান দিবলৈ বাকী আছে ? মই আন এটা কথা শুধিব বিচাৰিছো what is the status of the scheme ? মই আৰু এটা কথা শুধিব বিচাৰিছো যে যেতিয়া আঁচনিটো আহিছিলে তেতিয়া কৈছিলে যে ১২ শতাংশ GST দিব লাগিব কিন্তু তাৰ পৰৱৰ্তী সময়ছোৱাত আকৌ ক'লে যে ১৮ শতাংশ GST দিব লাগিব ৬ শতাংশ GST add কৰি। চৰকাৰে কৈছিলে যে তেওঁলোকে সেই ৬ শতাংশ GST টো ঘূৰাই দিব। আৰু এটা কথা আছিলে যে এই ৬ শতাংশ GST টো ঠিকাদাৰক সকলক চৰকাৰে ঘূৰাই দিলেনে, সেই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** বিধায়ক তাঞ্জিল হুছেইন ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে তাৰবাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জলজীৱন মিশ্যন, অসমৰ কাম-কাজৰ ওপৰত বিভিন্ন দিশৰ পৰা পোৱা অভিযোগৰ বাবে ২০২৪ চনৰ ৩ অক্টোৱৰৰ পৰা জলজীৱন মিশনৰ নিৰ্মাণ কাম সাময়িকভাৱে stand still ৰখা হৈছিল। এই সময়ছোৱাৰ ভিতৰতে IIT Madras CUBE নামৰ এটা অনুষ্ঠানৰ জৰিয়তে অসমৰ জলজীৱন মিশ্যনৰ নিৰ্মীয়মান আৰু নিৰ্মাণ সম্পূৰ্ণ হোৱা আঁচনি সমূহৰ বিতংভাৱে পৰীক্ষা-নিৰীক্ষা ব্যৱস্থা হাতত লোৱা হৈছিল । পৰৱৰ্তী পৰ্য্যায়ত উক্ত সংস্থাটোৱে দাখিল কৰা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি চৰকাৰীভাৱে ঘোষণা কৰা stand still 2026 ৰ ১৫ মাৰ্চ তাৰিখে উঠাই লোৱা

হৈছিল। সেই অনুসৰি এতিয়া পুনৰ নিৰ্মাণৰ আঁচনিৰ কাম পৰ্য্যায়ক্ৰমে আৰম্ভ কৰাৰ বাবে ঠিকাদাৰ সকলক নিৰ্দেশ দিয়া হৈছে। আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে নিৰপেক্ষ জৰীপ আমাৰ অসমত প্ৰায় ৭৬ শতাংশ achieve কৰিবলৈ সক্ষম হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ইতিমধ্যে এই সন্দৰ্ভত এটা প্ৰতিবেদন প্ৰধান মন্ত্ৰী মহোদয়ৰ ওচৰত জমা দিছে। ভাৰত চৰকাৰৰ পৰা ধন লাভ নকৰাৰ বাবে ০৩-১০-২০২৪ তাৰিখে যি স্থিতাৱস্থা আছিলে সেইটো ১৫-০৩-২০২৬ তাৰিখে withdraw কৰিছে। তাৰ পিছত জলজীৱনটো অনুমোদন জনাইছে। আপোনালাকে জানি সুখী হ'ব কেন্দ্ৰীয় চৰকাৰৰ পৰা JJM-2 ৰ বাবে কেন্দ্ৰীয় সাহাৰ্য্য অনুদান, Central share grants in aid হিচাপে ৭৬৪৩.২২ কোটি টকা প্ৰদান কৰা হৈছে। যাৰ ভিতৰত ইতিমধ্যে আমি ৬৯২ .২৪ কোটি টকা token কিস্তি, first phase ত লাভ কৰা হৈছে। তাৰ ওপৰত ১০ শতাংশ share চৰকাৰে বহন কৰিব। তাৰ পৰিমাণ হৈছে ৭৬.৯২ কোটি টকা আৰু মুঠ ৭৬৯.১৬ কোটি টকা first phase ত। এই ক্ষেত্ৰত ন্যায় সঙ্গত ধনৰ বহন প্ৰৱাহ আৰু নিকা ব্যৱস্থা, equitable cash flow and fairness নিশ্চিত কৰিবলৈ ৩০ এপ্ৰিল ২০২৬ তাৰিখলৈ জমা হোৱা, বাকী থকা দেনা সমূহ pending liabilities ৰ ওপৰত pro data basis পৰিশোধ কৰাৰ ব্যৱস্থা দিয়া হৈছে। আৰু বিশেষকৈ আপোনাৰ constituency ত প্ৰায় ১৪৪ টা আঁচনি আছে। তাৰ ভিতৰত ১০২ টা আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ৪২ টা আঁচনিৰ কাম চলি আছে। আপোনাৰ constituency ত sanction amount তাৰ মাজত pro data basis contractor সকলক প্ৰায় ৭.৪ কোটি টকা payment দিয়া হৈছে। বাকী next sanction ৰ পিছত যিমান sanction আছে তাৰ ওপৰত Central Government ৰ পৰা যেতিয়া payment টো আহিব তাৰ পিছত payment দিয়াৰ ব্যৱস্থা হাতত লম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব খোজো যে মোৰ মন্দিয়া সমষ্টিত প্ৰায় ৯৯ শতাংশ JJM আঁচনি defunct হৈ আছে। ৰাইজে পানী পোৱা নাই। এইখিনি অলপ তাৎক্ষনিকভাৱে চাব লাগে। বিশেষকৈ মোৰ জনতা পঞ্চায়ত আৰু চিপি গ্ৰাম পঞ্চায়তত natural groundwater ত অতি বেছি আয়ৰণ content আছে। মানুহে পানী কিনি খাব নোৱাৰে। সেয়েহে জনতা আৰু চিপি গ্ৰাম পঞ্চায়তত যাতে every household is connected with tap water আৰু functional কৰাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি কিবা non-functional আছে, তাৰ কাৰণে tide fund ৰ পৰা upto 5 lakh. District Water and Sanitation Mission ৰ Chairman হ'ল District Commissioner . ৫ লাখ টকা লৈকে আপুনি tide fund ৰ পৰা টকা লৈ মেৰামতি কৰিব পাৰে। তাৰ ওপৰত যদি কিবা খৰছ কৰিবলগা হয় তাৰবাবে আপুনি আমাক জনাব আৰু তাৰ ওপৰত আমি বিহীত ব্যৱস্থা লম। আজি মই Chief Engineer ডাঙৰীয়াক এই বিষয়ে জনামা আপোনাৰ তাত যদি কিবা তেনেধৰণে non- functional হৈ আছে আমি তাৰ ওপৰত ব্যৱস্থা হাতত লম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰঃ**মাননীয় অধ্যক্ষ মহোদয়,মন্ত্ৰী ডাঙৰীয়াই কৈছে যে tide fund ৰ পৰা টকা দিব। কিন্তু আমাৰ বৰপেটা জিলাত tide fund ৰ পৰা কোনো টকা release কৰা নাই। এই initiative টো যাতে সোনকালে লোৱা হয়। বিশেষকৈ মই যিটো জনতা আৰু চিপি গ্ৰাম পঞ্চায়তৰ কথা ক'লো, এই দুটা অলপ specially চাব যাতে প্ৰতি ঘৰে tap water পায়।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, বাওখুংগ্ৰী** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো আমাৰ ইয়াৰ আগৰ চৰকাৰখনে, আগৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই যিটো পৰিকল্পনা লৈ জলজীৱন মিশনটো আৰম্ভ কৰিছিলে যে –ঘৰ ঘৰ নল আৰু ঘৰ –ঘৰ জল, সেই পৰিকল্পনাটোত সন্মানীয় মন্ত্ৰী ডাঙৰীয়া বা মুখ্যমন্ত্ৰী ডাঙৰীয়াই যথেষ্ট ক্ষেত্ৰত কাম কৰিবলৈ সক্ষম হৈছে। কিন্তু এনেকুৱা বহু ঠাই আছে য'ত এতিয়াও পানী যোগানৰ আঁচনি সমূহ চলি আছে আৰু বহু মানুহ উপকৃত হৈছে। মই যিটো সমষ্টিৰ পৰা আহিছো সেই সমষ্টিটো প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ, পিছত সুবিধা পালে মই পৰ্য্যটন মন্ত্ৰী ডাঙৰীয়াকো কম। কিন্তু ই পাহাৰীয়া ঠাই হোৱা কাৰণে তাত পানীৰ যথেষ্ট অসুবিধা আছে। মই বাওখুংগ্ৰী সমষ্টিৰ পৰা আহিছো কোকৰাঝাৰ জিলাৰ। সেই ঠাইখনত জলজীৱন মিশ্যনৰ জৰিয়তে বা এই আঁচনিৰ জৰিয়তে যথেষ্ট মানুহ উপকৃত হৈছিল, এই কথাটো সঁচা। কিন্তু মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে তাত এতিয়াও বহু কাম আধৰুৱা হৈ আছে আৰু তাৰবাবে সেই অঞ্চলৰ মানুহখিনি যিহেতু পাহাৰীয়া অঞ্চল হোৱা বাবে তাত এটা কুঁৱা খান্দিবলৈ বা দমকল পুতিবলৈ বহু টকাৰ প্ৰয়োজন হয়। গতিকে সেই কামখিনি সোনকালে সমাধান কৰাৰ ব্যৱস্থা কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানি ভাল পাব যে PM-JUGA ৰ জৰিয়তে প্ৰথম ফেজত JJM-2 পাৰ্বত্য এলেকা, পাহাৰীয়া এলেকাৰ ওপৰত অধ্যয়ণ

চলি আছে কাৰণ তাত density of population বহুত কম। তাৰকাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। অতি সোনকালে আপুনি এটা ভাল মেছেজ পাব। JJM-2 ৰ জৰিয়তে ৫৫ লিটাৰ প্ৰতিজন ব্যক্তিয়ে যাতে পায় তাৰকাৰণে আমি ব্যৱস্থা হাতত লৈছো।

**ড০ জয়প্ৰকাশ দাস, নাওবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো নাওবৈচা সমষ্টিৰ বহু অঞ্চলত পানীয়ে পানী কিন্তু আমাৰ সমষ্টিৰ বহু অঞ্চলত খোৱাপানীৰ ব্যৱস্থাটো ভাল নহয় JJM আঁচনিত। মই executive engineer ক মাতি আনি নিজে এই বিষয়ে শুধিছিলো। তাত তেখেতে কৈছে যে operational,আমি চৰজমিন তদন্ত কৰিলো কিন্তু আমি তাত পানী পোৱা নাই। সেইকাৰণে ভুল তথ্য প্ৰকাশ কৰিছে বুলি আমি অনুভৱ কৰিছো। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক আমি অনুৰোধ কৰিছো যে নাওঁবৈচা সমষ্টিৰ কিছু অঞ্চল আছে য'ত ঘুণাখুটি, পূৰতেলাহী আদি এনেকুৱা নদী কাষৰীয়া অঞ্চলত তাত বহুত পানী পাই কিন্তু খোৱা পানীৰ অভাৱ। তাত যি জলজীৱন মিশ্যনৰ ব্যৱস্থা আছে সেইখিনি চাবৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ড০ মৃদুল কুমাৰ দত্ত, আপুনিও একেলগে দি দিব, যিখিনি পাৰে সেইখিনি দি দিব।

**শ্ৰী মৃদুল কুমাৰ দত্ত, (দেৰগাওঁ)ঃ** মাননীয় অধ্যক্ষ

মহোদয়, আমাৰ দেৰগাওঁ সমষ্টিত জলজীৱন মিশ্যনৰ এটা বৰ serious ঘটনাৰ সম্পৰ্কে ক'ব বিচাৰিছো। আমাৰ যিটো চাউথ ব্লক আছে, চাউথ ব্লকত এতিয়ালৈকে যিটা অধ্যয়ণ হৈছে তাত আৰ্চেনিক ওলাইছে ৬ টা পঞ্চায়তত আৰ্চেনিক পোৱা গৈছে, মই সংশ্লিষ্ট বিষয়া সকলৰ লগত আলোচনা কৰিছো আৰু মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছো আৰ্চেনিক নিষ্কাষনৰ কিবা ব্যৱস্থা ৰখা হৈছে নেকি ?

**মাননীয় অধ্যক্ষঃ** – মই আপোনাক এটা উপদেশ দিওঁ যে এইটো বহুত serious বিষয়। ঠিক আছে আজি মন্ত্ৰী ডাঙৰীয়াই যিমানখিনি পাৰে ক'ব । কিন্তু আপুনি ক'ত ক'ত আৰ্চেনিক ওলাইছে, তাৰ বিতং তথ্য দি এদিন প্ৰশ্নই হওঁক বা ৩০১ য়ে হওঁক বা নিয়ম ৫৪ য়ে হওঁক, এই বিষয়টো আনক, কাৰণ এই বিষয়টো সকলোৰে জনাটো দৰকাৰ। চৰকাৰে হওঁক বা আমি সকলোৰে জনা দৰকাৰ। আজি যিখিনি পাৰে তেখেতে উত্তৰ দিব। কিন্তু বিতংকৈ এদিন আপুনি special device ত আনিলে বেছি ভাল হয় , ঠিক আছে।

**শ্ৰী টংকেশ্বৰ ৰাভা, (দুধনৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো, যে আমাৰ দুধনৈ সমষ্টিত ৯ টা এনেকুৱা জে. জে. এম. আঁচনি আছে য'ত

functional  বুলি কোৱা হৈছে। কিন্তু সেইটো এপ্ৰিল, মে, জুন, জুলাই, আগষ্টত পানীটো ঠিকেই পাই । কিন্তু ছেপ্তেম্বৰ, অক্টোবৰ, নবেম্বৰ, ডিচেম্বৰত পানীটো নাপায় । কিন্তু সেইটো functional বুলি কোৱা হৈছে। এই বিষয়টোত টেকনিকেলি কি অসুবিধা আছে, মই নাজানো কিন্তু এই সমস্যাটো সমাধান হ'লে মই ভাল পাম।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী**,** যিখিনি পাৰে আপুনি আজিয়েই কৈ দিয়ক।

**শ্ৰী কৃষ্ণেন্দু  পাল, পাৰ্বত্য অঞ্চল উন্নয়ন , জনস্বাস্থ্য কাৰিকৰী, বৰাক উপত্যকা উন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,  প্ৰথমতে আমাৰ মাননীয় সদস্য জে পি দাস ডাঙৰীয়াই যি তথ্য উপস্থাপন কৰিছে, আপুনি আমাক অধ্যয়ন কৰি  কোনটো কোনটো স্কীম বন্ধ আছে, below 5 lakh  ৰ maintenance তেতিয়া হ'লে সেইটো DC ৰ লগত কথা পাতিলে DC য়ে তাত বিহীত ব্যৱস্থা হাতত ল'ব। আগতে আমি কৈছো ৫ লাখৰ ওপৰ হ'লে আপুনি আমাৰ তাতে জনাব। ২০২৪ ৰ পিছত কেবিনেট ডিচিশ্যন আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ যদি কোনোবাই ৰাস্তা বনাওঁতে পাইপ লাইন বেয়া কৰিছে, এই কামটো PWD Department  য়ে কৰিব। এইটো অধ্যয়ন কৰি আমাক যদি ৰিপোৰ্ট দিয়ে আমি ভাল পাম তাৰ ওপৰত বিহীত ব্যৱস্থা ল'ম। আমাৰ মাননীয় বিধায়ক দেৰগাওঁৰ  মৃদুল কুমাৰ দত্ত ডাঙৰীয়া মহোদয়ে যি কথা কৈছে , এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। কিন্তু আমাৰ তাত এনেকুৱা কোনো তথ্য নাই,  যদি হয় তেতিয়া হ'লে আৰ্চেনিক মুক্ত বিশুদ্ধ খোৱা পানীৰ যোগান ধৰাৰ কাৰণে আৰ্চেনিক প্ৰটেকশ্যনৰ কাৰণে কি ব্যৱস্থা হাতত লোৱা যায় তাৰ কাৰণে আমি ব্যৱস্থা হাতত ল'ম। যাতে ৰাইজে বিশুদ্ধ খোৱা পানী পায়। আৰ্চেনিক যদি কোনোাবা ঠাইত ধৰা পৰে, তেতিয়া হ'লে  আমাৰ মুখ্য অভিযন্তাই তাতে পৰিদৰ্শন কৰি এইটো সোনকালে বন্ধ কৰিব লাগে। কেনেকৈ খোৱা পানীৰ যোগান ধৰিব লাগে তাৰ বিহীত ব্যৱস্থা হাতত লোৱা হ'ব। আমাৰ বিধায়ক ৰাভা ডাঙৰীয়াই যি কথা কৈছে ইতিমধ্যে আমি কৈছো যে পাৰ্বত্য অঞ্চলত আমি এটা পৰ্য্যালোচনা কৰি আছো যাতে তাতে বিশুদ্ধ খোৱা পানীৰ যোগান 24x7 , জে. জে. এম ২  মিশ্যনৰ প্ৰধান উদ্দেশ্যটোৱে হৈছে যাতে আমি 24x7 বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব পাৰো। তাৰ কাৰণে আমি অধ্যয়ণ কৰিম আপুনি আমাক লিখিত দিব যে কোনটো কোনটো আঁচনি non-functional হৈ যায়  ডিচেম্বৰ, জানুৱাৰী, ফেব্ৰুৱাৰীত তাৰ কাৰণে বিহীত ব্যৱস্থা হাতত লোৱা হ'ব  ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আমাৰ দত্ত ডাঙৰীয়াই যিটো কথা ক'লে, তাত আৰ্চেনিকৰ পানীটো এতিয়াওঁ খাইয়ে আছে নেকি ? যদি খাই আছে সেইটো seal কৰিব লাগিব। আপুনি অতি

সোনকালে বিভাগক কৈ দিয়ক যাতে seal কৰি  তাৰ alternative  ব্যৱস্থাটো  কৰিব পাৰে। কাৰণ আৰ্চেনিকযুক্ত পানী খালে বহুত অসুবিধা হ'ব পাৰে।

**শ্ৰী কৃষ্ণেন্দু  পাল, পাৰ্বত্য অঞ্চল উন্নয়ন , জনস্বাস্থ্য কাৰিকৰী, বৰাক উপত্যকা উন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,  যদি কোনোবা ঠাইত আৰ্চেনিক ওলাইছে , আমি তাৰ test  কৰি তাৰ কাৰণে বিহীত ব্যৱস্থা হাতত ল'ম।

**মাননীয় অধ্যক্ষঃ** পিছৰ প্ৰশ্ন নং ২৭ জাকিৰ হুছেইন সিকদাৰ। মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবেশ বন আৰু জলবায়ু পৰিবৰ্তন, খনি আৰু খনিজ পদাৰ্থ, বিত্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহাদয়,  আপুনি প্ৰতিনিধিত্ব কৰা সৰভোগ, ভৱানীপুৰ  সমষ্টি আৰু মই প্ৰতিনিধিত্ব কৰা পকাবেতবাৰী সমষ্টিৰ মাজেৰে  বেঁকী নদী বৈ গৈছে। সেই বেঁকী নদীত শিল বালিৰ মহল সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা কিছু কথা জানিব বিচাৰি প্ৰশ্ন উত্থাপন কৰিছিলো। কিন্তু ইয়াতে প্ৰথম মই বিচাৰিছিলো যে বেঁকী নদীত শিল বালিৰ মহল কিমান আছে ? যি তথ্য দিছে, সেই  তথ্য কেৱল বৰ্তমান যি কেইটা ৩ টা মহলৰ নিবিদা দিয়া হৈছে সেইকেইটা মহলৰ দিছে বাকী নামখিনি দিয়া নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা প্ৰথমতে মই মন্ত্ৰী মহোদয়ক জনাই থৈছো শাল মাৰা, জয়পুৰ, বালাভিটা, ঘিলাজাৰি এইকেইটা বৈধ ভাৱে চলি আছে। কিন্তু বেঁকী নদীত যদি আপোনালোকে চাই জয়পুৰ, বৰডাংগা, খুটনাবাৰী,চাপাকামা, ডুমুনীঘাট, নিছুকামহল, বান্দৰখোৱা এনেকুৱা বহু মহল আছে যি সমূহৰ কিবা কোৰ্টত কেছ হৈছে নাইবা টেণ্ডাৰ দিছিল  এতিয়ালৈকে টেণ্ডাৰখিনি প্ৰচেচখিনি ক্লিয়াৰ কৰিব পৰা নাই, বন্ধ হৈ আছে। গতিকে সেই কথাখিনি ইয়াত উল্লখ নাই। এতিয়া মোৰ প্ৰশ্ন হ'ল যে বেঁকী নদীত শিল বালিৰ মহল এই তিনিটা তেওঁলোকে চলাই আছে। বাকী যিখিনি বন্ধ হৈ আছে সেই বন্ধ থকা মহল সমূহত অবৈধভাৱে শিল বালিৰ খনন  চলি আছে। তাৰ পৰা এটা চিণ্ডিকেট চক্ৰই গোটেই বেপাৰ বাণিজ্যখিনি কৰি আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া এইবাৰৰ বিধায়ক নিৰ্বাচিত হোৱাৰ পিছতেই সংবাদ মাধ্যমৰ যোগেদি ৰাইজক আহ্বান জনাইছিল যে অবৈধভাৱে এনেকুৱা শিল বালি কঢ়িওৱা ট্ৰাক সমুহ আমি বন্ধ কৰিব লাগে। ডাম্পাৰ আমি বন্ধ কৰিব লাগে আৰু এই খনন আমি বন্ধ কৰিব লাগে যি চৰকাৰক ৰাজহ ফাঁকি দি আছে। তাৰ কাৰণে আজি মই অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জনাইছো, কিছু শিথিল হ'ল। এতিয়া মোৰ প্ৰশ্নটো হ'ল মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ এই যে বন্ধ হৈ থকা মহল বিলাকক DFO ৰ জৰিয়তে যিটো indane দিয়ে, ধৰক ১০০ cm ৰ কাৰণে দিলে,  indane টো ১০০ cm ৰ লৈ তাত কমচে কম 4/5 হাজাৰ cm

তাৰ পৰা বালি শিল উঠাই লৈ আহে। সেই একে চালানতে চলি থাকে। গতিকে এনেভাৱে এটা ডাঙৰ চিণ্ডিকেট চলি আছে। এই গোটেইখিনি কাৰ্য্য বন বিষয়া আৰু পুলিছৰ জ্ঞাত। তেওঁলাকৰ জ্ঞাতসাৰেই এইবোৰ চলি আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াকো দেখিছো মন্ত্ৰীয়ে দায়িত্ব লৈ ইতিমধ্যে বন বিভাগত এটা পৰিবৰ্তন অনাৰ কাৰণে তেখেতে চেষ্টা কৰিছে প্ৰয়াস কৰিছে। মই তেওঁৰ জ্ঞাতাৰ্থে জনাওঁ বেঁকী নদীত তেনেকুৱা কথা আগতেওঁ উত্থাপন হৈছে। কিছু দিন বন্ধ থাকে তাৰ পিছত আকৌ অবৈধ ভাৱে চলাই থাকে। গতিকে মন্ত্ৰী ডাঙৰীয়া এই বিষয়ে জ্ঞাত নেকি ? আৰু যদি জ্ঞাত কোনে কোনে এই বিষয়ত জৰিত তেওঁলোকৰ ওপৰত শাস্তি হ'ব নেকি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো। শিল বালিৰ মহল যি খিনি বেঁকী নদীত আছে, তাত বৈধ ভাৱে আৱন্টন দিয়াৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা ল'ব অধ্যক্ষ মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবেশ বন আৰু জলবায়ু পৰিবৰ্তন, খনি আৰু খনিজ পদাৰ্থ, বিত্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,সন্মানীয় সদস্যগৰাকীয়ে যিটো কথা ক'লে, যে ৩ টা মহল, বৰ্তমান চলি আছে, তাৰ তথ্য দিছো আৰু যদি Annexure ত চাই বাকী ৯ টা মহলৰ লিষ্ট Annexure ত দিয়া আছে। ইয়াৰে দুটা মহল sub judice হৈ আছে, এটা মহল কিষ্টি দিয়া নাই বাবে বন্ধ হৈ আছে, এটা mining plan প্ৰচেচত আছে, এটা EC প্ৰচেচত আছে আৰু এটা DSR বন্ধ হৈ আছে। এই গোটেইকেইটা তথ্য আপোনাক Annexure ত দিয়া আছে কিয় বন্ধ হৈ আছে তাৰ কাৰণো ইয়াত লিখি দিয়া আছে। মই মাননীয় সদস্য গৰাকীক এটা কথা কওঁ যে তেখেতে যিখিনি কথা কৈছে, এই তথ্য বিলাক সময়ে সময়ে আমাৰ ওচৰতো আহি আছে। আৰু যোৱা সময়ত দায়িত্ব লোৱাৰ পিছত ইয়াক কেনেকৈ নিৰাময় কৰিব পাৰি তাৰ ব্যৱস্থাও আমি হাতত লৈ আছো। কম দিনৰ ভিতৰত এই কথা বিলাক যিটো তেখেতে কৈছে যে 3rd schedule ত যিসকল ঠিকাদাৰে কাম কৰে সেই ডাঙৰ ডাঙৰ ঠিকাদাৰ সকলক আমি ডাইৰেকলি পাৰমিট দি দিওঁ। সেই পাৰমিট টো তেওঁক পেচিফিক কামটোৰ কাৰণে দিয়া হয় যে তেওঁ কাম লৈছে, কামটোৰ কাৰণে যিখিনি মহলৰ পৰা বস্তু লাগে শিল বালি যি লাগিব তেওঁক পাৰমিট দিয়া হয়। সেই পাৰমিটৰ বস্তুখিনি তেওঁৰ সেই কামটোতে ব্যৱহাৰ কৰিব লাগে। কিন্তু অসমত এনেকুৱা তথ্য বহুত আছে যে সেই পাৰমিটৰ বস্তু বা শিল বালি বিভিন্ন ঠাইত বিভিন্ন সময়ত মহলৰ দৰে চলি থকাৰ তথ্য আমাৰ তাত আছে। সেইকাৰণে এইবাৰ মহল সমূহৰ ক্ষেত্ৰত আমি কিছুমান খুব কঠোৰ ব্যৱস্থা ল'ব বিচাৰিছো। আপোনাৰ জ্ঞাতাৰ্থে আৰু এটা কথা জনাই থও যে যিসমূহ মহল এতিয়াও বিভিন্ন কাৰণত বন্ধ হৈ আছে অহা এমাহৰ পৰা ডেৰমাহ ৪৫ দিনৰ ভিতৰত আমি এই মহল সমূহক প্ৰ'পাৰ অক্সন কৰি টেণ্ডাৰ কৰি আৰু অক্সনবোৰ online হ'ব আৰু এই online ব্যৱস্থাৰে ৪৫ দিন লৈছো আমি এই

সময়ৰৰ ভিতৰত অক্সন কৰি প্ৰায় নতুন ২০০ মহল টেণ্ডাৰ কৰি অক্সন কৰি দি দিম। দ্বিতীয়তে এই ধৰণৰ যিখিনি অসুবিধা আহিছে এইবাৰ মহল সমূহত আমি এটা কথা নিশ্চিত কৰিছো যে মহলত যি সমূহ গাড়ী চলিব প্ৰত্যেকখন গাড়ীতে জি পি এছ্ লগোৱা থাকিব লাগিব। আমাৰ ভি এল পি ডি যিটো জি পি এছ্ থাকিব, সেই জি পি এছ্ লগোৱা থাকিব লাগিব আৰু ইয়াক পৰিবহণ বিভাগ আৰু বন বিভাগে monitor কৰিব। গাড়ী খন ক'ত আছে যাতে আমাৰ অফিচৰ পৰা লক্ষ্য কৰি থাকিব পাৰো যাতে গাড়ীখনে এটা ট্ৰিপ মাৰিছে নে তিনিটা ট্ৰিপ মাৰিছে এখন চালানত এটা ট্ৰিপ মাৰিছে নে তিনিটা ট্ৰিপ মাৰিছে এই ধৰণৰ কথা বিলাক চাবৰ কাৰণে আমি প্ৰত্যেকটো মহলৰ গাড়ী সমূহত আমি জি এল পি ডিৰ যিটো জি পি এছ্ চিষ্টেম ইতিমধ্যে চুপ্ৰিম কোৰ্টে ইয়াক অৰ্ডাৰ দি থৈছে যে সকলো গাড়ীতে এই ধৰণৰ জি পি এছ্ চিষ্টেমটো লগাব লাগিব। ট্ৰান্সপ'ৰ্ট ডিপাৰ্টমেণ্টে এই কামটো আৰম্ভ কৰিছে। আৰু আমি বিশেষকৈ আমাৰ মহলসমূহৰ এই কথাটোত বেছি গুৰুত্ব দিম যে মহলসমূহৰ গাড়ীত জিপিএছ্ ছিষ্টেম লগাবই লাগিব। ইতিমধ্যে মহল আৱণ্টনৰ সময়ত এটা ব্যৱস্থা থাকে যে প্ৰত্যেক মহলদাৰে নিজৰ এৰিয়াৰ ভিতৰত এটা এখন weighbridge লগাব লাগে। সেই weighbridge ক্ষেত্ৰত আমি যথেষ্ট শিথিল আছিল অসমত, মানে এখন এটা মহলত weighbridge নাই বুলি ক'লে ভুল নহয়। গতিকে আমি এইবাৰ মহলবিলাকত বিশেষকৈ ডাঙৰ মহলবিলাকত weighbridge টো compulsory কৰিম যে তেওঁলোকৰ weighbridge লগাবই লাগিব যাতে মহলৰ পৰা মানে ৰাজহ চুৰি কৰি যাতে গাড়ী আহিব নোৱাৰে এই কথাবিলাক আমি লক্ষ্য ৰাখিম। গতিকে এই ধৰণৰ কিছু সংস্কাৰমূলক কামত আমি পৰিকল্পনা কৰি আছো, *

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** চাৰ, মই উঠিলে এতিয়া গণ্ডোগল হৈ যাব, উঠিম নে চাৰ ? মোৰ নামটো লৈছে, মই উঠিম নে নাই, চাৰ। মই উঠিম নে নাই, কওঁক চাৰ, মই তেওঁক একদম উলিয়াই দিম খেলটো। মোৰ নাম লৈ এনে গালি পাৰি আছে, চাৰ। মই এক চাট দিলে উলিট খাই যাব এতিয়া।

( সদনত উফৰি অহা উক্তি; আপুনি অধ্যক্ষৰ ফালে আঙুলি টোৱাই কথা কিয় কৈছে )

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ** চাৰ, সঁচা কথাখিনি কলে গাঁত লাগি যায়।

---

* Expunged as ordered by the Chair

**माननीय अध्यक्षः** অনুগ্ৰহ কৰি আপুনি বহক অখিল গগৈ ডাঙৰীয়া।

সন্মানীয় সদস্য জাকিৰ হুছেইন সিকদাৰ আপোনাৰ supplementary টো কওঁক।

**মঃ জাকিৰ হুছেইন সিকদাৰ, পাকা বেতবাৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া মন্ত্ৰী ডাঙৰীয়াই কথাখিনি বৰ্ণনা কৰিলে, আমি আশা কৰিছো positive দিশত যাওঁক কাৰণ এনেকুৱা ভাৱে বহু সময়ত মই আগতেও কৈ গৈছো কথা বিলাক হৈ থাকে কিন্তু পিছলৈ নহয়। কিন্তু যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে আমাৰো সহযোগ সম্পূৰ্ণভাৱে থাকিব। মোৰ দ্বিতীয়টো প্ৰশ্ন হ'ল যে মোৰ সমষ্টিৰ অন্তৰ্গত চৰচৰী আৰু মিনি চিমলা, বেকী নদী চৰৰ মাজত আছে আৰু তাতে ঘিলাজাৰি যিটো মহল বা বালাভিতা যি মহল, এই মহলৰ যিটো সীমা যিখিনিৰ পৰা খনন কৰিব পাৰি সীমা পাৰ হৈ যায় এই দুখন গাওঁৰ আশে-পাশে গৈ খনন কাৰ্য্য চলায় ফ'কলেও, জে চি বি লগায়, যাৰ কাৰণে গাওঁ দুখনলৈ ভাবুকি আহিছে। গতিকে এই যে সীমা পাৰ হৈ গৈ খনন কাৰ্য্য চলায় এই গাওঁ দুখনলৈ যাতে ভাবুকি নাহে সেই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা ল'ব লাগে আৰু মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম।

**माननीय अध्यक्षः** মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,নিশ্চয়কৈ এই কথাটো আমাৰ দৃষ্টিগোচৰ আছে যে এইটো অকল মহল নহয়, কিছুমান মহলত সীমা পাৰ হৈ মানে যি এৰিয়াত মহল দিয়া হয় তাৰ সীমা পাৰ হৈ বেলেগলৈকে গুচি যায়, যাৰ কাৰণে Mininig Department আৰু Forest department য়ে Geo fencing বা satellite ৰে চাব পৰা Geo fencing কৰি যাতে সেই সীমাৰ বাহিৰত যাব নোৱাৰে আৰু ইতিমধ্যে আমাৰ চৰকাৰে অসমৰ সমূহ জিলাতে ডি এছ আৰ প্ৰস্তুত কৰিছে বিভিন্ন বিভাগ লগ হৈ satellite image ৰ পৰা কিমান ঠাইত মহল দিব পাৰে কিমান ঠাইত মাটি আছে এই ধৰণৰ DSR (District Survey Report) বিলাক প্ৰস্তুত কৰিলে আৰু এই ৰিপোৰ্ট বিলাক অহাৰ পিছত এই কথাবোৰতো লক্ষ্য ৰাখিব পাৰিম। কিন্তু এইটো ঠিক যে এইটো এটা বিশাল কাম, ইয়াৰ কাৰণে জনপ্ৰতিনিধি সকলৰো সহযোগিতা লাগিব। মই বিধায়ক সকলক আগ্ৰহ ৰাখিম যে আপোনালোকেও আপোনালোকৰ তাত থকা তথ্যবোৰ আমাক তাৎক্ষণিকভাৱে দিব। মই ইতিমধ্যে ...

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** তথ্যবোৰ দিয়া হ'ব। কিন্তু আপুনি চিণ্ডিকেট বিলাক বন্ধ কৰি লওঁক আগতে। *

---

* Expunged as ordered by the Chair

**মাননীয় অধ্যক্ষঃ** ৰ'ব, ৰ'ব। অনুগ্ৰহ কৰি বহক, অনুগ্ৰহ কৰি বহক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বন মন্ত্ৰীঃ** আপুনি তথ্য নোহোৱাকৈ বিধানসভাত কথা নকব অখিল গগৈ ডাঙৰীয়া। তথ্য যদি আছে, তথ্য সহকাৰে কথা ক'ব। ইয়াত ধেমালি কৰিবৰ বাবে আমি অহা নাই। আপোনাৰ দৰে আমি ইয়াত ধেমালি কৰিবলৈ অহা নাই। অসমৰ ৰাইজে আমাক ইয়াত ভাল কথা কবলৈ পঠিয়াইছে। আপোনাৰ যদি তথ্য আছে, বিধান সভাৰ অধ্যক্ষৰ ওচৰত দিয়ক, এনেয়ে যেতিয়াই তেতিয়াই যি তি কথা কৈ নাথাকিব। আমাৰ challenge কৰিছো, দিয়ক আপুনি কি তথ্য দিব পাৰে আৰু সেই তথ্যৰ উত্তৰ আমি দিম আৰু যদি আপুনি তথ্য দিব নোৱাৰে এই বিধান সভাত ক্ষমা খুজিব লাগিব। বিধান সভাক অপমান কৰাৰ অধিকাৰ তেওঁক দিয়া নাই। আমি প্ৰস্তাৱ লম, যদি তেওঁ তথ্য দিব নোৱাৰে, ক্ষমা খুজিব লাগিব। তেওঁ টিভিত ওলোৱাৰ বাবে যি তি কৈ থাকিলে হ'ব নেকি ?

.................সদনত হুলুস্থুল ..........

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য আপুনি অনুগ্ৰহ কৰি বহক। এক মিনিট, এক মিনিট। মই এটা কথা কৈ আছো, এইখন তেনেকুৱা সদন নহয় I am on my foot ( মাননীয় অধ্যক্ষই থিয় হয় ) অখিল গগৈ ডাঙৰীয়া এইখন বাহিৰৰ সংবাদমেল নহয় যে মুখেৰে যি ইচ্ছা তাকে ক'ব। ১ মিনিট সময় ৰ'ব। তেখেতে যি তেখেতৰ বক্তব্যৰ সময়ত তেখেতক ছিণ্ডিকেটত জড়িত বুলি কৈছে সেই কথাখিনি expunge কৰা হ'ল।

এতিয়া next supplementary আহিব শ্ৰী আব্দুল কালাম ৰশিদ আলম। ................. হুলস্থুল..............................

নালাগে নালাগে এই কথাটো expunge কৰা হ'ল। অনুগ্ৰহ কৰি বহক, অনুগ্ৰহ কৰি বহক।

**শ্ৰী পদ্ম হাজৰিকা, সদস্য, নদুৱাৰঃ** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিশেষ দায়িত্বত দিল্লীলৈ গৈছিল, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰি পলাইছে বুলি কৈছে ................. হুলস্থুল..............................

**মাননীয় অধ্যক্ষঃ সেই কথাটো** expunge **কৰা হৈছে।** I am on my foot ( মাননীয় অধ্যক্ষই থিয় হয় ) অনুগ্ৰহ কৰি বহি দিয়ক।

................. হুলস্থুল..............................

Please sit down... Please sit down... Please sit down.. I am on my foot, .your are senior member.

................. হুলস্থুল..............................

**माननीय অধ্যক্ষঃ** ঠিক আছে মই ব্যৱস্থা লৈ আছো। Please sit down... Please sit down... Please sit down..

তেখেতৰ কোনো speech record হোৱা নাই।

**মাননীয় অধ্যক্ষ :** Please, বহক।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা) :** অধ্যক্ষ মহোদয়, ১৯৯৫ চনৰ পৰা ২০০০ চনলৈকে বন বিভাগৰ অধীনত গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰৰ পৰা বাংলাদেশলৈ পাথৰ চাপ্লাই কৰা হৈছিল। এতিয়া সেইটো বন্ধ হৈ আছে। আপোনালোক সকলো জ্ঞাত যে যোগীঘোপাত international port হৈছে, এতিয়া ভূটানৰপৰা শিলবোৰ বিভিন্ন ঠাইলৈ গৈ আছে প'ৰ্টৰ পৰা। গতিকে অতি সোনকালে ৰাক্ষসিনীত থকা সেই শিলৰ কোৱেৰীবোৰ খুলিব লাগে, কিমান দিনৰ ভিতৰত খুলিব আৰু সেই প'ৰ্টৰপৰা আমি বিভিন্ন দেশলৈ এক্সপ'ৰ্ট কৰিব পাৰিম আৰু তাৰপৰা বহুত ৰেভিনিউ আহিব।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা ) :** ছাৰ, মোৰ Point of Order এটা আছে।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) :** ছাৰ, Point of Order এটা আছে মোৰ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (কাটিগড়া) :** ছাৰ, Point of Order.

**মাননীয় অধ্যক্ষ :** ১ মিনিট, এতিয়া Parliamentary Affairs Minister.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** অধ্যক্ষ ডাঙৰীয়া, মোৰ মতে এটা গুৰুত্বপূৰ্ণ কথা, সদনৰ মতে বা আপোনাৰ মতে কিমান গুৰুত্বপূৰ্ণ হয় মই নাজানো, তথাপিতো সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে এটা প্ৰস্তাৱ দিব খুজিছো যে বিধান সভাত যদি কিবা আলোচনা হয়, বিধান সভাৰ ভিতৰৰ কথা সাধাৰণতে আমি বাহিৰত গৈ প্ৰেছৰ সন্মুখত বিবৃতি দিওঁ বা তাত আমি সম্বোধন কৰো। এইখন বিধান সভা হয়, বিধান সভাখন ধৰ্ণাস্থলী নহয়। গুৱাহাটীত ধৰ্ণাস্থলীৰ কাৰণে এখন ঠাই designated কৰা আছে। ছয়মাইলৰ পৰা অলপ আগুৱাই গৈ চচল বুলি এখন ঠাই আছে আৰু আমাৰ গুৱাহাটীৰ জিলা প্ৰশাসনে অসমৰ বিভিন্ন ঠাইৰপৰা ধৰ্ণা দিবলৈ অহা লোকসকলৰ বাবে designated area কৰি দিছে। অধ্যক্ষ ডাঙৰীয়া, মই ২০১১ চনৰ পৰা এই বিধান সভাৰ সদস্য হৈ আছো আৰু আপুনিও

সদস্য হৈ আহিছে। এখন বিধান সভাত ১৯৮৫ চনৰে পৰা সদস্য নিৰ্বাচিত হৈ আহিছে। কিন্তু আগতে এনেকুৱা পৰিৱেশ নাছিল। কি পৰিৱেশ আছিল- আমি গৈ বাইট দিওঁ, মিডিয়াক সম্বোধন কৰো যিটো আমাৰ ইয়াত আলোচনা হ'ল। গোটেইখিনি আমাৰ কোৱা নহ'ল, সময়ৰ অভাৱ গতিকে আমি তাত গৈ আমি সম্বোধন কৰো। ইয়াত আগতে এনেকুৱাও নিয়ম আছিল যে বিধান সভাৰ ভিতৰত কিবা এটা কথা উপস্থাপন হ'ব, বাহিৰৰ পৰা আন্দোলন বা কিবা demonstration এটা কৰি আহে। মোৰ যি ১৫-১৬ বছৰীয়া অভিজ্ঞতা তাৰ পৰা কৈছো। অধ্যক্ষ ডাঙৰীয়া, যোৱা পাঁচ বছৰৰপৰা নতুনকৈ এটা কাম আৰম্ভ হ'ল যে বিধান সভাত বিষয় এটা উপস্থাপন কৰিম / নকৰিম, বিধান সভাত বিতৰ্ক হ'ব/ নহ'ব তাৰ মতলব নাই কিন্তু বাহিৰত আন্দোলন হ'ব আৰু টিভিৰ সন্মুখত ডাঙৰ-ডাঙৰ এঘণ্টাৰ নাটক কৰি আহি বিধান সভা সোমাই যাম, বহি থাকিম। ছাৰ, মোৰ ক'ব লগীয়া কথাটো হ'ল যে বিধান সভাত যি বিতৰ্ক হ'ল তাত গৈ কওঁক, মোৰ তাত একো ক'বলগীয়া নাই। কিন্তু বিধান সভাত উপস্থাপন নোহোৱা বেলেগ এটা কথা, কালি ধৰক এজন সদস্যই গুৱাহাটীৰ বানপানীৰ কথা কৈছিল। কিন্তু বিধান সভাত আলোচনা হোৱা নাই। ৰাতিপুৱাই তেওঁ নাটক কৰিবলৈ গুচি আহিল। এই বিধান সভাখন ধৰ্ণাস্থলী হয় নেকি, ছাৰ, মই আপোনাৰ পৰা জানিব খুজিছো আৰু যদি বিধান সভাখন ধৰ্ণাস্থলী নহয় তেনেহ'লে যাওঁক, চচল সাজু হৈ আছে, চচলত গৈ ধৰ্ণা দিয়ক। ছাৰ, মোৰ এটা অনুৰোধ, সকলো সদস্যই কি ভাবে নাজানো, বিধান সভাত আলোচনা নোহোৱা কথা বা আলোচনা হ'ব নলগীয়া কথা, কালি কংগ্ৰেছ দলে এটা বাহিৰৰ পৰা issue লৈ আহিছিল আৰু ভিতৰত এইটো উত্থাপন কৰিছে। গতিকে ইয়াত মোৰ একো ক'ব লগীয়া নাই কিন্তু মই কৈছো যে বিধান সভাত উত্থাপন নকৰাকৈ বাহিৰত নাটক কৰিম বা বাহিৰত আন্দোলন কৰিম, বিধান সভাখন চচল নেকি, ছাৰ, মোক আপুনি এবাৰ জনালে ভাল পাম আৰু যদি নহয় আমাৰ কেইবাখনো কমিটি আছে – BAC, General Purpose Committee, তাত এই কথাটো আলোচনা কৰি এটা সিদ্ধান্ত ল'ব লাগে বুলি মই অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ কৰিলো। মই আকৌ কৈছো যে বিধান সভাত কিবা discussion হৈছে সেই বিষয়ে বাহিৰত গৈ কওঁক , তাত আমাৰ ক'ব লগীয়া নাই কিন্তু আজি এই দাবীটো মই উত্থাপন নকৰোৱেই কিন্তু মই বাহিৰত নাটক কৰিম, আন্দোলন কৰিম তাতকৈ কোনোবা সদস্যই যদি কৰে চচললৈ যাব পাৰে নেকি সেই ব্যৱস্থা কৰি দিব লাগে বুলি মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ :** ঠিক আছে। Point of Order আছিল।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** This will be attack on Freedom of speech. Press ত যাব পাৰে, ক'বও পাৰে তাৰ অৰ্থ এইটো নহয় যে ইয়াত আহি ক'ব নোৱাৰিলে গতিকে প্ৰেছটো ক'ব নোৱাৰিব। This is not right.

**माननीय অধ্যক্ষ :** শ্বেৰমান আলী ডাঙৰীয়া, তেখেতক ক'বলৈ দিয়ক। আপোনাৰ  Point of Order আছিল।

**শ্রী আব্দুৰ ৰহিম আহমেদ (চেঙা ) :** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, যোৱাকালিও আমি দেখিলো যে Question Hour চলি থকা সময়ত সদনখন নিয়মমতে চলি নাই। আজিও অনুৰূপ ঘটনা সংঘতিত হৈছে কাৰণ আমাৰো important question আছে। প্ৰত্যেকজন বিধায়কে সমষ্টি, অসমৰ জলন্ত সমস্যাসমূহক লৈ প্ৰশ্ন কৰে। কিন্তু মাননীয় Parliamentary Affairs Minister পীযুষ হাজৰিকা ডাঙৰীয়া আৰু অখিল গগৈ ডাঙৰীয়াৰ মাজত আধা ঘন্টাৰো ওপৰত এটা প্ৰশ্নৰ ওপৰতে আলোচনা কৰাত আমাৰ সময়টো শেষ হৈ গ'ল । গতিকে মই ভাবো যিহেতু Question Hour টো খুব গুৰুত্বপূৰ্ণ, প্ৰত্যেকজন সদস্যৰে প্ৰশ্নটো ১ ৰপৰা ৫,৬,৭ লৈ আহিলে আমি খুব আনন্দিত হওঁ আগদিনাখন। যদি systematically আপুনি নিয়ন্ত্ৰণ কৰে মই ভাবো আমি ১০-১২ টা লৈকে প্ৰশ্ন আলোচনা কৰিব পাৰিম আৰু যদি supplementary ও এটা নিয়মত দিয়ে, মই যোৱা ৫ বছৰৰ পৰা বিধায়ক আছিলো, হাউচত ছাৰ বিৰোধী দলকো অগ্ৰাধিকাৰ দিব লাগিব, সেইটো আমি আগৰে পৰা দেখি অহা পৰম্পৰা। যোৱাকালি আমাৰ দৃষ্টিগোচৰ হৈছে যে শাসক পক্ষৰ question আৰু supplementary আলোচনা হ'ল,  আমাৰ কি ভুল হ'ল নাজানো ছাৰ, আমিও কিন্তু লিখি দিছিলো। গতিকে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো- সদনখন নিয়মমতে চলাবৰ বাবে আপুনি যিখিনি কঠোৰতাৰে চাব লাগে সেইখিনি চাব লাগিব। Question Hour টো ভালকে যাতে চলে, অনাহকতে যাতে বিতৰ্ক কোনেও নকৰে তাৰ কাৰণে আপুনি হস্তক্ষেপ কৰিব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ঠিক আছে।

**শ্রী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) :** মাননীয় অধ্যক্ষ মহোদয় ........

**মাননীয় অধ্যক্ষ :** এক মিনিট, তেখেতক permission দিছিলো।

**শ্রী মজিবুৰ ৰহমান (দলগাঁও) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় হুইপ্ ছাৰে যেনেকৈ কথাটো কৈছে  যোৱাকালিয়ে নহয়, মই যোৱা ৫ বছৰতো লক্ষ্য কৰিছো যে শাসক পক্ষ আৰু মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ মাজত কিবা nexus থাকে যেন লাগে, নহ'লে Question Hour ত এটা প্ৰশ্ন আনিবৰ কাৰণে আমি কিমান কষ্ট কৰো সেইটো কোনেও বুজিব নোৱাৰে। এইটো লটাৰীৰ মাধ্যমত আহে, আমিও সমষ্টিত উত্তৰ দিব লাগে যে আমি দিয়া প্ৰশ্নটো আজি ৩ বছৰ হৈ যোৱাৰ পিছতো কিয় উত্থাপন নকৰিলে। গতিকে প্ৰশ্নটো আনিবৰ বাবে কিমান কষ্ট কৰিব লাগে হয়তো অখিল গগৈ ডাঙৰীয়া আৰু আমাৰ শাসক পক্ষই বুজি নাপায়। শাসক পক্ষৰ কোনো প্ৰশ্ন নাথাকে, মাত্ৰ উত্তৰ হে দিব লাগে। কোনোবাই লিখি দিছে আৰু তেওঁলোকে উত্তৰবোৰ দিছে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক

কৰযোৰে অনুৰোধ কৰিম যে সদনখন আপোনাৰ ওপৰত নিৰ্ভৰ কৰে, গতিকে কালিৰ পৰা Question Hour ত যাতে অনাহকতে অখিল গগৈ ডাঙৰীয়াক আলোচনালৈ টানি অনা নহয়, তেওঁক অনা মানে সদন adjournment motion ত গুচি যোৱা আৰু সদনত এটা আন্দোলনৰ পৰিৱেশ হয়, গতিকে এনেকুৱা হ'ব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, এইখিনিয়ে মোৰ কথা।

**মাননীয় অধ্যক্ষ :** শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) :** মাননীয় অধ্যক্ষ মহোদয়, মই ২৫ বছৰে বিধান সভাত আছো আৰু এটা কথা উপলব্ধি কৰিছো যে কালি অখিল গগৈ ডাঙৰীয়াই মুখ্যমন্ত্ৰী মহোদয় পলাই গ'ল বুলি যি মন্তব্য কৰিছিল এই বিষয়টো লৈ আলোচনা হ'ব লাগে। এটা extreme point ত আজি বিধান সভা চলি আছে, কাৰণ আজি যদি মই তেখেতক আৰু তাতকৈও extreme ত গৈ তেওঁক চয়তান বুলি কওঁ যে তেতিয়াহ'লে এই কথাটো আজি অতি দুখ লগা কথা, সদনৰ বাহিৰত বা ভিতৰত এনেকুৱা ধৰণৰ কথা হ'ব নালাগে। তাৰ ওপৰত আপুনি বিহীত ব্যৱস্থা ল'ব লাগে, নহ'লে কিন্তু আমাৰো মুখ আছে, আমিও বিৰোধী পক্ষত থাকি অহা মানুহ, আমি আৰু extreme point লৈ যাব পাৰো। তেতিয়া কিন্তু অৰাজকতা হ'ব, এই কথাটোৰ ওপৰত আপুনি সদনত ব্যৱস্থা ল'লে ভাল হ'ব।

**মাননীয় অধ্যক্ষ :** আপোনাৰ Point of Order.

**শ্ৰী ৰাজদ্বীপ গোৱালা (উধাৰবন্দ) :** ছাৰ, মোৰ Unstarred Question ৰ ওপৰত Point of Order আছে। Unstarred Question No. 91 ত মই কাছাৰ জিলাৰ  তথ্যটো বিচাৰিছিলো। ইয়াতে division ৰ কথাটো আহি গ'ল। গতিকে যিমান division আছে সেইটো Forest Department ৰ হৈ মোৰ কাছাৰ জিলাৰ ভিতৰত যিমান division আছে তাৰ গোটেই তথ্যখিনি লাগে। ইয়াৰ কাৰণে মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ :** supplementary এতিয়া নাই, Question Hour পাৰ হৈ গৈছে।

**মাননীয় অধ্যক্ষ :** ঠিক আছে। এতিয়া মই সকলো সদস্যকে আহ্বান জনাইছো যে আমি ইয়াৰ পৰা কোৱা কথাবোৰ বহুতে ভালদৰে নুশুনে। কালিও মই প্ৰমাণ পালো। কালি মই যেতিয়া General Purpose Committee ৰ মিটিঙৰ কথা পঢ়ি দিলো, অখিল গগৈ ডাঙৰীয়াই যোৱাকালি কৈ আছে। মই ইতিমধ্যে ক'লোৱেই যে এই বিষয়টো নাই, যেনেদৰে মন্ত্ৰীৰ কথাটো ইয়াত নাই। তেখেতে কথা শুনা বুলি কৈছিল কিন্তু প্ৰমাণ কৰি দিলো। ..............

প্ৰশ্ন নং-৯১। মই এতিয়া  মাননীয় সদস্যক ক'ব বিচাৰিছো যে আমি সদনত কোৱা কথাবোৰ বহুতে ভালকৈ নুশুনে ।মই কালি ইয়াৰ প্ৰমাণ পালো। মই কালি যেতিয়া General Purpose Committee মিটিঙৰ কথাখিনি পঢ়ি দিছিলো তেতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কৈ আছিল । কিন্তু মই ইতিমধ্যে কৈ দিলো যে তেনেকুৱা এটা বিষয় নাই । মাননীয় মন্ত্ৰী

মহোদয়ৰ তেনেকুৱা এটা কথা তাত নাই। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই তেখেতে কথা শুনা বুলি কৈছিল। কিন্তু মই প্ৰমাণ কৰি দিলো। কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সন্দৰ্ভত যিটো বক্তব্য আগবঢ়াইছিল সেইটো আমি expunge কৰিছো। ঠিক তেনেকৈ মাননীয় সদস্য মানৱ ডেকাৰ সন্দৰ্ভত যি এটা Unperliamentary word আনিছে, সেইটো আমি expunge কৰিছো। যিখিনি কথা expunge হৈ গৈছে সেই বিষয়ে ইয়াত আৰু আলোচনা কৰাৰ প্ৰয়োজন নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ওপৰত কোৱা কথাটো expunge হ'ল নে নাই ? তেখেতে মোৰ ওপৰত প্ৰথমে ক'লে যে মই শিৱসাগৰত কিবা বালিৰ ছিণ্ডিকেট চলাওঁ সেই কথাটো expunge হ'ল নে আছে ?

**মাননীয় অধ্যক্ষ :** তেখেতে যেতিয়া ক'লে আপুনি কি কৈছিল ? আপোনাক যেতিয়া ভেঙুচালি কৰা বুলি ক'লে আপুনিতো তেতিয়া মোৰ আগত বিৰোধিতা কৰা নাছিল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, অৰ্থাৎ মই বিৰোধিতা নকৰিলে আপুনি একো ব্যৱস্থা নলয় নেকি ?

**মাননীয় অধ্যক্ষ :** আপুনি বিৰোধ কৰক, মই কৈ দি আছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মইতো এতিয়া বিৰোধিতা কৰিলোৱেই।

**মাননীয় অধ্যক্ষ :** ঠিক আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে চৰকাৰী পক্ষৰ কথাবোৰ ইয়াত থাকি যায় আৰু আমাৰ কথাবোৰ উঠি যায় নেকি ?

**মাননীয় অধ্যক্ষ :** মই সকলোকে এইটোৱেই আহ্বান জনাইছো যে ইয়াত expunge হোৱা কথা সদনৰ বাহিৰত সংবাদ মাধ্যমত কোনেও ক'ব নোৱাৰে। যিটো শব্দ আমি expunge কৰো সেইটো ক'ব নোৱাৰিব আৰু সংবাদ মাধ্যমেও সেই বিষয়টো পৰিৱেশন কৰিব নোৱাৰিব। নহ'লে এইটো আকৌ Breach of Privilege হ'ব। সেই কাৰণে expunge কৰা হয়। দ্বিতীয় কথাটো হৈছে যে যাৰ বিষয়ে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়েও ক'লে যে উত্থাপন নোহোৱা যিটো বিষয়, তাৰ বিষয়ে with reference যদি কয় যে আজি আমাৰ বিধান সভাত এইটো উত্থাপন হৈছে, তেতিয়া আমি Breach of Privilege ত আনিম। কিন্তু যদি আমাৰ reference ত নাহে, তেন্তে আমি আনিব নোৱাৰো, কাৰণ আমাৰ বাক্ স্বাধীনতা আছে। কিন্তু

যদি আমাৰ reference ত আনে তেতিয়া আমি Breach of Privilege ত আনিব পাৰিম। তৃতীয়তে, মই আৰু এটা কথা ক'ব বিচাৰিছো যে আমাৰ শাসকীয় পক্ষৰ মন্ত্ৰী সকলে উত্তৰ দিওঁতে উত্তৰসমূহ অতি চমুকৈ দিলে ভাল হয়। ইয়াৰ কাৰণে মই আজি এটা নতুন পৰম্পৰা কৰিছো যে একেলগে মই দুটা বা তিনিটা supplementary দিব দিছো। যাতে মন্ত্ৰী মহোদয়ে একেলগে উত্তৰ দিব পাৰে আৰু তেতিয়া আমি প্ৰশ্নকালীন ঘণ্টাত আৰু বেছি প্ৰশ্ন আনিব পাৰিম। কাৰণ এইটো হয় যে বহু মন্ত্ৰী বিধায়কৰ ইয়াত প্ৰশ্ন কৰাৰ আশা-আকাংক্ষা থাকে। সেইকাৰণে আমি যাতে প্ৰশ্নকালীন ঘণ্টা বঢ়াব পাৰো তাৰ বাবে মই মাননীয় মন্ত্ৰীসকলক উত্তৰসমূহ চুটিকৈ দিবলৈ আৰু লগতে দুই-তিনিটা supplementary আনাৰ বাবে ব্যৱস্থা কৰিছো।  আজি মোৰ এনেকুৱা হৈছে যে মাননীয় সদস্য উৎপল বৰা ডাঙৰীয়াক মই মানা কৰি দিলো। কিন্তু ভূপেন বৰা ডাঙৰীয়া যিহেতু জ্যেষ্ঠ সদস্য, তেখেতে কোৱাৰ লগে লগে তেখেতক scope দিলো। মই মোৰ নিৰপেক্ষতা বজাই চলিছো। কিন্তু আপুনি কোৱাৰ দৰে এইটো নহয় যে মই অকল শাসকীয় পক্ষৰ। মই তেখেতক আৰু মাননীয় সদস্য জয় প্ৰকাশ দাস ডাঙৰীয়াকো ক'বলৈ দিছো। মই মাননীয় মন্ত্ৰীসকলক উত্তৰসমূহ চমুকৈ দিবলৈ আহ্বান জনাইছো আৰু যিবোৰ কথা ক'লে সদনৰ পৰিৱেশ বেয়া হয়, সেইখিনি কথা আমি কোৱাৰ কোনো প্ৰয়োজন নাই। এতিয়া ধৰক, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দি আছে, কোনে ভেঙুচালি কৰি আছে বা কৰা নাই মইতো নিজে দেখাই নাই। তেখেতে কোৱাৰ পিছত মই গম পালো। সেয়েহে অপ্ৰয়োজনীয় এটা পৰিৱেশ সৃষ্টি কৰিব নালাগে। অখিল গগৈ ডাঙৰীয়াৰ বক্তব্য যি ধৰণে expunge কৰা হৈছে। ঠিক তেনেকৈ তেখেতৰ সন্দৰ্ভতো যিখিনি কোৱা হৈছে, সেইখিনিও আজি expunge কৰা হৈছে, এতিয়া শূন্যকালীন ঘণ্টা।

এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকা বেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ জুলাই তাৰিখে ''অসমীয়া প্ৰতিদিন'' বাতৰি কাকতত ''ৰাজ্যৰ ১,৬৪০ খন স্কুলত নাই বিদ্যুৎ'' শীৰ্ষক বাতৰিৰ ওপৰত ভিত্তি কৰি শূন্যকালীন ঘণ্টাত মোক বক্তব্য ৰখাত সুবিধা দিয়াৰ বাবে আপোনাক প্ৰথমে ধন্যবাদ জনাইছো। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতি মূহুৰ্ত্ততে এটা কথা কয় যে আমি ভাৰত বৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত অসমক অন্তৰ্ভূক্ত  কৰিম। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো কথা কয় সেইটো কাৰ্য্যত পৰিণত কৰিবলৈ হ'লে আমি যি কেইটা বিষয়ত বেছিকৈ গুৰুত্ব দিব লাগিব সেই বিষয় কেইটাৰ ভিতৰত অন্যতম বিষয় হ'ল শিক্ষা বিভাগ আৰু সেই শিক্ষা বিভাগক যদি আমি গুৰুত্ব নিদিওঁ, শিক্ষা বিভাগৰ সা-সুবিধা সম্পৰ্কে যদি চৰকাৰে ১০০ শতাংশ মনোযোগ নিদিয়ে, সমস্যামুক্ত শিক্ষা ব্যৱস্থা যদি গঢ়ি নোতোলে বিদ্যালয়ৰ আন্তঃগাঁথনি যদি গঢ়ি নোতোলে, তেন্তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ

সপোন সপোন হৈয়ে ৰ'ব। কিছুদিন আগতে শিক্ষা মন্ত্ৰ্যালয়ৰ প্ৰকল্প অনুমোদন বোৰ্ড চমুকৈ PABA য়ে অসমৰ ক্ষেত্ৰত এটা ৰিপোৰ্ট উলিয়াইছিল আৰু কিছু পৰামৰ্শ ও দিছিল। সেই পৰামৰ্শত কৈছিল যে অসমত আজিৰ তাৰিখতো ১,৬৪০ খন বিদ্যালয়ত বিদ্যুৎ নাই , ৩৪০ খন বিদ্যালয়ত খোৱা পানী নাই। ইণ্টাৰনেটৰ যুগত আজিৰ তাৰিখত অসমত ৮৬৭ খন বিদ্যালয়ত ইণ্টাৰনেটৰ ব্যৱস্থা নাই। অসমত ২০,৫৪৭ খন বিদ্যালয়ত বাউণ্ডাৰি ওৱাল নাই। বিদ্যালয় শিক্ষাৰ অন্যতম অংগ খেলপথাৰ। শ্ৰেণী কোঠাৰ ভিতৰত যেনেদৰে শিক্ষা লয়, ঠিক তেনেকৈ খেলপথাৰতো প্ৰত্যকজন পিতৃ-মাতৃয়ে নিজৰ সন্তানক পঠিওৱাৰ ব্যৱস্থা কৰে। যিটো সময়ত সকলো যুৱক-যুৱতীয়ে খেল পথাৰত খেলিবলৈ যাব বিচাৰে, অনুশীলন কৰিব বিচাৰে সেই সময়ত অসমত ৭,৭১০ খন বিদ্যালয়ত খেলপথাৰ নাই। ৩৬০ খন বিদ্যালয়ত ছাত্ৰীৰ প্ৰস্ৰাৱগাৰ নাই , ৫৯১ খন বিদ্যালয়ত ছাত্ৰৰ প্ৰস্ৰাৱগাৰ নাই। ১১,২৮২ খন উচ্চ মাধ্যমিক আৰু উচ্চ্তৰ মাধ্যমিক বিদ্যালয় আৰু ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ভিতৰত মাত্ৰ ৪,৬৩৭ খন বিদ্যালয়ত আই চি টি লেবৰ সুবিধা আছে। লেবৰেটৰী, ক্লাচৰুম আৰু স্মাৰ্ট ক্লাচ ৰুম সকলো বিদ্যালয় থকাটো বাধ্যতামূলক। এই তথ্যখিনি মোৰ নহয়, এই তথ্যখিনি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰ্যালয় প্ৰকল্প অনুমোদন বোৰ্ড PABA এ উল্লেখ কৰিছে আৰু তাক বাতৰি আকাৰে প্ৰকাশ কৰিছে। যোৱা কেইদিনমান ধৰি অসমৰ সংবাদ মাধ্যমৰ লগতে অসমত এই বিষয়ে আলোচনা হৈছে। এইবাৰো দেখিছো আৰু যোৱাবাৰো দেখিছিলো যে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষা বিভাগৰ ওপৰত কথাবোৰ যথেষ্ট গুৰুত্বসহকাৰে কয় আৰু গুৰুত্বসহকাৰে কামবোৰ কৰিব বিচাৰে। বিধান সভাতো প্ৰশ্নৰ উত্তৰসমূহ খুব সুন্দৰকৈ দিয়ে। আমি কেতিয়াবা কোনো বিষয় লৈ গ'লে আমাক কথাবোৰ খুব ভালকৈ বুজাই দিয়ে আৰু সহযোগ কৰে। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ৰ সদিচ্ছা থকাৰ পিছতো এনেকুৱা এখন ভয়াৱহ তথ্য কিয় আহিল ? আমাৰ অসুবিধা ক'ত? কি অসুবিধাৰ কাৰণে আমি পৰা নাই ? কোনে কোনে ইয়াত গাফিলতি কৰিছে, কোনে কোনে মন্ত্ৰী ডাঙৰীয়া তথা চৰকাৰক ফাঁকি দিছে নে কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰে শিক্ষা বিভাগত পুঁজি কমকৈ দিছে ? এনেকুৱা কি আসোঁৱাহ আছে ? এই কথাবোৰ অসমৰ ৰাইজে জানিব বিচাৰিছে , আমিও জানিব বিচাৰিছো। কাৰণ আমাক উপযুক্ত তথা গুণগত শিক্ষা লাগে। আমি সমস্যামুক্ত শিক্ষা গ্ৰহণ কৰিব লাগে। আজিৰ তাৰিখতো ছাত্ৰ-ছাত্ৰী অনুপাতে বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা যথেষ্ট কম। মই সেইবোৰ কথাত যাব বিচৰা নাই। কাৰণ সেইবোৰত গ'লে আপুনি সময় কম দিব। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো আৰু আপোনাক মই প্ৰশংসা কৰি কৈছো যে আপোনাৰ ইচ্ছা আছে। কিন্তু আপুনি কিয় পৰা নাই ? অসুবিধাটো ক'ত আছে আৰু কেতিয়া এনেকুৱা PABA ৰ ৰিপোৰ্টত এইবোৰৰ সংখ্যা শূন্য আহিব ? কিমান দিনলৈ ইয়াৰ বাবে অসম আৰু অসমৰ জনসাধাৰণে অপেক্ষা কৰিব লাগিব ? এই তথ্যখিনি মাননীয়

শিক্ষামন্ত্ৰী মহোদয়ে জনাব লাগে । মই আকৌ কৈছো মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমখনক দেশখনৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত গঢ়িবলৈ হ'লে এনেকুৱা তথ্য আহিলে কিন্তু কেতিয়াওঁ গঢ়িব নোৱাৰিব । মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ পৰা এই গোটেই বিষয়টোৰ ওপৰত উত্তৰ বিচাৰিছো । আহি থকা দিনত কি ধৰণে শিক্ষা ব্যৱস্থা ভাল কৰিব, সমস্যামুক্ত শিক্ষা ব্যৱস্থা গঢ়ি তুলিব সেই বিষয়ে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী৷

**ডাঃ ৰণোজ পেগু , মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে দৃষ্টি আকৰ্ষণ কৰা বাতৰি কাকতৰ বাতৰিটো পঢ়িছো। আৰু ইয়াতে মই কেইটামান কথা স্পষ্ট কৰি দিব বিচাৰিছো। যি বাতৰি কাকতৰ যি শিৰোনাম আৰু যি PAB ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি বাতৰিটো লিখা বুলি কৈছে, এটা কথা বুজিব লাগিব যে বিদ্যুৎ নাই আৰু বিদ্যুৎ সংযোগ নাই, এই দুটা কথাৰ মাজত পাৰ্থক্য আছে। ইয়াত কোৱা হৈছে বিদ্যুৎ নাই, কিন্তু PAB ৰিপোৰ্টত কৈছে electricity connection নাই। হয় electricity connection নাই, কাৰণ অসমৰ ভৌগোলিক ভাৱে এনেকুৱা কিছুমান স্থান আছে য'ত আমি grid ৰ পৰা electricity connection দিব নোৱাৰো আৰু যেতিয়া আমি electricity connection দিব নোৱাৰো, তাত আমি solar যোগে বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিছো। এতিয়া এই ১৬৪০ খন যি বিদ্যালয়ত সংযোগ নাই বুলি কোৱা হৈছে, ইয়াৰে ৬৪৩ খনত আমি solar বিদ্যুৎ তেওঁলোকৰ বাবে সহজলভ্য কৰিছো, অৰ্থাৎ solar system তাতে আছে। ৬৭৬ খন আমাৰ বিদ্যালয় আছে আজিৰ তাৰিখত । সেইটো হ'ল 1.53% of total 44,243 school। গতিকে আমি সংখ্যাবিলাক কওঁতে আমাৰ সৰ্বমুঠ কিমান বিদ্যালয় আছে সেই কথাটো আমি বাৰে বাৰে ক'ব লাগিব যে আমাৰ সৰ্বমুঠ বিদ্যালয়ৰ সংখ্যা ৪৪,২৪৩ খন, তাৰে ১.৫৩ শতাংশ বিদ্যালয় অৰ্থাৎ ৬৭৬ খন বিদ্যালয়ত বিদ্যুৎ সংযোগ নাই আৰু ইয়াৰ কাৰণে এই বিদ্যালয় সমূহতো solar হওক বা লাইনৰে হওক, বিদ্যুৎ যোগান কৰাৰ কাৰণে এই বছৰ মই ৪ কোটি টকা ইতিমধ্যে বাজেটত ধাৰ্য্য কৰিছো যাতে 100% saturation আমি লাভ কৰিব পাৰো। । ২০২৪-২৫ ৰ ৰিপোৰ্টত আহিছিল যে আমাৰ প্ৰায় তিনিশ বিদ্যালয়ত girls ৰ toilet নাই। তৎকালীনভাৱে যি সমূহ বিদ্যালয়ত girls ৰ toilet নাছিল, আমি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু আজি এই পবিত্ৰ সদনক মই জনাব বিচাৰো যে আজিৰ তাৰিখত অসমত ছোৱালীৰ প্ৰস্ৰাৱগাৰ নথকা, toilet নথকা বিদ্যালয়ৰ সংখ্যা হ'ল ০। আমি সকলোখিনি বিদ্যালয়ত girls toilet ৰ ব্যৱস্থা কৰিছো। মাত্ৰ ২৮৩ খন বিদ্যালয়ত ল'ৰাৰ toilet, ল'ৰাৰ প্ৰস্তাৱগাৰ নাই আৰু যিটো percentage হিচাপত ১ শতাংশতকৈও কম অৰ্থাৎ 0.64% of schools in Assam, they are lacking boys toilet আৰু সেইখিনিও এই বছৰটোৰ ভিতৰত আমি নাইকীয়া কৰাৰ কাৰণে বা তাত আমি toilet নিৰ্মাণ

কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। কোৱা হৈছে ১১,২৮২ খন আমাৰ upper primary বিদ্যালয়ত ICT বা computer বা digital device ৰ ব্যৱস্থা নাই। ১১,২৮২ খন বিদ্যালয় আছে upper primary ৰ পৰা আৰম্ভ কৰি higher secondary লৈকে। ইয়াৰে প্ৰতিখন বিদ্যালয়ত minimum একোটা digital device আমি দিয়াৰ কাৰণে ব্যৱস্থা কৰিছো। আমাৰ তিনিটা প্ৰগ্ৰেম চলি আছে, এটাতো হ'ল ICT ৰ lab, দ্বিতীয়টো হ'ল tele-education. tele-education ত আমি তেওঁলোক সকলোকে digital device দিছো, interactive flat panel দিছো আৰু আমি গুৱাহাটী, ডিফু, ধেমাজি, শিলচৰ, কোকৰাঝাৰ পাঁচটা স্থানত থকা আমাৰ ষ্টুডিঅ'ৰ পৰা live class আমি তাতে কৰাওঁ। ইয়াৰ উপৰি আমাৰ আছে smart classroom আৰু এইক্ষেত্ৰত ইয়াৰ ভিতৰত যিটো ১১,২৮২ ৰ তথ্য দিয়া হৈছে, তাৰ ভিতৰত কেন্দ্ৰীয় বিদ্যালয়, জৱাহৰ নৱোদয় বিদ্যালয় ইত্যাদিয়েও সোমাই আছে। আমাৰ অসম চৰকাৰৰ বিদ্যালয়ৰ সংখ্যা ১০,৯৬৫ আৰু ইয়াৰে ১০,০৩৩ খন বিদ্যালয়ত either ICT lab or tele-education or smart classroom আমি ইতিমধ্যে provide কৰিছো। গতিকে আমাৰ saturation rate হৈছে ৯১.৫% আৰু এই বছৰ আমাৰ বাকী থকা বিদ্যালয়ৰ সংখ্যা মাত্ৰ ৯৩৬ খন এই ৯৩৬ খনৰ ভিতৰত এই বছৰৰ বাজেটত ৩২৮ খন বিদ্যালয়ত আমি ICT lab প্ৰদান কৰিম৷ বাকী থাকিব আমাৰ ৬০৮ খন এই ৬০৮ খন যিটো ১.৪ শতাংশ off all government school এই ১.৪ শতাংশটো আমাৰ এই বছৰৰ বাজেটতো আছে ৩২৮ খন বিদ্যালয় ৬০৮ খন বিদ্যালয় বাকী থাকিব৷ মই আজি পবিত্ৰ সদনক জনাও এই ৬০৮ খন বিদ্যালয় ICT lab অহা বছৰ আমি তাত প্ৰদান কৰি আমি 100% saturate কৰিম৷ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথালে আহো। এটো হ'ল playground আৰু boundary wall। ২০২৪-২৫ ৰ UDISE ৰ ৰিপোৰ্টত কোৱা হৈছিল যে অসমৰ ৪৪,২৪৩ খনৰ ভিতৰত ২০,০০০ বিদ্যালয়ত আমাৰ boundary wall নাই। কিন্তু এতিয়া এইটো ২০২৬ চনৰ আমি জুলাই মাহ। এতিয়ালৈকে আমি প্ৰায় ৩,০০০ বিদ্যালয়ৰ boundary wall আমি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছোঁ। গতিকে ২০,০০০ টো ১৭,০০০ লৈ নামি আহিছে। আমি সকলোৱে জানো যে আগৰ MGNREGA ৰ ঠাইত এই বছৰৰ পৰা জুলাইৰ ১ তাৰিখৰ পৰা আৰম্ভ হ'ল বিকশিত ভাৰত, VB-G Ram G এখন নতুন আঁচনি যিখন আঁচনি গ্ৰাম্যঞ্চলত মানে সম্পদ সৃষ্টি কৰা, asset creation কৰা এখন বিশাল আঁচনি লোৱা হৈছে। আৰু এই আঁচনিখনৰ অধীনত আমি কি কি কাম কৰিম বা কৰিব পাৰিম, তাৰ নিৰ্ণয় কৰাৰ কাৰণে আমাৰ প্ৰয়োজনৰ ভিত্তিত তাক নিৰ্ণয় কৰাৰ কাৰণে কেবিনেটে এখন কেবিনেট উপ-সমিতি গঠন কৰি দিছিল আমাৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰাৰ নেতৃত্বত। সেই সমিতিখনত ময়ো এজন সদস্য হিচাপে আছোঁ আৰু এই সমিতিখনৰ পৰা অসমৰ সমূহ পঞ্চায়তী ৰাজ অনুষ্ঠানলৈ পৰামৰ্শ দিয়া হৈছে যে শিক্ষানুষ্ঠান আৰু অংগনবাদী কেন্দ্ৰক অগ্ৰাধিকাৰ দি,

আকৌ কৈছোঁ শিক্ষানুষ্ঠান আৰু অংগনবাদী কেন্দ্ৰক অগ্ৰাধিকাৰ দি যাতে VB-G Ram G ত আমি convergence মোডত এই কামখিনি কৰিব পাৰো।

লগতে যিটো playground কোৱা হৈছে, প্ৰায় ৭,০০০ বিদ্যালয়ত আমাৰ playground নাই। মই গাওঁৰ, গোটেইখন লিষ্ট চালো । ইয়াৰ সৰহ সংখ্যকেই আছে আমাৰ নগৰ অঞ্চল বিলাকত। এতিয়া নগৰ অঞ্চল বিলাকত মই নিজে দেখিছোঁ, কৰবাত ডেৰ কথা মাটিত এখন প্ৰাথমিক বিদ্যালয় চলি আছে। এতিয়া ডেৰ কথা মাটিত প্ৰাথমিক বিদ্যালয় নগৰৰ মাজ মজিয়াত চলি আছে। এটা মানুহে কয় এখন ঐতিহ্যমণ্ডিত ৮০ বছৰ পুৰণি বিদ্যালয়। সেই বিদ্যালয়খনৰ playground নাই। তাত এখন playground প্ৰদান কৰাটো আমি অসহায়। কিন্তু যি আমাৰ rural area বা গ্ৰাম্যঞ্চল আছে, মই এই সদনতে সকলো মাননীয় বিধায়ক সকলোকো মই অনুৰোধ জনাম যে তেওঁলোকে পঞ্চায়ত প্ৰতিনিধি সকলক যাতে এটা দিক নিৰ্দেশনা দিয়ে, অনুৰোধ জনাই যে VB-G Ram G ত আমি প্ৰতিখন বিদ্যালয়ৰ কাৰণে আমি যাতে খেলপথাৰ বা playground যিবিলাকত নাই, সেইখিনি আমি VB-G Ram G ৰ অধীনত যাতে নিৰ্মাণ কৰিব পাৰোঁ। আমাৰ যিমানখিনি পেৰামিটাৰ আছে, বিদ্যালয় এখনৰ মান নিৰূপণ কৰাৰ কাৰণে ইয়াত মাত্ৰ দুটা পেৰামিটাৰত আমি অলপ পিছ পৰি আছোঁ, এটা হ'ল boundary wall, এটা হ'ল playground আৰু এই boundary wall, playground এই অভাৱটো দূৰ কৰাৰ কাৰণে আমাৰ পঞ্চায়তী ৰাজ ব্যৱস্থাই আমাক বহুতখিনি VB-G Ram G ত আমি বহুতখিনি সহায়ক হ'ব বুলি মই আশা ৰাখিছোঁ আৰু তাৰ কাৰণে মাননীয় বিধায়ক সকলৰো মই সহায়-সহযোগিতা কামনা কৰিছোঁ। পুনৰবাৰ কওঁ যে এনেকুৱা উদ্বেগজনক কোনো নাটনি আমাৰ বিদ্যালয় শিক্ষা ব্যৱস্থাত নাই। মাত্ৰ ৬৭৬ খন বিদ্যালয়ত বিদ্যুৎ সংযোগ নাই। পৰীক্ষা কৰি তাত either solar or আমাৰ লাইনৰ পৰা বিদ্যুৎ সংযোগ দিয়া বা solar ব্যৱস্থা দিয়াৰ কাৰণে আমি ব্যৱস্থা কৰিম। এই বছৰ আমি ৪ কোটি টকাৰ বাজেট ৰাখিছোঁ। অহা বছৰো অনুৰূপ ধৰণে ব্যৱস্থা গ্ৰহণ কৰি সকলো বিদ্যালয়ত বিদ্যুৎ সংযোগ আমি সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতি মই মাননীয় সদনত জনাইছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া Zero Hour নম্বৰ ২ মাননীয় সদস্য শ্ৰী জাকাৰিয়া আহমেদ।

**শ্ৰী জাকারিয়া আহমেদ ( উত্তর করিমগঞ্জ)** ঃ– মাননীয় অধ্যক্ষ মহোদয়, আমি জিরো আওয়ারে আমার শ্রীভূমি জেলার জনস্বার্থে তিনটি গুরুত্বপূর্ণ বিষয় উত্থাপন করতে চাই।

প্রথমত, আমার শ্রীভূমি জেলায় উচ্চশিক্ষার সুযোগ এখনও অতি স্বল্প। মাস্টার্সের জন্য বা উচ্চশিক্ষার জন্য আমাদের অন্যান্য জেলায় যেতে হয় । কাছাড় জেলায় বা আসামের

অন্যান্য জেলায় গিয়ে আমাদের উচ্চশিক্ষা অর্জন করতে হয়। তাই আমি মন্ত্রী মহোদয়কে অনুরোধ করব যে আমাদের  শ্রীভূমি জেলার করিমগঞ্জ কলেজকে স্টেট ইউনিভার্সিটি হিসেবে গ্রহণ করা হোক, যাহাতে আমাদের সেই এলাকার, জেলার ছাত্রছাত্রীরা  অন্য - জায়গায় না গিয়ে নিজের জেলায় উচ্চশিক্ষা অর্জন করতে পারে। দ্বিতীয়ত, অধ্যক্ষ মহোদয়, আমাদের ডিলিমিটেশনের পরে  উত্তর করিমগঞ্জ সমষ্টিতে এখন দুটা সরকারি কলেজ আছে। আমি শিক্ষামন্ত্রীকে  অনুরোধ করব যে আরেকটি নতুন সরকারি মডেল কলেজ নির্মাণ করার জন্য। তৃতীয়ত, আমাদের নিরালাতে একটি আইটিআই বিগত ২০১৪ সালে নির্মিত হয়েছিল। কিন্তু দুঃখের বিষয়, আজ পর্যন্ত সেই আইটিআইতে কোনো ক্লাস শুরু হয়নি। একটি এত বড় প্রতিষ্ঠান, যে প্রতিষ্ঠানকে বানানো হয়েছে, কমপ্লিটও হয়েছে, কিন্তু আজকের দিনে প্রায় ১০ বছর হয়ে গেছে, সেই প্রতিষ্ঠানের  বিল্ডিংগুলো দিনে দিনে নষ্ট হচ্ছে। তাই আমি আমার শিক্ষামন্ত্রী মহোদয়কে অনুরোধ করব যাতে অতিসত্বর এই আইটিআই চালানো হোক, যাতে আমাদের সেখানকার ছাত্র-ছাত্রীরা  ভালো পড়াশোনা করতে পারে এবং স্কিল ডেভেলপমেন্টের কারণেও অনেক সুবিধা হবে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্রী।

**ডা° ৰণোজ পেগু, মন্ত্রীঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্রী ভূমি জিলাত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত আমাৰ তাত ইতিমধ্যে যি ৮ খন মহাবিদ্যালয় আছে, তাৰে ভিতৰত কৰিমগঞ্জ মহাবিদ্যালয় বহুত পুৰণি মহাবিদ্যালয় । ইয়াৰ উপৰিও আমাৰ যিখিনি মহাবিদ্যালয় আছে, দুখন মহাবিদ্যালয় বাদ দি বাকী ৬ খন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এক হাজাৰ পাৰ কৰা নাই । কেৱল কৰিমগঞ্জ মহাবিদ্যালয় আৰু বদৰপুৰৰ NC মহাবিদ্যালয় । এতিয়া নবীন চন্দ্ৰ মহাবিদ্যালয়ত মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ১৬০০ আৰু কৰিমগঞ্জ মহাবিদ্যালয়ত ১২০০ । আমাৰ অসমত এনে বহু মহাবিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪ হাজাৰৰ পৰা ৫ হাজাৰ স্পৰ্শ কৰিছে । NEP ৰ মতে আমাৰ একোখন মহাবিদ্যালয়ত 3,000 average, ছাত্ৰ-ছাত্ৰীৰ enrollment হ'ব লাগে। গতিকে মহাবিদ্যালয়ৰ capacity building কৰা, infrastructure বৃদ্ধি কৰা, নতুন কলেজ মহাবিদ্যালয় খোলাৰ সলনি যিবোৰ আমাৰ existing মহাবিদ্যালয়, সেই মহাবিদ্যালয়বোৰৰ intake capacity টো 3,000 ৰ লৈকে উন্নীত কৰাৰ কাৰণে আমি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আছোঁ আৰু সেই ব্যৱস্থা গ্ৰহণ কৰিম।

মাননীয় মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে, আমাৰ সংকল্পপত্ৰতো এই কথা উল্লেখ আছিল যে প্ৰতিখন জিলাতে একোখনকৈ বিশ্ববিদ্যালয় হ'ব । এতেকে নিশ্চিতভাৱে সেই ঘোষণা অনুসৰি শ্ৰীভূমি জিলাতো এখন বিশ্ববিদ্যালয় অনাগত দিনত হ'ব । যোৱা কালি মোক ৰাতাবাৰী সমষ্টিৰ মাননীয় বিধায়ক বিজয় মালাকাৰ ডাঙৰীয়াইও আহি মোৰ লগত এই কথা

আলোচনা কৰিছে । এতেকে শ্ৰীভূমি জিলাৰ আটাইকেইজন বিধায়ক, তাৰ উচ্চ শিক্ষাৰ লগত জড়িত অন্যান্য যিসকল stakeholder আছে, আমি আটাইবোৰে আলোচনা কৰি ক'ত কেনেকৈ শ্ৰীভূমি জিলাত এখন ৰাজ্যিক বিশ্ববিদ্যালয় হ'ব পাৰে, সেই কথাটো অনাগত দিনত আমি আলোচনা কৰি তাক আমি আগুৱাই লৈ যাম । ITI বিষয়টো যদিও মোৰ department ত অন্তৰ্ভুক্ত নহয়, তথাপিও আপুনি জনাইছে, মই নিশ্চিতভাৱে ITI খন কি কাৰণে কাৰ্যক্ষম হোৱা নাই, সেই বিষয়ে আমি পদক্ষেপ গ্ৰহণ কৰিম । মোৰ আটাইকেইজন শ্ৰীভূমি জিলাৰ বিধায়কলৈ অনুৰোধ যে শ্ৰীভূমি জিলাত এখন আদৰ্শ মহাবিদ্যালয়ো আছে, এৰালীগুল । এৰালীগুল মহাবিদ্যালয়খনে আৰম্ভণিৰে পৰা বহুতখিনি struggle কৰি এতিয়া এটা ভাল অৱস্থালৈ আহিছে। আটাইকেইখন মহাবিদ্যালয়ত কেনেকৈ আমি এতিয়া intake capacity টো below 1,000 ৰ পৰা তাক অন্ততঃ হাজাৰলৈ কেনেকৈ আনিব বা cross কৰিব পাৰোঁ । তাত ১,৫০০-২,০০০ ছাত্ৰৰ নামভৰ্তি আমি কেনেকৈ কৰাব পাৰোঁ ? কাৰণ যিবোৰ মহাবিদ্যালয়ত ১,০০০ ৰ তলত সংখ্যা থাকে তাত মহাবিদ্যালয়খন sustainable নহয় । কাৰণ higher education বহুত expensive হয় । গতিকে sustainability আনিবলৈ হ'লে তাত intake capacity বঢ়াব লাগিব । তাত যদি আন্তঃগাঁথনিৰ নাটনি আছে আমি চাম, তাত যদি নতুন বিভাগ খুলিবলগীয়া আছে আমি চাম। সেইখিনিত মনোনিৱেশ কৰিবলৈ অনুৰোধ জনালোঁ। আটাইকেইজন বিধায়কৰ মতামত, বিদ্বৎ সমাজৰ, academia সকলৰ মতামতৰ ভিত্তিত আমি বিশ্ববিদ্যালয় ক'ত হ'ব, কেনেকৈ হ'ব, সেই বিষয়টো অনাগত দিনত সিদ্ধান্ত ল'ম । ধন্যবাদ।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখাং** : মাননীয় অধ্যক্ষ মহোদয়, মই Education ৰ সম্পৰ্কে কাৰ্বি আংলঙৰ এটা কথা ক'ব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** আমাৰ সাধাৰণতে মন্ত্ৰীৰ ৰিপ্লাইৰ পিছত কোনো ধৰণৰ provision নাথাকে। তথাপিও আপুনি যিহেতু এজন নতুন বিধায়ক, গতিকে আপোনাক প্ৰথমবাৰৰ কাৰণে আৰু শেষবাৰৰ কাৰণে কোৱা হ'ল।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখাং** : মাননীয় অধ্যক্ষ মহোদয়, Thank you so much for giving me this opportunity. আপুনি এই সুবিধা দিয়াৰ কাৰণে ধন্যবাদ দিছোঁ । আমাৰ ৱেষ্ট কাৰ্বি আংলঙত গভৰ্ণমেণ্ট ডিগ্ৰী কলেজৰ ইতিমধ্যে ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্টৰ কামখিনি হৈ গ'ল । মাননীয় মুখ্যমন্ত্ৰী য়ে সেই গভৰ্ণমেণ্ট ডিগ্ৰী কলেজখনৰ আধাৰশিলা স্থাপন কৰিছে আৰু সেই কামটো সম্পূৰ্ণ হৈ গ'ল। তাত ফাৰ্নিচাৰৰ কাম খিনিও হৈ গ'ল । এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ লগত মই আলোচনা কৰিছোঁ, তেখেতে কৈছে শিক্ষা বিভাগৰ মন্ত্ৰীৰ লগত আলোচনা কৰি  ক্লাছটো সোনকালে আৰম্ভ কৰিব লাগে । তাত মেনপাৱাৰ নাই । তাত মেনপাৱাৰ দিলে হৈ যাব আৰু লগতে ইষ্ট কাৰ্বি আংলংত এখন ইঞ্জিনিয়াৰিং কলেজৰ কাৰণে

অসম চৰকাৰৰ পৰা তেখেতে এডুকেচন ডিপাৰ্টমেণ্টৰ পৰা আমাক লিখিতভাৱে দিছে। এতিয়া গোটেইখিনি ইনফ্ৰাষ্ট্ৰাকচাৰৰ কাম হৈ গ'ল। খালি এতিয়া ক্লাছটো আৰম্ভ কৰিব লাগিব। অধ্যক্ষ মহোদয়, গতিকে মাননীয় শিক্ষা মন্ত্ৰীক মই সেই কথাটো অৱগত কৰিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। তেওঁ অৱগত হৈ গৈছে।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, এখেতক যিহেতু সময় দিছে, মোকো অলপ দিয়ক। নতুন বিধায়ক হিচাপে মই অলপ ক'ব বিচাৰিছো। মোৰ সমষ্টিত এটা burning topic আছে।

**মাননীয় অধ্যক্ষঃ** এইটো এডভাণ্টেজতো কালিৰ পৰা বন্ধ হ'ব। আপুনি ইতিমধ্যে মোক ড্ৰাগছৰ ওপৰত কম বুলি লিখিতভাৱে দিছে।

**মহম্মদ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** এইটো পিছত। Sir, because I am related to it We are running more than hundreds of schools and colleges. We have over forty five thousand students since the last ten years that we are running. That's why I want to give some suggestions to the Hon'ble Minister, not criticize. If you will allow me, I would like to say.

**মাননীয় অধ্যক্ষঃ** এইটো বিষয়ত আপুনি ক'ব নোৱাৰে। নেক্সটটোত আপুনি ডিভাইচ আনিব।

**মোহাম্মদ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** Okay, thank you.

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক এক মিনিট ক'বলৈ দিয়ক। মোৰ এটা বাৰ্নিং টপিক আছে এডুকেচনৰ ওপৰত।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মৰম কৰাৰ কাৰণেই বিপদহে হ'ল।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** যিহেতু মই নতুন বিধায়ক আপুনি মোক অকণমান সুবিধা দিয়ক। যিহেতু মাননীয় শিক্ষামন্ত্ৰী মহোদয় ইয়াত আছে, গতিকে মোৰ সমষ্টিৰ শিক্ষাৰ ওপৰত কিছুমান বাৰ্নিং প্ৰব্লেম চলি আছে।

**মাননীয় অধ্যক্ষঃ** Particular বিষয়টো কওঁক।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** Education is the backbone of a nation বুলি আমি কওঁ। আমাৰ পৰ্বতঝোৰা বিধানসভা সমষ্টিত যিখিনি বিদ্যালয় আছে, সেই বিদ্যালয়সমূহত এনেকুৱা বিদ্যালয়ো আছে যত বিদ্যালয়খনত ২০০ ছাত্ৰ-ছাত্ৰী আছে। কিন্তু অকল এজন শিক্ষকে তাত পাঠদান কৰি আছে। বিশেষকৈ আমাৰ সেই বিদ্যালয়সমূহত আমি দেখা পাওঁ, যে তাত ব্লক এলিমেন্টৰী এডুকেচন অফিচাৰ যিসমূহ আছে, তেখেতসকলে যদি সেই বিদ্যালয়সমূহখিনিত আই.এচ., এচ.আই. গৰাকীক গৈ পেলাই ভালকৈ তদন্ত কৰে, কৰি পেলাই যদি ৰিপৰ্ট দিয়ে, ৰিপৰ্ট দিয়াৰ পিছতো কাম নহয়। আমি দেখা পাইছোঁ যে সেই

বিদ্যালয়সমূহত বিশেষকৈ এনেকুৱাও আছে য'ত ড্ৰপ আউট চিলড্ৰেনৰ সংখ্যা যথেষ্ট বেছি হৈছে । বিশেষকৈ আমাৰ খুটাবাগৰাৰ যিখন এম.ই. স্কুল, সেই স্কুলখন হাইস্কুললৈ উন্নতিকৰণ কৰাৰ যথেষ্ট প্ৰয়োজন আহি পৰিছে। কাৰণ তাত ২০ কিলোমিটাৰ ভিতৰত কোনো ধৰণৰ হাইস্কুল নাই। আৰু দেবীতলা হায়াৰ চেকেণ্ডাৰী স্কুল যিখন আছে, সেই দেবীতলা হায়াৰ চেকেণ্ডাৰী বিদ্যালয়খন প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত এটা সুবিধা হ'ব । আৰু মহামায়া ডিগ্ৰী কলেজ যিখন আছে সেই মহামায়া ডিগ্ৰী কলেজখন প্ৰভিঞ্চিয়েলাইজ কৰাৰ কাৰণে মই অনুৰোধ জনাইছোঁ। আৰু অধ্যক্ষ মহোদয়, শেষত এটা কথা কৈ শেষ কৰিছোঁ, যে আমাৰ পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ এই যিহেতু এটা একেবাৰে ৰিমটেষ্ট এৰিয়া হয় আৰু এডুকেচনৰ ক্ষেত্ৰত যথেষ্ট বেকৱাৰ্ড । এই পিছপৰা অঞ্চলখন কেনেকৈ উন্নীতকৰণ কৰিব পৰা যায় ? তাৰ কাৰণে মোৰ যথেষ্ট চিন্তিত হৈ আছে । মই আপোনাৰ সহায় বিচাৰিছোঁ আৰু অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়কো বিশেষভাৱে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষঃ** আমি দুদিনকৈ প্ৰশিক্ষণ দিলো, নতুন বিধায়কসকলক । নতুন বিধায়কসকলে প্ৰথম দিনাখন আহিলে, কিন্তু পিছত কন্টিনিউ নকৰিলে। পিছত মই দেখিলোঁ প্ৰথম দিনাখন আহিলে ৪৫ জন । আৰু পিছলৈ ২৫ জনমানক মই লগ পালোঁ। ট্ৰেইনিংবোৰ আমি দিলোঁ, কিন্তু সকলোৱে ট্ৰেইনিঙ নল'লে। আপুনি ট্ৰেইনিং লৈছিলে নে ?

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** মই ট্ৰেইনিং লৈছিলোঁ ছাৰ। কিন্তু মই যোৱাকালিয়ে প্ৰশ্ন দিছিলোঁ। এই প্ৰশ্নটো বহুত গুৰুত্বপূৰ্ণ আছিল কিন্তু নুঠিলে। অখিল গগৈ আৰু মন্ত্ৰী মহোদয়ে সময়খিনি পাৰ কৰি দিলে।

**আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ উত্তৰটো পোৱা নাই। আপুনি যোৱাকালি অনুমতি দিয়াৰ কাৰণে আজিও দুই-এজনে সেই সুযোগটো ল'লে । সেইকাৰণে ছিংগেল ডিভাইচত আগলৈ কাকো যদি অনুমতি নিদিয়ে, তেতিয়া সকলোৱে নিয়মটো মানিব।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** যোৱা কালি মই এটা ফোন ৰিচিভ কৰিছোঁ মোৰ সমষ্টিৰ পৰা, শুধিছিল যে টপিকটো কি হ'ব ? মই কৈ দিছোঁ যে অখিল গগৈ আৰু মন্ত্ৰী মহোদয়ৰ মাজত এই বাক-বিতণ্ডাৰ কাৰণে মোৰ প্ৰশ্নটো নুঠিল । সেইকাৰণে আজি সুযোগটো ল'ব বিচাৰিছো মোক বেয়া নাপাব ছাৰ।

**মাননীয় অধ্যক্ষঃ** আপুনি দুদিন ট্ৰেইনিঙত থকা নাই, মই তাকেই কৈ আছোঁ।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেইখ, পৰ্বতঝোৰাঃ** ছাৰ মই ট্ৰেইনিং লৈছিলোঁ। মই নৰ্মচ আৰু ক্ৰাইটেৰিয়াও জানো। মই ৰুলচখিনিও পঢ়িছোঁ। কিন্তু মই আজি বাধ্য কোৱাৰ কাৰণে, কাৰণ মোৰ প্ৰশ্নটো নুঠিল, যোৱাকালি সময়খিনি শেষ হোৱাৰ কাৰণে । Thank you.

**ডাঃ ৰণোজ পেগু, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা বাক্যত জনাওঁ যে ৱেষ্ট কাৰ্বি আংলঙৰ মডেল ডিগ্ৰী কলেজ আৰু ইষ্ট কাৰ্বি আংলঙত যিখন আমাৰ ইঞ্জিনিয়াৰিং

কলেজ আছে, এই দুইখন কলেজতে পাঠদান আমি খুব সোনকালে আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** I am calling under attention Rule-54- **এই বিষয়টো সন্দৰ্ভত মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী- ৫৪ নং দফাৰ অধীনত ড্ৰাগছমুক্ত অসম শীৰ্ষক বিষয়টো গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব। মই বিচাৰিছো যে, এই বিষয়টো এটা স্পৰ্শকাতৰ বিষয় আৰু যিহেতু আমাৰ হাতত সময় থাকিব গতিকে তেখেতে কোৱাৰ পিচত প্ৰত্যেক দলৰ পৰা এজন এজনকৈ ক'ব আৰু কোনে ক'ব দলপতিয়ে মোক নামবোৰ দিয়ক। প্ৰত্যেকগৰাকী বক্তাকে ৩ মিনিট সময় দিয়া হ'ব। এতিয়া মই জাকিৰ হুছেইন সিকদাৰক বক্তব্য ৰাখিবলৈ আহ্বান জনাইছো।**

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী- ৫৪ নং দফাৰ অধীনত অতিকৈ গুৰুত্বপূৰ্ণ বিষয় ড্ৰাগছমুক্ত অসম শীৰ্ষক বিষয়টো আলোচনা কৰাৰ সুবিধা দিয়া বাবে ধন্যবাদ জনাইছো। লগতে আপুনিও এই বিষয়টো যে অত্যন্ত গুৰুত্বপূৰ্ণ তাক প্ৰকাশ কৰাৰ বাবেও পুনৰ আপোনাক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া বৰ্তমান অসমৰ যিকেইটা ডাঙৰ ব্যাধি , যাৰ বাবে অসমখন আগুৱাই যোৱাৰ ক্ষেত্ৰত বাধাগ্ৰস্থ হৈছে। যি কেইটা ব্যাধিৰ বাবে আজি অসমত মানৱসম্পদ গঢ়াৰ বাবে বাধাৰ সৃষ্টি হৈছে , আজি যি ব্যাধিৰ বাবে অসমৰ মাক-দেউতাসকলে নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যতক লৈ শংকিত হ'ব লগা হৈছে যে ল'ৰা-ছোৱালী ভালকৈ থাকিব নে নাই , ল'ৰা –ছোৱালীৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব নে নাই। এই ব্যাধিসমূহৰ ভিতৰত অন্যতম হৈছে নিছা সেৱন বা ড্ৰাগছ সেৱন। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক কেইটামান তথ্য মই দিব বিচাৰিছো। যি তথ্য সময়ে সময়ে বাতৰি কাকত, সামাজিক সংগঠনে চাৰ্ভে কৰিছে তাৰ পৰা এটা মই যুগুত কৰিছো ,হয়তো সেই তথ্য চৰকাৰী তথ্যৰ লগত নিমিলিবও পাৰে।** NDPS Act **ৰ অধীনত ২০২১ চনৰ পৰা ২০২৫ চনলৈ** -**২৩০০ কোটিৰ পৰা ২৯১৯.৯৬ কোটি টকাৰ ড্ৰাগছ জব্দ কৰিছে। প্ৰায় ৩০০০ কোটি টকাৰ ড্ৰাগছ জব্দ কৰিছে। আৰু ২০২১ চনৰ পৰা ২০২৫ চনলৈ এই সময়খিনিত ২৩০০ জনৰ পৰা ২৪০০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। এইখিনি সময়তে বিভাগে প্ৰায় ২২০০ কোটিতকৈ অধিক মূল্যৰ ড্ৰাগছ ধ্বংস কৰিছে বা জ্বলাই দিছে। আমি যদি চলিত বছৰৰ কথা ক'বলৈ যাওঁ** NDPS **ৰ এতিয়ালৈকে ১৩৬৬ টা গোচৰ হৈছে।১৯৪১ জন গ্ৰেপ্তাৰ হৈছে আৰু গাঁজা- হেৰ'ইন ড্ৰাগছ- নিছাজাতীয় টেবলেটকে ধৰি কফচিৰাফৰ লাখ লাখ বটল জব্দ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, এতিয়া মোৰ কথা হ'ল আজি এই বিধান সভাত আপোনাৰ লগতে ১২৫ জনৰ ভিতৰত মুখ্যমন্ত্ৰী ডাঙৰীয়া বৰোধী দলপতি মন্ত্ৰীসকল , বিধায়ক –বিধায়িকাসকল আৰু আমাৰ লগৰ অসমৰ প্ৰত্যেকজন মা – দেউতা গাৰ্জিয়েন প্ৰত্যেকজন ব্যক্তি প্ৰতিটো দল সংগঠন সকলোবিলাক চিন্তিত যে ড্ৰাগছে আমাক যিধৰণে ছানি ধৰিছে আৰু আমাৰ মাজলৈ যিধৰণে প্ৰবেশ কৰিছে ইয়াক যদি আমি বন্ধ কৰিব নোৱাৰো, তেন্তে আহি থকা সময়ত অসমত প্ৰত্যেকখন ঘৰতে প্ৰবেশ কৰিব আৰু প্ৰত্যেকঘৰৰ মা দেউতাৰ সন্তানসকলৰ জীৱন ধ্বংস কৰিব। বৰ্তমানে বহু পৰিয়াললৈ এই অন্ধকাৰ নামি আহিছে। এবাৰ ড্ৰাগছ সেৱন কৰাৰ পিচত সেই সন্তানক বা যুৱক –যুৱতীক আৰু ভৱিষ্যতৰ নৱপ্ৰজন্মসকলক মূল সুতিলৈ ঘুৰাই অনাটো যথেষ্ট কষ্টকৰ। যোৱাবাৰ**

**সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন নিছামুক্তি কেন্দ্ৰলৈ গৈছিলে গতিকে তেখেতৰ অভিজ্ঞতা আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া আমি যদি এই কথাবিলাক আলোচনা কৰিবলৈ যাও প্ৰথমতে আমি চাব লাগিব যে, ড্ৰাগছসমূহ ক'ৰ পৰা আহে, অসমলৈ ড্ৰাগছ প্ৰৱেশ কৰাৰ পথকেইটা কোন কেইটা। আন্ত ৰাষ্ট্ৰীয় পথ আৰু আন্তৰাজ্যিক পথ কোন কেইটা। প্ৰথমতে ড্ৰাগছ কাৰ হাতলৈ আহে এই চিণ্ডিকেট কোনে চলাই আছে। এই ডাঙৰ বেপাৰীসকলে খুচুৰা বেপাৰীসকলক কেনেকৈ ড্ৰাগছ বিতৰণ কৰে। এই কথাবিলাক আমি জানিব লাগিব অধ্যক্ষ ডাঙৰীয়া। অসম পুলিছক মই দোষ নিদিও কিন্তু সময়ে সময়ে পুলিছে বহু ড্ৰাগছ পেডলাৰক গ্ৰেপ্তাৰ কৰিছে তাৰ তথ্য মই দিছো। কিন্তু ইমান গ্ৰেপ্তাৰ কৰাৰ পিচতো আজিৰ তাৰিখত অৰ্থাৎ ২০২৫ তাৰিখলৈ অসমত কিমান ড্ৰাগছ সেৱন কৰিছে, কিমানে ড্ৰাগছৰ লগত জৰিত হৈ আছে, এই সংখ্যাটো ২০২৬ চনত বাঢ়ি যাব। অসম চৰকাৰে আৰু পুলিছে যি ধৰনে ব্যৱস্থাবিলাক লৈছে, ড্ৰাগছমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত কিন্তু সফল হ'ব পৰা নাই। ইয়াৰ কাৰণ কি, এই কাৰণসমূহ আমি আলোচনা কৰিব লাগিব কাৰণ ভাৰতবৰ্ষৰ ভিতৰত অসম ৰাজ্যক শ্ৰেষ্ট ৰাজ্য কৰিব লাগিব আৰু আমাৰ ভৱিষ্যত প্ৰজন্মক আমি আগুৱাই লৈ যাব লাগিব। অসমৰ নৱ প্ৰজন্মক কোনো ব্যাধিয়ে যাতে আক্ৰমণ কৰিব নোৱাৰে প্ৰতিজন পিতৃ মাতৃয়ে যাতে নিজৰ সন্তানক লৈ সুখী জীৱন যাপন কৰিব পাৰে তাৰ কাৰণে আমি বিধান সভাৰ লগতে সকলোৱে কাম কৰিব লাগিব। এই চৰকাৰৰ লগতে, যিবিলাক দল সংগঠন আছে তেওঁলোকেও বিচাৰে অসম এখন ড্ৰাগছমুক্ত ৰাজ্য হোৱাটো। এইখিনি কৰিবলৈ যাওঁতে আমি সকলোৱে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাব লাগিব।মই যিখিনি কথা উল্লেখ কৰিছো আৰু এই বিষয়টো অনাৰ ক্ষেত্ৰত বিভিন্ন জনৰ লগত যিখিনি যোগাযোগ কৰিছো তাত মোৰ যি অভিজ্ঞতা হ'ল যে, কোনোবা ড্ৰাগছ সেৱন কৰিছে, পুলিছে তেওক গ্ৰেপ্তাৰ কৰিছে। কেইজনমানৰ লগত কেইটামান কন্টেনাৰ পাইছে তেওঁলোকক থানালৈ লৈ আহিছে। পুলিছ ডিপাৰ্টমেন্টে বেয়া পালেও ক'ব লাগিব যে থানাত অনাৰ পিচত কিছুমানক এৰি দিয়ে আৰু যিখিনি কথা পেপাৰে পত্ৰই ওলায় তেওঁলোকক জেললৈ প্ৰেৰণ কৰে। এইখিনিতে শেষ কিন্তু সেৱনকাৰীজনে কাৰ পৰা ড্ৰাগছ কিনিলে, সেই বেপাৰীজন কোন তাক বিচাৰি নাযায়। কেতিয়াবা বিচাৰি আনিলেও কেতিয়াবা এৰি দিয়ে কেতিয়াবা জেললৈ প্ৰেৰণ কৰে৷ জেলৰ পৰা ওলাই আহি আকৌ ড্ৰাগছৰ বেপাৰত ধৰে। খুচুৰা বেপাৰীয়ে কোন পাইকাৰী বেপাৰীৰ পৰা ড্ৰাগছ কিনিলে সেইখিনি নাচায়। ইয়াৰ শিপাটো আমি উভালি পেলাব লাগিব নহ'লে আমি অসমক ড্ৰাগছমুক্ত কৰিব নোৱাৰিম। হাজাৰ হাজাৰ নৱ প্ৰজন্মৰ জীৱনলৈ অন্ধকাৰ নামি আহিব। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমি ড্ৰাগছৰ চেইন চিষ্টেমলৈ যাব লাগিব। শিপালৈ – জিৰোলৈ আমি যাব লাগিব। এই শিপালৈ – জিৰোলৈ অসম পুলিছে কেতিয়াও যাবলৈ চেষ্টা নকৰে। কেতিয়াবা IO সকলে কাম কৰিব নিবিচাৰে, তাৰ বাবে আই ও সকলে বহু কাম কৰিব লাগে। সময় লাগে, কষ্ট কৰিব লাগে, লিখিব লাগে। কেচ ডাইৰীবোৰ ভালকৈ কৰি জমা নিদিয়ে। যাৰ বাবে আধাতে এই তদন্ত সামৰি দিয়ে।**

বহুবিলাক ক্ষেত্ৰত কাম কৰিব লাগে, সময় লাগে, কষ্ট লাগে, কৰিব লাগে, লিখিব লাগে। কেচ ডায়েৰীবোৰ ভালকৈ জমা নিদিয়ে। গতিকে যাৰ কাৰণে আধাতে এই তদন্ত সামৰি দিয়ে। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ ওপৰত এটা অনুৰোধ যে ড্ৰাগছ কৰ পৰা আহে, বহিঃৰাজ্যৰ ক'ৰ পৰা আহে, আন্তঃৰাষ্ট্ৰীয় চক্ৰ কৰ পৰা আহে ? কাৰণ গোটেই বিশ্বতে ইয়াৰ কাৰণে এটা

ডাঙৰ চিণ্ডিকেট, ডাঙৰ এটা গ্ৰুপ আছে। গোটেই বিশ্বত ইয়াৰ গ্ৰুপ আছে। বহিঃ ৰাজ্য, বিদেশী ৰাষ্ট্ৰ তাৰ পৰা যি ধৰণে ইয়াত আহে ইয়াৰ আঁচল মানুহ সকলক আমি উলিয়াব লাগিব আৰু মই জানো অসম পুলিচৰ এইখিনি গুণ আছে এইখিনি সক্ষমতা আছে। যদি ইচ্ছা কৰে এদিনতে অসমত সকলো ড্ৰাগছৰ বেপাৰী সকলক গ্ৰেপ্তাৰ কৰিব পাৰিব। যেনেকৈ যোৱা সময়চোৱাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাল্যবিবাহ কোনে কোনে কৰিছিল ? এটা ৰাতিৰ ভিতৰত সকলোকে গ্ৰেপ্তাৰ কৰিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত  অসম পুলিচে সুঁদ খোৰ কোন কোন আছিল এটা ৰাতিতে গ্ৰেপ্তাৰ কৰিছিল। থিক তেনেকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত অসমত ড্ৰাগছৰ লগত জড়িত কোন কোন এটা ৰাতি এটা দিনৰ ভিতৰত গ্ৰেপ্তাৰ কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া আপোনাক ক'বলৈ বাধ্য হৈছো বা ক'ম যে অসমৰ যিমান থানা আছে, যিমান আউটপোষ্ট আছে প্ৰত্যেকটো থানাৰ অ'চি, আই চি, এচ পি, পুলিচৰ সকলো বিষয়াই যদি ভালকৈ অন্তৰেৰে ড্ৰাগছমুক্ত অসম কৰাৰ কথা ভাবে তেওঁলোকৰ তাত তথ্য আছে ড্ৰাগছৰ বেপাৰী কোন কোন ? প্ৰতিটো থানাৰ লগত আছে। আনকি এনেকুৱা অভিযোগ আছে যে ড্ৰাগছৰ বেপাৰ কৰাটো থানাত আকৌ আই চি লগত দালালি কৰে। ড্ৰাগছৰ বেপাৰ কৰে পুলিচৰ লগত একেলগে দালাল কৰে। এনেকুৱা কামো বহুত আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া আমি ড্ৰাগছ মুক্ত অসম বিচাৰো। আমাৰ নৱ প্ৰজন্মক ধ্বংস যাতে ড্ৰাগছে কৰিব নোৱাৰে আমি সেইখন অসম বিচাৰো আৰু নৱ প্ৰজন্মক ধ্বংস কৰিব যাতে নোৱাৰে তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া আপুনি, মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিৰোধী দলপতি, আমি বিধায়ক সকল অসমৰ সকলো গাৰজেন, সকলো পিতৃ-মাতৃ, দল-সংগঠন, ঐক্যবদ্ধভাৱে ড্ৰাগছৰ বিৰুদ্ধে যুজিব লাগিব আৰু যদি ঐক্যবদ্ধভাৱে শক্তিশালীভাৱে ড্ৰাগছৰ বিৰুদ্ধে আমি থিয় নিদিও অসম কিন্তু বহু বিপদত পৰিব, প্ৰত্যেকটো ঘৰত ড্ৰাগছে প্ৰৱেশ কৰি প্ৰত্যেকটো মাক দেউতাকৰ জীৱনলৈ কিন্তু কষ্ট নমাই আনিব, সন্তান সকল ধ্বংসৰ পিনে যাব। সেইকাৰণে অনুৰোধ কৰিছো মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ যাতে ড্ৰাগছমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত কঠোৰৰ পৰা কঠোৰ পদক্ষেপ লওক। পুলিচকো এই সদনৰ পৰা অনুৰোধ জনাইছো এই ক্ষেত্ৰত কোনো শিথিলতা নানিব কাৰণ আমাৰ ভৱিষ্যতৰ কথা আছে। এই কথাখিনিকে কৈ ড্ৰাগছৰ ক্ষেত্ৰত কি কি কাম কৰিলে অধ্যক্ষ ডাঙৰীয়া আমি অলপ ভাল এটা প্ৰভাৱ কৰিব পাৰো, এৱাৰনেচৰ কথা আছে, বিদ্যালয়ত ড্ৰাগছৰ সম্পৰ্কে আলোচনা কৰিব লাগিব। গাওঁ সমূহত কৰিব লাগিব, বিভিন্ন ডিপাৰ্টমেন্টৰ বিভিন্ন মেল মিটিং বিলাক থাকে তাতে এইটো এটা এজেণ্ডাত আনিব লাগিব।  এনেকুৱাভাৱে ড্ৰাগছ সেৱন কৰাৰ পিছত যিটো জটিল পৰ্যায়ত পায়গৈ এই ভয়াবহতাৰ ছবি নৱ প্ৰজন্মৰ আগত দাঙি তুলিব লাগিব তেতিয়াহে ড্ৰাগছৰ পৰা আতৰত থাকিব আৰু ড্ৰাগছৰ বেপাৰী সকলক ধৰাৰ ক্ষেত্ৰত কথোৰ আইন আছে কঠোৰ ব্যৱস্থা লওক। তাৰ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**माननीय अध्यक्षः** শ্ৰী বদৰুদ্দিন আজমল, আপোনাৰ সময় মাত্ৰ তিনি মিনিট।

**মোঃ বদৰুদ্দিন আজমল,বিন্নাকান্দীঃ** Sir three minutes is more than enough for me . If you allow five minutes I will oblige to you.

**माननीय अध्यक्षः** আপুনি লিখি দিছিল তিনি মিনিট বুলি।

**মোঃ বদৰুদ্দিন আজমল,বিন্নাকান্দীঃ** ছাৰ থেংক ইউ থেংক ইউ। सर ये एक बहुत बड़ा विषय है। Mr Jakir Hussain Sikdar তেখেতে কৈছে only Assam, but I am saying this is a world wide problem . মই অসমৰ যিমান খিনি ডাটা দেখিলো তাতে দেখা পালো যে ম্যানমাৰ আৰু মণিপুৰৰ পৰা এইটো আৰম্ভ হৈছে, International route ৰ পৰা। গতিকে অহাৰ পিছত কোন ঘৰ এনেকুৱা আছে য'ত ওঠৰ বছৰৰ ডাটাই কৈ আছে। I am giving you data, if you want I can send you. ওঠৰ বছৰৰ ওপৰত কোনো ঘৰত লৰা বা ছোৱালী এইটোৰ পৰা বাচি আছে বুলি you cannot guarantee ये एक ऐसी आग है सर जो घर-घर में घुस गई है। जल रहा है, असम जल रहा है। सारे क्राइम एक तरफ हैं, और ये क्राइम एक तरफ है। हम में से किसी को we don't know who is involved there। मां-बाप रो रहे हैं, कोई बोल नहीं सकते, बच्चियाँ बिगड़ रही हैं, बोल नहीं सकते, रो नहीं सकते। उनके बच्चे पढ़ाई से बर्बाद हो रहे हैं, उनके बच्चे अच्छे समाज से बर्बाद हो रहे हैं, उनकी शादियाँ बर्बाद हो रही हैं, उनका लाइफ बर्बाद हो रहा है, बिजनेस उनका बर्बाद हो जा रहा है, वो किसी लाइन में कामयाब नहीं हैं और मां-बाप की पूरी ज़िंदगी की मेहनत थी, वो मेहनत भी बर्बाद हो गई है सर। That is why I will not take it . सर गवर्नमेंट को बहुत स्ट्रिक्ट लेना पड़ेगा, कानून बनाने से नहीं होगा, कानून के ऊपर जाना पड़ेगा। हर इंसान को, हर असमवासी को शपथ लेना होगा कि आज से मैं अपने घर में, अपने इलाके में, अपने स्कूल... सर ये बहुत बड़ी अफ़सोस की बात है, बड़ी आश्चर्य की बात है, स्कूल महफ़ूज़ नहीं है, कॉलेज महफ़ूज़ नहीं है, कोई लेबोरेटरी महफ़ूज़ नहीं है, डॉक्टर महफ़ूज़ नहीं हैं, नर्स महफ़ूज़ नहीं हैं। आप किस-किस की बात करेंगे? ये आग ऐसी है। जाकिर हुसैन को बहुत-बहुत मुबारकबाद देता हूँ कि ऐसे विषय पर... मैं इस मामले को बहुत ज़्यादा लंबी तक़रीर रिकॉर्ड नहीं बनाना चाहता, लेकिन मैं ये कहूँगा, खुदा राखे, आप बैठे हैं मिनिस्टर साहब, इस देश को बचा लीजिए। ये ड्रग्स सर, वो बीमारी है, किसी का घर नहीं छोड़ेगी। किसी का घर नहीं बचेगा। अगर हम लोग सीरियस नहीं होते हैं, किसका बच्चा, किसका घर, कितनी आग लगी हुई है, हमें नहीं मालूम है। मैं बड़ा आदमी हूँ, मैं मिनिस्टर हूँ, मेरे घर में आग कितनी पहुँच चुकी है? मेरी बच्ची कहाँ जा रही है? मेरा बेटा कहाँ जा रहा है? मेरे घरवाले कहाँ जा रहे हैं? सर, समाज का कोई हिस्सा इससे बचा हुआ नहीं है। इसके लिए आपने मौका दिया, हमारे प्रेसिडेंट को, मैं बहुत-बहुत आभारी हूँ, लेकिन हर आदमी बस इसके ऊपर लेक्चर न दे सर, इस पर कुछ होना चाहिए। Thank you so much.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া বি পিএফৰ পৰা মাননীয় বিধায়ক শ্ৰী ৰূপম চন্দ্ৰ ৰয়।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, বাওখুংগ্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা হৈ আছে , আমি সকলোৱে জানো যে বৰ্তমানৰ সন্মানীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমখনক আগবঢ়াই লৈ যোৱাৰ কাৰণে যুৱ প্ৰজন্মক যি অগ্ৰাধিকাৰ দিছে সেই কথাটো আমি সকলোৱে মানিব লাগিব, বা অসমখনৰ স্বাৰ্থত অসমৰ সাংস্কৃতিক, অৰ্থনৈতিক, শৈক্ষিক সকলো দিশতে তেখেতে কাম কৰি আছে আৰু এই ক্ষেত্ৰ বিলাকত বা যুৱ প্ৰজন্মক আগবঢ়াই লৈ যোৱা ক্ষেত্ৰত আমি যুৱ প্ৰজন্মক এটা সুস্থিৰ পৰিবেশ দিব লাগিব। এই কথাটো আমি সকলোৱে জানো আৰু এই সুস্থিৰ পৰিবেশটোত বা যুৱ প্ৰজন্মই আগবাঢ়ি যোৱা ক্ষেত্ৰত এটা বাধাৰ সৃষ্টি কৰিছে আজি এই নিচাযুক্ত সামগ্ৰী বা ড্ৰাগছে। আজি আমি দেখিবলৈ পাইছো, বহু ক্ষেত্ৰত বা বহু ঠাইত বহু মা-দেউতা বা বহু পৰিয়ালৰ বুকুখন উদং হৈ গৈছে এই ড্ৰাগছৰ জৰিয়তে বা এই নিচাযুক্ত সামগ্ৰীৰ জৰিয়তে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নোৱাৰা কাম একোৱেই নাই , আমি দেখি আহিছো। অসমখনৰ পৰিবেশ আগতে কি আছিল আৰু বৰ্তমান অসমখনৰ পৰিবেশ কি হ'বলৈ গৈ আছে, বা কি হৈ আছে। গতিকে অসমখনক আগবঢ়াই লৈ যোৱাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে যথেষ্ট কঠোৰ সিদ্ধান্ত লৈছে, যথেষ্ট আইনৰ ক্ষেত্ৰত সংশোধন আনিছে আৰু মই ভাবো ড্ৰাগছমুক্ত অসম কৰাৰ কাৰণে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কঠোৰ পদক্ষেপ লব। যিহেতু এই ড্ৰাগছৰ জৰিয়তে আমাৰ যথেষ্ট ক্ষয় ক্ষতি হৈ আছে আমাৰ যুৱ প্ৰজন্মটো ধ্বংস হৈ আছে। মই আৰু এটা কথা কব বিচাৰো অলপ আগতে আমাৰ এগৰাকী সন্মানীয় সদস্যই কোৱা ধৰণে যে ড্ৰাগছটো আমাৰ অসমত নাপায়। এইটো আমি সকলোৱে জানো। ড্ৰাগছটো বাহিৰৰ পৰা আহি আছে। এইটো ক্ষেত্ৰত যি সমূহ পথেৰে আহে সেই পথ সমূহত আমি যদি ভালকৈ নিৰীক্ষণ কৰিব পাৰো মই ভাবো অসমত ড্ৰাগছটো সোমোৱাৰ ক্ষেত্ৰত বন্ধ হ'ব আৰু সেই ক্ষেত্ৰত বহুত যুৱক যুৱতী ধ্বংসৰ পৰা আমি ৰক্ষা পাব পাৰিম।

আৰু আগন্তুক দিনত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমক যি এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ় দিব বিচাৰিছে সেই ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। মই ভাৱো যুৱ প্ৰজন্মই আগন্তুক দিনত অসমখনৰ উন্নয়নৰ বাবে কাম কৰিব পাৰিব আৰু ড্ৰাগ্ছ ৰোধ কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** অসম গণ পৰিষদৰ পৰা শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী দীপক কুমাৰ দাস (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে আৰম্ভ কৰিছো। আজিৰ বিষয়-বস্তুটো সময়োপযোগী আৰু মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। ড্ৰাগ্ছ মানৱ সভ্যতাৰ বাবে ব্যাধিয়েই নহয় ই এক ভাবুকিও ।

ড্ৰাগ্‌ছৰ লগত ইতিমধ্যে গোটেই বিশ্বৰ লগতে ভাৰত আৰু অসমেও যুঁজিছে। কিন্তু এই ক্ষেত্ৰত আমি কিমান সফল হৈছো বা কিমান ব্যৰ্থ হৈছো সেই কথাটো আমি নিৰ্মোহ আৰু বস্তুনিষ্ঠ ভাৱে বিশ্লেষণ কৰা উচিত। বৰ্তমান অসমত বিশেষকৈ গুৱাহাটী হ'ল উত্তৰ-পূৰ্ব্বাঞ্চলৰ golden corridor আৰু নামনি অসমৰ বৰপেটা হ'ল golden corridor। সৌ সিদিনাৰ DISHA ৰ মিটিঙত আমাৰ মাননীয় সদস্য জাকিৰ হুছেইন ডাঙৰীয়া আছিল, তেতিয়া মিটিঙত আমাৰ ভাৰপ্ৰাপ্ত SP, সমীৰণ বৈশ্য ডাঙৰীয়াই কৈছিল যে নামনি অসমৰ বৰপেটা হ'ল এতিয়া ড্ৰাগ্‌ছৰ golden corridor। বিশেষকৈ সংখ্যালঘূ এলেকাত। ড্ৰাগ্‌ছৰ পৰা কেৱল যুৱ প্ৰজন্মই ধ্বংস হোৱা নাই, ই এটা পৰিয়ালক ধ্বংস কৰি দিছে। পিতৃ-মাতৃ দিশহাৰা হৈছে। গতিকে আমি এই ব্যাধি নিৰ্মূল কৰাৰ বাবে বাস্তৱ সন্মত কিছু ব্যৱস্থা লোৱাৰ প্ৰয়োজনীয়তা আছে। ড্ৰাগ্‌ছৰ মূল আইন হ'ল NDPS Act. NDPS Act ৰ trial পৰ্যায়টো অতি খৰটকীয়া কৰিব লাগিব আৰু তেতিয়াহে ভুক্তভোগীসকলক শাস্তি দিব পৰাৰ ব্যৱস্থা এটা হ'ব। আনহাতে ড্ৰাগ্‌ছৰ লগতে আমাৰ নতুন বস্তু এটা হ'ল HIV . আমাৰ চৰ-চাপৰিত সেই দিনালৈকে বহুত opium আৰু গাঞ্জাৰ খেতি ধ্বংস কৰিছিল। এতিয়া আছে নে নাই নাজানো। opium আৰু গাঞ্জাও এক প্ৰকাৰে ড্ৰাগ্‌ছত অন্তৰ্ভুক্ত হয়। গতিকে আমি এই খেতিবোৰ নিৰ্মূল কৰিব লাগিব। দ্বিতীয়তে, দুখ লাগে ক'বলৈ যে injection সহজমূল্য ভাৱে পোৱাৰ ফলত যুৱ প্ৰজন্মৰ মাজত HIV ৰ সংখ্যা বাঢ়ি গৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয় যিহেতুকে এগৰাকী বুদ্ধিমন্তা ব্যক্তি, তেওঁ অসমক নতুন ভাৱে সজাব বিচাৰিছে সেয়েহে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যে ড্ৰাগ্‌ছ মুক্ত অসম গঢ়িবলৈ হ'লে প্ৰথমে বৰপেটা জিলাত Anti Drugs Squad নিৰ্মাণ কৰিব লাগে। এই Anti Drugs Squad ৰ মাহে মাহে এটা social visit হ'ব লাগে। আনফালে মই অনুৰোধ কৰিছো যে এই ড্ৰাগ্‌ছ নিৰ্মূলৰ বাবে কিছুমান NGO বা স্কুল কলেজৰ দ্বাৰা research কৰা বা বিভিন্ন ধৰণে সভা অনুষ্ঠিত কৰিব লাগে। আজি বৰপেটাত যিখিনি অপৰাধ হৈছে সেইখিনি ড্ৰাগ্‌ছৰ বাবে হৈ আছে , দুই-এটাৰ বাহিৰে যিবোৰ accident হৈছে সেইয়া ড্ৰাগ্‌ছৰ বাবেই হৈছে। বৰপেটাকো যিহেতু এতিয়া ড্ৰাগ্‌ছে আক্ৰমণ কৰিছে সেয়েহে মই অনুৰোধ কৰিছো যে ড্ৰাগ্‌ছৰ যি মহামাৰী তথা ইয়াৰ যি ব্যাপকতা, ই সমাজ জীৱনত যি সহিষ্ণুতা আনিছে ইয়াক নিৰ্মূল কৰাৰ বাবে এক সঠিক দিশত আমাৰ চৰকাৰ আগবাঢ়িব লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিজেপিৰ পৰা ভূপেন কুমাৰ বৰা।

**শ্ৰী ভূপেন কুমাৰ বৰা (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগ্‌ছৰ সম্পৰ্কত ইতিমধ্যে যিটো আলোচনা হৈছে এই ক্ষেত্ৰত নিশ্চিত ভাৱে আমি অসম পুলিচক ধন্যবাদ জনাম। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যোৱা কাৰ্য্যকালত ড্ৰাগ্‌ছৰ ওপৰেদি বুলডজাৰ চলোৱাৰ ছবি আমি টেলিভিচনত দেখিবলৈ পাইছিলো। কিমান ড্ৰাগ্‌ছ ধৰা পৰিছিল সেইয়া আমি

দেখিছো। ড্ৰাগ্ছৰ লগত জড়িত অপৰাধীও কৰায়ত্ব হোৱাও আমি দেখিবলৈ পাইছো। কিন্তু সমান্তৰালভাৱে আমি সকলোৱে জানো যে অসমক ড্ৰাগ্ছমুক্ত অসম বুলি ক'ব নোৱাৰো। ড্ৰাগ্ছে এখন ৰাজ্যক ক'লৈ লৈ যায় সেইটো বুজিবলৈ পঞ্জাৱৰ পৰিস্থিতিক লৈ Udta Punjab নামৰ এখন ছবি ইতিমধ্যে নিৰ্মিত হৈছে আৰু মিজোৰামত এসময়ত কি ভয়ংকৰ পৰিস্থিতি হৈছিল সেই কথাবোৰ আমি সকলোৱে জানো। মই এই সুযোগতে অসম পুলিচক ধন্যবাদ দিয়াৰ লগতে আহ্বান জনাও যে ধাৰাবাহিকভাৱে যদি প্ৰচেষ্টা অব্যাহত ৰাখে তেন্তে নিশ্চিতভাৱে এটা সময়ত আমি ইয়াৰ অন্ত কৰিব পাৰিম। সকলোতকৈ ডাঙৰ ভয়ংকৰ কথাটো হ'ল যে এতিয়া ড্ৰাগ্ছৰ online trading আৰম্ভ হৈছে। এতিয়া AI ৰ যুগ। AI surveillance বা CCTV network বা cyber monitoring ৰ জৰিয়তে এই অনলাইন প্ৰক্ৰিয়াটোক প্ৰাৰম্ভিক অৱস্থাতে যদি বন্ধ কৰিব নোৱাৰো তেন্তে ৰাস্তাই পদূলিয়ে বিক্ৰী কৰা চোৰাং বেপাৰীতকৈও এই online trading য়ে গোটেই নতুন প্ৰজন্মটোক শেষ কৰি পেলাব। মই ভাৱো যে আমাৰ অসম পুলিচৰ গুৰিত এনেকুৱা অত্যাধুনিক বিজ্ঞানসন্মত বহুত ব্যৱস্থা আছে যাৰ সঠিক পৰিকল্পনাৰ জৰিয়তে online trading ৰ ব্যৱস্থাটো নিঃশেষ কৰিব পৰা যাব। শেষত মই আৰু দুটা কথা ক'ব বিচাৰিছো যে এইটো কেৱল আইন শৃংখলাৰে কথা নহয়। অলপতে মোৰ সমষ্টিৰ এটা পৰিয়ালৰ মাক-দেউতাকে আহি মোক তেওঁলোকৰ ল'ৰাক বুজাবলৈ ক'লে আৰু তেতিয়া সি মোক ওমৰ খৈয়ামৰ এটা কবিতা শুনালে যে " আজিয়েই দিয়া, কালিলৈ কিয়, কোনে জানে মোৰ কালি কি হ'ব । হাজাৰ হাজাৰ বছৰ ব্যাপি হয়তো অতীতে সামৰি ল'ব। " তাৰ মানে আজিয়েই জীৱনটো উপভোগ কৰা । এই মানসিকতাটোৰ বাবে মই ভাৱো আমাৰ চৰকাৰে প্ৰাৰম্ভিক পৰ্যায়তে স্কুল কলেজ বিশ্ববিদ্যালয়ত শিক্ষকসকলক, অভিভাৱক সকলক তথা সমাজক অন্তৰ্ভুক্ত কৰি এই সামাজিক ব্যাধিটো ৰোধ কৰিব লাগিব। এইটো কেৱল পুলিচেই কৰিব নোৱাৰিব। জুই লাগিলে fire brigade য়ে নুমুৱাই দিব পাৰিব কিন্তু সামাজিক ব্যাধি এটাত Border Security Force, Fire Brigade বা ডাক্তৰ লগাই ভাল কৰিব নোৱাৰে। সমাজখনক জড়িত কৰিব লাগিব। সেয়েহে মই ভাৱো যে অসম বিধান সভাত এইটো এটা গুৰুত্বপূৰ্ণ বিষয় আমাৰ এগৰাকী বিধায়কে উত্থাপন কৰিছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো সদনত আছে। সেয়েহে মই আপোনাৰ জৰিয়তে তেখেতকো আহ্বান জনাও যে প্ৰয়োজন হ'লে বিধান সভাৰ team এটাই হ'লেও গোটেই অসমত এই ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ স্বাৰ্থত কেইখনমান বিশ্ববিদ্যালয়, কেইখনমান মহাবিদ্যালয়, কেইখনমান বিদ্যালয়ত গৈ লগতে আমাৰ যিবোৰ জাতীয় সংগঠন আছে, যিবোৰ ধৰ্মীয় গুৰু আছে, সমাজৰ আগশাৰীৰ যিসকল নাগৰিক আছে, এই গোটেইখিনি মানুহে যদি একত্ৰিত হৈ এনেকুৱা পৰিৱেশ তথা পৰিস্থিতি সৃষ্টি কৰিব পাৰো তেন্তে এসময়ত আমি অসমৰ পৰাই বহুত সামাজিক ব্যাধি নাইকিয়া কৰিব পাৰিম। অসমত আজি ডাইনী হত্যা নাইকিয়া হ'ল, পুৰণি বহু

পৰম্পৰা যিবোৰ সমাজত ব্যাধি হিচাপে চিনাক্ত হৈছিল, সেইবোৰো নাইকিয়া হ'ল। সেয়েহে মই ভাৱো যে চৰকাৰখনে পুলিচ প্ৰশাসন ব্যৱস্থাক ব্যৱহাৰ কৰাৰ সমান্তৰালকৈ সমগ্ৰ জাতীয় সত্তা আৰু সমাজ ব্যৱস্থাৰ আগশাৰীৰ মানুহখিনিক যদি ব্যৱহাৰ কৰে তেতিয়াহ'লে মই ভাৱো যে এই ড্ৰাগ্‌ছৰ পৰিস্থিতিৰ পৰা আমি উপশম পাম। লগতে, মই আৰু এটা কথা ক'ব বিচাৰিছো যে যিসকলে আমাৰ পুলিচক খবৰ দিয়ে, তেওঁলোকৰ ১০০% বিশ্বাস নাই যে তেওঁলোকে খবৰ দিয়াৰ পিছত পৰিণতি কি হ'ব। গতিকে যিসকল credible informer আছে, তেওঁলোকক এটা ব্যৱস্থাৰ মাজেৰে গোপনে পুৰষ্কৃত কৰিব লাগে। এই গোটেই ব্যৱস্থাটোৰ লগত অন্যান্য যিবোৰ বিভাগ আছে যেনে- ল'ৰা এটাক ড্ৰাগ্‌ছ এৰিবলৈ কোৱাৰ পাছত পৰৱৰ্তী সময়ত তাক ব্যস্ত ৰাখিবলৈ আমি কি কৰিম তাৰ বাবে এটা Drugs Rehabilitation Centre বহাইছে, সেইটো ঠিক আছে। কিছুমান গাওঁত যিদৰে sports club, cultural club আছে , কিন্তু কিছুমান গাঁৱত স্কুল যোৱা সময়খিনি বাদ দি বাকী সময় ব্যস্ত থাকিবলৈ বা আজৰি সময় কটাবলৈ কোনো সুবিধা নাই। গতিকে সকলো ঠাইতে sports আৰু cultural sector টো সমানে গুৰুত্ব দি সমগ্ৰ সমাজখনক জড়িত কৰি ড্ৰাগ্‌ছৰ দৰে সামাজিক ব্যাধিটোৰ পৰা ৰাজ্যখনক মুক্ত কৰিবলৈ চৰকাৰখনক গঠনমূলক সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ ল'ব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদন সাধাৰণতে Rule 54 ত যি গৰকীয়ে বিষয়টো আনে আৰু তাৰ লগত আমাৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ে। কিন্তু সামাজিক ব্যাধিৰ বাবে আমি প্ৰত্যেকটো দলৰ পৰা এজন এজনকৈ বিধে বিধে ক'ব দিলো আৰু সেয়েহে এতিয়া উত্তৰ প্ৰদান কৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, TMC আছে।

**মাননীয় অধ্যক্ষঃ** হয়। আপুনি কওঁক। আপোনালোকে Leadership নামানে নেকি ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় আলোচনাৰ বাবে আমাৰ মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই উত্থাপন কৰিছে, তেখেতকো ধন্যবাদ জনাইছো আৰু মাননীয় অধ্যক্ষ মহোদয়, আপোনাকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো যে 54 Rule ত যদিও এনেকুৱা আলোচনাৰ provision নাই, কিন্তু আপুনি বিষয় বস্তুটোৰ গুৰুত্ব অনুধাৱন কৰি আপোনাৰ discretionary power ব্যৱহাৰ কৰি আমাক সকলোকে যে ভাগ লোৱাৰ সুবিধা দিলে, সেইটো ঐতিহাসিক আপোনাৰ সিদ্ধান্ত আৰু তাৰ কাৰণে আপোনাক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জাকিৰ হুছেইন ডাঙৰীয়া আৰু বৰপেটাৰ দীপক কুমাৰ দাস ডাঙৰীয়াই অতি সাৱলীলভাৱে যথাৰ্থভাৱে কথাখিনি কৈছে যে, যিসকলে ড্ৰাগচ্ খুচুৰা বেপাৰী ,

ইজনে সিজনে যিজনে ড্ৰাগছ্ খায়, তেনকুৱা মানুহ বিলাকৰ ওপৰত action লয়, কিন্তু যিজনে আচলতে ড্ৰাগছ্ supply কৰে, তেওঁৰ ওপৰত action লোৱা হোৱা নাই। যাৰ ফলত এই ব্যাধিতো বন্ধ হোৱা নাই। এই supply টো বন্ধ কৰিব লাগিব আৰু দীপক কুমাৰ দাস ডাঙৰীয়াৰ লগত মই একমত এই ড্ৰাগছে্ সংখ্যালঘু সমাজখনক ধ্বংসানুক সমাজ এতিয়া সংখ্যালঘু সমাজ। মই মন্দিয়া বিধান সভা সমষ্টিৰ বিধায়ক হৈছো, দুমাহ হৈছে, আজি দুমাহতে যিটো ড্ৰাগছৰ ব্যাপক প্ৰাদুৰ্ভাৱ দেখিছো বিশেষকৈ মোৰ কলগাছিয়া কেন্দ্ৰীক বৃহত্তৰ অঞ্চলত, জনীয়া কেন্দ্ৰীক বৃহত্তৰ অঞ্চলত, মন্দিয়াকেন্দ্ৰীক বৃহত্তৰ অঞ্চলত মই তবধ মানিছো আৰু মাননীয় অধ্যক্ষ মহোদয়, আমাৰ  বৰপেটাৰ বৰ্তমান যিজন SP incharge he is very sincere. আমাৰ দীপক কুমাৰ দাস ডাঙৰীয়াই কোৱাৰ কাৰণে তেখেতে গোটেই step লৈ আছে। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল তেওঁ কাৰ হতুৱাই কাম কৰিব তলৰ লেভেলৰ কিছুমান অফিচাৰৰ হতুৱাই কাম কৰিব, মোৰ কলগাছিয়া থানাৰ OC মই দৈনিক report পাই আছো এনেকুৱা ড্ৰাগছ্ আসক্ত মানুহবোৰক উঠাই আনে, ৰাতি ১২ টা বজালৈ বহাই ৰাখে up to 20 lakh লৈ ঘোচ লয়, পিছত এৰি দিয়ে। মাহত ৪-৫ কোটি টকা দৈনিক আহি আছে। ড্ৰাগছ্‌ত ধৰে ২০ লাখ টকা লয়, ১০ লাখ টকা লয় আৰু এৰি দিয়ে। এই যে প্ৰধাধিকাৰীবোৰ field level ত যিসকলে কাম কৰিব তেওঁলোকে সঠিকভাৱে কাম নকৰে, তেতিয়াহ'লে আমাৰ SP ভাল হ'লেও নহ'ব আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, অতি দুখেৰে জনাম, শুনিবলৈ অলপ শ্ৰুতিকটু যে আমাৰ এজন আগৰ আৰক্ষী অধীক্ষকৰ দিনত নাম নকওঁ মই গোটেই বৰপেটা জিলা ধ্বংস হৈ গ'ল।  দালালী চাইবাৰক্ৰাইম, মাটিৰ গণ্ডোগ'ল তাৰপিছত ড্ৰাগছ্ব অগাধ বেহা, তেওঁৰ তাত quarter টোত ৰাতি হ'লে গোটেই ঘেৰী থাকে আৰু  এই কথাও ক'বলৈ মই বেয়া নাপাওঁ গোটেই মিঞা দালাল, তাত গৈ  SP ৰ ভৰি মালিচ কৰি থাকে। গতিকে মই আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছে। যদি আমাৰ বৰ্তমান SP ডাঙৰীয়াক incharge SP ডাঙৰীয়াক SP কৰি দিব পাৰে আৰু OC সকলক যদি ভালকৈ নিয়োগ কৰে, আমি ভাবো ভাল ৰিজাল্ট পাম। যদি নতুন SP দিব লগা হয়, অলপ কাঢ়া SP দিব। যাতে এই ধৰণৰ দালালৰ বেহা SP ৰ Quarter ত যাতে নহয়, এইখিনি মই অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষঃ** আমাৰ গৃহ বিভাগৰ শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই

ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেতিয়া অসমৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ ললে, তেতিয়াৰে পৰা অসম

চৰকাৰে বা অসমৰ গৃহ বিভাগে অতি দৃঢ়তাৰে, অতি কঠোৰভাৱে ড্ৰাগছৰ বিৰুদ্ধে তেখেতলোকৰ ড্ৰাগছ্ ধৰিবলৈ যি প্ৰক্ৰিয়া কৰিব লাগে, তাক অতি দৃঢ়তাৰে কৰি অহা পৰিলক্ষিত হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি কেইবাজনো ব্যক্তিৰ ভাষণ শুনিলো আৰু প্ৰত্যেক গৰাকী ব্যক্তিয়ে অত্যন্ত গুৰুত্ব সহকাৰে ক'লে ড্ৰাগছৰ মহামাৰীৰ পৰা আমি ৰাজ্যখনক কেনেকৈ বচাও বা আমি যুৱচামক পৃথিৱীত কেনেকৈ বচাও, সকলোৱে এই বিষয়ে নিজৰ নিজৰ পৰামৰ্শ দিলে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই পুনৰ কৈছো অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেতিয়া প্ৰথম বাৰৰ কাৰণে ২০২১ চনত মুখ্যমন্ত্ৰীৰ দায়িত্ব ললে, তেতিয়াৰে পৰা ড্ৰাগছৰ বিৰুদ্ধে যি অভিযান, সেয়া তুৰান্বিত হ'ল, তীব্ৰতৰ হ'ল আৰু দৃঢ় হ'ল। মই politically ক'ব খোজা নাই, মাত্ৰ difference কেনেকুৱা সেইটোহে ক'ব খুজিছো। আগতে কেনেকৈ পুলিচ প্ৰশাসনে ড্ৰাগছৰ বিৰুদ্ধে দৃঢ় স্থিতি লৈছিল, তাতকৈ কিমান দৃঢ় হ'ল, তাৰহে মই comparison এটা দিব খুজিছো politically ক'ব খোজা নাই৷ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২০১১ চনত অসমত ড্ৰাগছৰ বিৰুদ্ধে কৰা অভিযানত case register হৈছিল ১৯৫ টা আৰু মানুহ arrest ২১৭ জন। ২০১২ চনত case register হৈছিল ১৫৫ টা আৰু ২০১১ চনতকৈ ২০১২ চনত কমিল। কিন্তু এজন মানুহ কৰায়ুক্ত বেছি হ'ল ২১৮ জন হ'ল। ২০১১ চনত ২১৭ জন কৰায়ুক্ত হৈছিল আৰু ২০১২ চনত ২১৮ জন হ'ল। তাৰপিছত মই ২০১৫ চনৰ কথা ক'লো মই ২০১৩-১৪ চনৰ কথা নক'লো, ২০১১ চনত আছিল ১৯৫ টা case registered, ২০১৫ চনত আছিল ২০৬ টা case registered, ২০১১ চনত মানুহ arrest হৈছিল ২১৭ জন আৰু ২০১৫ চনত কৰায়ক্ত হৈছিল ৩২৮ জন। সেইখিন সময়ত ২০১১ চনত হেৰোইন ১ কেজি কৰায়ত্ত কৰা হৈছিল বা উদ্ধাৰ কৰা হৈছিল , ২০১২ চনত ২ কেজি, ২০১৩ চনত ৮৩০ গ্ৰাম, ২০১৪ চনত ১ কেজি, ২০১৫ চনত ১ কেজি। তেনেকৈ লিষ্টখন আছে মাননীয় অধ্যক্ষ ডাঙৰীয়া মই এটা এটা ক'ব নাযাও। মই ইতিমধ্যে কৈছো যে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী হ'ল এই অভিযান তীব্ৰতৰ হ'ল আৰু অতি গুৰুত্ব সহকাৰে লোৱা হ'ল৷ গতিকে অধ্যক্ষ ডাঙৰীয়া, ২০২১ চনত case register ৰ সংখ্যাটো হ'ল ২২৫৪ টা, মই difference ৰ কাৰণেহে কৈছো, মই politically কোৱা নাই। কাকো মই গালি পাৰিবলৈ বা সমালোচনা কৰিবলৈ কোৱা নাই। মই এইটোহে ক'ব খুজিছো যে, এইখন চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে ইমান দৃঢ়স্থিতি লৈছে আৰু কিমান তীব্ৰতৰ অভিযান চলাইছে, অধ্যক্ষ ডাঙৰীয়া, ২০২২ চনত কেছ হ'লগৈ ২৮৭৮ টা আৰু ২০২৩ চনত হ'লগৈ ৩০৩৫ টা ২০২৪ চনত হ'লগৈ ৩৩২৩ টা, ২০২৫ চনত হ'ল ৩৩৩৩ টা। ক'ত ২০০ কেছ আছিল এতিয়া প্ৰায় চাৰে তিনি হাজাৰ case registered হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, person arrested হ'ল ২০২১ চনত ৪১৭৫ টা আৰু যোৱাবছৰ মাজৰ কেইটা মই এৰি থৈ গৈছো প্ৰত্যেকবাৰে বাঢ়ি বাঢ়ি গৈ আছো৷ ২০২৫ চনত হ'ল ৪৯০১ টা। আজি প্ৰায় ১০ বছৰ আগতে ২০০ মানুহ arrest হৈছিল,

এতিয়া ৫ হাজাৰ মানুহ arrest হয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, যেনেকৈ শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কৈছে ঠিক তেনেকুৱাও নহয়। তেখেতে কৈছে মানুহ এৰি দিয়া হয়, মানুহক গৈ linkage কৰা নহয়। ক'ৰ পৰা এজন ধৰিলে, দ্বিতীয়জনক বিচৰা নহয়, তৃতীয়জনক বিচৰা নহয় তেনেকৈ যে কৈছে, সেইটো কথা তেনেকুৱা নহয়। যদি তেনেকুৱা হ'ল হয়, মাননীয় অধ্যক্ষ ডাঙৰীয়া, চাৰে তিনিহাজাৰ case আৰু arrested ৰ সংখ্যা উনপঞ্চাশ শ হ'ব ৪৯০১ টা। আগতে ২০০ কেছ হৈছিল এতিয়া চাৰে তিনি হাজাৰ case registered হয় আৰু ৫ হাজাৰ মানুহ arrest হয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছিলো যে তেতিয়া ১ কেজিৰ average ত হেৰোইন seized হৈছিল, তেতিয়া হৈছিল ১ কেজি average ত। ২০২১ চনত মাননীয় অধ্যক্ষ ডাঙৰীয়া ৬৭ কে.জি ,২০২২ চনত ১১২ কে. জি, ২০২৩ চনত ১৬৭ কে.জি, ২০২৪ চনত ১৮৩ কে.জি। মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো, মই কথাখিনি পলিটিকেলী কোৱা নাই। মই difference টো ক'বই লাগিব আগৰ চৰকাৰে কি কৰিছিল,বৰ্তমানৰ চৰকাৰে কি কৰি আছে। তেতিয়া ১ কে. জি average ত হেৰ'ইন জব্দ হৈছিল আৰু এতিয়া ১৮৩ কে.জি হেৰ'ইন জব্দ হয়। যদি এইখন চৰকাৰে গুৰুত্ব সহকাৰে কাম নকৰিলে হয়, গৃহ বিভাগে যদি গুৰুত্ব সহকাৰে অভিযান তীব্ৰতৰ নকৰিলে হয়, যদি আচামী বিলাকক বা যিবিলাক অভিযুক্ত তেওঁলোকক এৰি দিলে হয় তেতিয়া মাননীয় অধ্যক্ষ মহোদয় ইমান কেচ register নহ'ল হয় বা ইমান মানুহ গ্ৰেপ্তাৰ ও নহ'ল হয়। মোৰ লগত গোটেইখিনি তথ্য আছে মই পঢ়ি নিদিওঁ। মই আকৌ কৈছো যে এই কথাটো অত্যন্ত serious কথা। মাননীয় সদস্য শ্ৰী ভূপেন বৰা ডাঙৰীয়াই কৈছে যে কেনেকৈ এখন ৰাজ্য ধ্বংস হৈ গৈছে। পঞ্জাৱৰ পৰিৱেশৰ কথা সকলোৱে জানে। আমাৰ মাননীয় সদস্য দীপক দাস ডাঙৰীয়াই কৈছে কেনেকৈ বৰপেটাত বিভীষিকাময় পৰিৱেশৰ সৃষ্টি হৈছে। মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই সমগ্ৰ অসমৰ কথা কৈছে। মাননীয় সদস্য বদৰুদ্দিন আজমল ডাঙৰীয়াই ও কৈছে। তেখেত ইমান বেছি আৱেগিক হৈ গৈছে যে তেখেতে কান্দি পেলাইছে। এইটো খুব serious issue. এই বিষয়ত চৰকাৰখন অত্যন্ত serious. চৰকাৰখনে বহুখিনি কামো কৰিছে। আমি এটা portal কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ কিছু কথা পঢ়ি দিওঁ। ড্ৰাগছ মুক্ত অসম বুলি এটা App ২০২১ চনৰ ১০ ডিচেম্বৰত অসমৰ ডি জি পি ডাঙৰীয়াই মুকলি কৰিছিল। এই App টোৰ জৰিয়তে জন সাধাৰণে নিজৰ পৰিচয় গোপন ৰাখি NDPS সম্পৰ্কীয় নিষিদ্ধ সামগ্ৰী বিক্ৰী, সেৱন, মজুতকৰণ আৰু সৰবৰাহৰ বিষয়ে আৰক্ষীক জনাব পাৰে। এইটো এটা App তাত যিজনে information টো দিব তেওঁৰ নামটো disclose কৰা নহ'ব। মাননীয় অধ্যক্ষ মহোদয়, এই App টোৰ জৰিয়তে এতিয়ালৈকে ৫৮৫ টা অভিযোগ পোৱা গৈছে আৰু এই অভিযোগৰ ভিত্তিত ২. ৯০ কোটি টকাতকৈ অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে। লগতে এই App টো আৰম্ভ হোৱাৰ পৰা এতিয়ালৈকে ১৬ টা

NDPS সম্পৰ্কীয় গোচৰত ৩০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। পুলিচে টো direct কৰিয়েই আছে আনকি App ৰ জৰিয়তে বা portal ৰ জৰিয়তেও আমি এই অভিযান তীব্ৰতৰ কৰিছো। নিশ্চয় সমাজৰ সহযোগত। কাৰণ মানুহে ইয়াৰ information দিয়ে। কোনে information দিছে সেইটো আমি disclose নকৰো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা আপোনালোকক জনাব খোজো যে আমাৰ উত্তৰ পূৰ্বাঞ্চলত আচলতে এই ড্ৰাগছ আহে ম্যানমাৰৰ পৰা। ম্যানমাৰৰ পৰা তেওঁলোকে মূলতঃ বাংলাদেশলৈকে যাব খোজে। সেইকাৰণে আপোনালোক দেখিব যে প্ৰত্যেক দিনাই আমাৰ বৰাক ভেলীৰ তিনিওখন জিলাত Yaba tablet হওঁক বা Phensedyl য়েই হওঁক বা এনেকুৱা ধৰণৰ বস্তু শ শ কোটি টকাৰ হিচাপত আমাৰ অসম পুলিচে গৃহ বিভাগে জব্দ কৰে। মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে আমাৰ চৰকাৰ বা গৃহ বিভাগ ড্ৰাগছ মুক্ত অসম কৰিবলৈ অত্যন্ত দৃঢ় স্থিতি আমি সদায় লৈ আছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰায়েই গৈ ড্ৰাগছ জ্বলাই দিয়ে। আনকি মদৰ বটল তেখেতে বুলড'জাৰ লৈ ভাঙে। কেইদিনমানৰ ভিতৰতে বৰপেটা জিলাৰ দৌলাশালত গৈ তেখেতে এই কাৰ্যসূচী পুনৰ কৰিব। সকলোৱে কৈছে যে এইটো সম্পূৰ্ণৰূপে বন্ধ কৰাতো কিমান সম্ভৱ। কিন্তু চৰকাৰৰ সদিচ্ছা অতি বেছি আছে আৰু অতি বেছি কাৰণেই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই personally গৈ এই ড্ৰাগছক জ্বলাই দিয়ে আনকি মদৰ বটলত বুলড'জাৰ চলায়। এটা কাৰ্য্যসূচীত যোৱা বছৰ বড়মপুৰত মই ও আছিলো। তাত কেইজন মান ব্যক্তিয়ে ভাষণ দিবলৈ ওলোৱা মোৰ মনত আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগত কেইজন মান ব্যক্তিয়ে মানুহক কেনেকৈ অলপ sensitized কৰিব পাৰি তাৰ কাৰণে ভাষণ দিছিল। এহাল মাক-দেউতাকে তেওঁলোকৰ ল'ৰা কেনেকৈ ঢুকাল ভাষণ দিছিল যে আমাৰ সকলোৰে চকুপানী ওলাব লগীয়া পৰিৱেশ হৈছিল। সেইকাৰণে আমি খুব serious আৰু নিশ্চয় কৰিম। আপোনালোকৰ পৰামৰ্শ সমূহ আমি নিশ্চয় গ্ৰহণ কৰিম। পৰৱৰ্ত্তী সময়ত আমাৰ চৰকাৰ, আমাৰ গৃহ বিভাগ ড্ৰাগছৰ বিৰুদ্ধে আৰু কঠোৰ হ'ব , অভিযান আৰু তীব্ৰতৰ হ'ব এইখিনি আপোনালোকক প্ৰতিশ্ৰুতি দি মোৰ উত্তৰ সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**মোঃ বদৰুদ্দিন আজমল, (বিন্নাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাব বিচাৰিছো। আপুনি যিবোৰ ডাটা দিছে , that is very good but not enough. কোটি কোটি কেচ সদায় হৈ আছে আৰু দুশ, তিনিশ, পাঁচশ আমি ধৰিলে একো নহ'ব। ইয়াৰ আগতে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া How he has stopped the dacoity in our Muslim area. I am not saying Minority in Muslim area . I know and all Assam knows. ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া অনুগ্ৰহ কৰি আপুনি এনেকুৱা

লোক সকলক আটক কৰক আৰু যিকোনো আইনৰ যোগেদিয়ে হওঁক। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আপোনাৰ উপকাৰ হ'ব সমগ্ৰ অসমত যে আপুনি যিদৰে কিছু ডকাইতক shoot and sight কৰি নিঃশেষ কৰি দিছে তেনেকৈ যি সকল অপৰাধী তেওঁলোকৰ ওপৰত কেচ নচলাই তেওঁলোকক নিঃশেষ কৰি দিয়ক। তেতিয়া ১০ জন নহয় হাজাৰ জনৰে সমাধান ওলাব। এইখিনিয়ে আমাৰ ক'বলগীয়া আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগছৰ ওপৰত ইয়াত আলোচনা হৈছে আৰু সকলোৱে সহযোগিতাৰ আশ্বাস দিছে। মই নিশ্চিত ভাৱে আদৰণি জনাম। আপোনালোকে জানে যে প্ৰথম দায়িত্ব লৈ যোৱাবাৰ আমি যথেষ্ট কাম কৰিছিলো। কিন্তু যেতিয়া কিবা কাৰণত আৰক্ষীয়ে ড্ৰাগছৰ ব্যৱসায়ী সকলৰ ওপৰত কঠোৰ হয় বা বাধ্যত পৰি আৰক্ষীয়ে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা ল'বলৈ যায়, তেতিয়া বিধান সভাৰ মজিয়াত যথেষ্ট সমালোচনাও কৰা হয়। কোনেও একো ইচ্ছা কৰি নকৰে। কিন্তু যদি কিবা কাৰণত এৰাব নোৱাৰা অৱস্থাত এটা এনকাউন্টাৰ কৰিব লগীয়া হ'ল বা কিবা কাৰণত যদি কাৰোবাৰ ভৰিত গুলী লাগিল তেতিয়া যোৱাবাৰ আমাৰ হাউচৰ পৰাই বহুখিনি প্ৰতিবাদ কৰা হৈছিল। তাৰ পিছতো আৰক্ষীয়ে কাম কৰিছে  আৰু কৰি থাকিব। ড্ৰাগছৰ ব্যৱসায়ী সকল কিমান বেছি চতুৰ সেই কথাটো মাননীয় বিধায়ক জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াৰ বক্তব্যত প্ৰকাশ পাইছে। তেওঁলোকৰ হাতত যদি ১০ কে. জি হেৰ'ইন হয় তাৰ valuation টো প্ৰায় per KG ১-২ কোটি টকা আৰু ১০-১২ কোটি টকাৰ বস্তু এটা যেতিয়া লৈ আহে তেতিয়া তেওঁলোকৰ হাতত আগ্নেয়াস্ত্ৰও থাকে বা তেওঁলোকে পুলিচলৈকে গুলীয়াবলৈ ও চেষ্টা কৰে, কাৰণ দুই-তিনিজন পুলিচে  ধৰে। তেতিয়া যদি কিবা কাৰণত পুলিচেও যদি উল্টাই ব্যৱস্থা লয়, যোৱাবাৰ মই দেখিছোঁ যে আমি চুপ্ৰীম কোৰ্ট পৰ্য্যন্ত যাবলগীয়া হ'ল আৰু যথেষ্ট প্ৰেচেৰ মাজেৰে গৈ আমি নিজক প্ৰমাণ কৰিবলগীয়া হ'ল। সেইকাৰণে মই ভাবো যে হাউচে এটা বস্তু যিসকল আৰক্ষীয়ে কঠোৰ হ'ব কোৱাৰ পিছত মই তেওঁলোকক ক'ব নোৱাৰো যে আপুনি কঠোৰ হ'ব। কিন্তু আপোনালোকক গুলীয়াব খুজিলে আপোনালোকে ৰিয়েকশ্যন নকৰিব, তেনেকুৱাটো হ'ব নোৱাৰে। কয় যে  আইনৰ মাজেৰে লওঁক। আইন কাৰ লগত হয় যেতিয়া আইনক অপৰাধী জনেও বুজি পায়, আইনক ভয় কৰে। যিয়ে আইনক ভয় নকৰে পুলিচকে মাৰিব খোজে তেতিয়াটো পুলিচেও একশ্যন ল'ব লাগে। সেইকাৰণে মই ভাবো যে যদি কেতিয়াবা পুলিচে বাধ্যত পৰি দৃঢ় ব্যৱস্থা ল'বলগীয়া হয়, নহ'লেটো সকলো কাম আইনৰ যোগেদিয়ে হ'ব। সদনে যেতিয়া তাক appreciate কৰে বা বুজি পায়, লাগিলে প্ৰত্যকটো ঘটনা scrutinise কৰক যে এওঁ ড্ৰাগছৰ কিমান ডাঙৰ handlar আছিল, তেওঁৰ হাতত কিমান ড্ৰাগছ পোৱা গৈছিল আগত কিমান ড্ৰাগছ আছিল এই গোটেই কথাখিনি হাউচৰ পৰা আজিৰ এই cooperation টো সদায় থাকিলে পুলিচে যথেষ্ট ভাল কাম কৰিব পাৰিব। কিন্তু আজিৰ এই

cooperation টো সদায় থাকিব লাগিব । আজি সদনত দুই-এজনে কৈছে যে আমাৰ মাইন'ৰিটি সমাজত এইটো বেছিকৈ সোমাইছে। মই এইটো নকওঁ । মই ভাবো যে কেৱল মাইন'ৰিটি সমাজত নহয়, মেজৰিটি সমাজতো এইটো সোমাইছে। কিন্তু যেতিয়া কোনোবা এজন অপৰাধীক ধৰা যায় তেতিয়া আকৌ তেওঁৰ ধৰ্ম লৈও সদনত আলোচনা হয় যে তেওঁৰ ধৰ্ম কি বা এনেকুৱাই মানুহ নেকি। গতিকে আজিৰ যিটো positivity সেইটো maintain হ'লে তেতিয়া হ'লে আমি যথেষ্ট ভাল কাম কৰিব পাৰো। যেতিয়া প্ৰত্যেক দিনাই পুলিচক কাঠগড়াত থিয় কৰোৱা হয় স্বাভাৱিক ভাৱে পুলিচৰ speed টো যদি ১০০ থাকে, সেইটো ৯০ লৈ নামি যায় । এই ব্যৱস্থাটো আমি নিশ্চিত ভাৱে মনত ৰাখিব লাগিব । কেন্দ্ৰীয় গৃহ মন্ত্ৰী ডাঙৰীয়াইও এইবাৰ ড্ৰাগছৰ ওপৰত যথেষ্ট পদক্ষেপ ল'ব বিচাৰিছে । যিটো আজি ইয়াত কোৱা হৈছে যে ড্ৰাগছৰ ব্যৱসায়ী সকল ক'ৰ আৰু তেওঁলোকক আমি backened কৰো নে নাই, আমি chain বিলাক কৰি কৰি গৈ এটা সময়ত chain টো ম্যানমাৰ সীমান্তত ৰৈ যায়। এতিয়া তাত ভাৰত চৰকাৰে যথেষ্ট পৰিমাণে ব্যৱস্থা হাতত লৈছে আৰু দুয়োখন ৰাজ্য চৰকাৰে সহায় সহযোগিতা কৰিছে। আমি ভাৱো যে এই বিষয়টোৰ ক্ষেত্ৰত আমি আৰু বেছি কঠোৰ হ'ব পাৰিম। কিন্তু লগত আৰু এটা কথা আছে যিটো আমি সকলোয়ে চকু দিব লাগিব যে ব্যৱসায়ী সকলৰ লগত যি সকল লোক Victim হয় তেওঁলোকক আমি Rehabilation কৰিব লাগিব যেনেকৈ পাৰো। আজি দেখা যায় যে যিবোৰ নিচামুক্তি কেন্দ্ৰ আছে তেওঁলোকৰ মাজৰ দুই চাৰিজনে নিজে ড্ৰাগছ দিয়া আৰম্ভ কৰে আৰু নিচামুক্তি কেন্দ্ৰ গৈ পেলাই ড্ৰাগছ খোৱাৰ হে এটা কেন্দ্ৰ হয় পৰে । গতিকে এই দিশটো আমি ভাল ভাল NGO ক আহ্বান জনাম যে আপোনালোকে Rehabilation কেন্দ্ৰ বাবে আগবাঢ়ি আহক চৰকাৰে আৰ্থিক সহায় কৰিব আৰু আমি এই ক্ষেত্ৰত এটা আঁচনি আনিম যে চৰকাৰে কেনেকৈ সহায় কৰিব পাৰো কিন্তু বৰ্ত্তমান বহুত নিচামুক্তি কেন্দ্ৰতে এনে ধৰণৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ আমি সময়ে সময়ে পাই থাকো বা বাতৰি কাকততো ওলাই। সেই কাৰণে মই এটা অনুৰোধ জনাম যে আমি যিজনে ব্যৱসায় কৰে তেওঁৰ বিৰুদ্ধে আমি কঠোৰ হ'ম আৰু Victimসকলক Rehabilate কৰাৰ ব্যৱস্থা কৰিম। আৰু ড্ৰাগছৰ ক্ষেত্ৰত যদি আমি কঠোৰ হও কিন্তু অকল দ্ৰাগছ নিয়ন্ত্ৰনে নহয় সৰু সুৰা বহুত অপৰাধ নিয়ন্ত্ৰণ কৰিব লাগিব যেনে চেইন থপিয়াই নিয়া, মানুহৰ পৰা ৰাতি টকা পইছা জোৰ কৰি লৈ যোৱা, ঘৰত যিটো পাৰিবাৰিক অত্যাচাৰ হয় এই গোটেই বিলাক আৰু বিষয়টো যথেষ্ট চিন্তনীয় আৰু এই ক্ষেত্ৰত আমি সকলোৱে ঐক্যবদ্ধ ভাৱে এই দিশত কাম কৰিব লাগিব আৰু মই বিধান সভাৰ সহযোগিতা নিশ্চিত ভাৱে কামনা কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ মুখ্যমন্ত্ৰী ডাঙৰীয়া। নিশ্চিত ভাৱে ড্ৰাগছ মুক্ত অসম গঢ়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেইবাটাও দিশত নিশ্চিত ভাৱে সফল হৈছে। আমি সদনে এই বিষয়টোত নিশ্চিত ভাৱে তেখেতৰ নেতৃত্বত সফল হম বুলি আশাবাদী। আৰু সমান্তৰাল ভাৱে

আমি Social engineering কৰিব লাগিব কাৰণ অকল যে চৰকাৰে কৰিব লাগিব তাৰ লগত তেখেতে যিটো কথা কলে যে ৰাইজৰো সহযোগ লাগিব। গতিকে ৰাইজ মানে সদনৰ সহযোগ লাগিব । মই ভাৱো সদনৰ নিশ্চিত ভাৱে আজিৰ সদনে সৰ্বসন্মতিক্ৰমে তেখেতৰ লগত সহযোগ কৰিব আৰু ড্ৰাগছ মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত । আৰু আমি অসমৰ ৰাইজে যাতে Social engineering কৰো বিভিন্ন ধৰণে সজাগতা সভাই হওক আৰু কথা প্ৰসংগত মই আজি কৈছিলো যে দুদিন মান আগতে ককা দেউতা নাতি হাতী ২ চিনেমাখন চাইছিলো আৰু তাত এটা সজাগতা দেখুৱা হৈছে যে এজন ড্ৰাগছ আসক্ত যুৱকক কেনেকৈ পৰিয়ালে বছালে ঠিক তেনেকুৱাকৈ আমাৰ মাজত এটা সজাগতা আনিব লাগিব যেনে সামাজিক সজাগতা, পাৰিবাৰিক সজাগতা। গতিকে এই ক্ষেত্ৰত আমি সমাজৰ লগত কাম কৰিম বুলি আশাবাদী। এতিয়া কাৰ্য্যসূচী নং- ৩, বিশেষ উল্লেখ নিয়ম ৩০১ ৰ অধীনত মাননীয় সদস্য শ্ৰী প্ৰকাশ চন্দ্ৰ দাস ডাঙৰীয়াৰ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাবলী ৩০১ নং দফাৰ অধীনত'' ৰাজ্যত ভয়াবহ কৰ্কট ৰোগৰ প্ৰাৰ্দুভাৱ আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে চৰকাৰী গবেষনা তথা ব্যৱস্থা বলী '' শীৰ্ষক বিষয়টো মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনযোগ আকৰ্ষণ কৰিব। শ্ৰী প্ৰকাশ চন্দ্ৰ দাস।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, (হাজো, শুৱালকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ এই পবিত্ৰ সদনত ৰাজ্যখনৰ অতি ভয়াৱহ আৰু জৰুৰী জনস্বাস্থ্য জনিত সমস্যাৰ বিষয়ে অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী আৰু স্বাস্থ্য বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । বৰ্তমান সময়ত আমাৰ ৰাজ্যখনৰ কৰ্কট ৰোগৰ যি ভয়াবহতা আৰু এই ভয়াৱহতা দিনক দিনে বৃদ্ধি পাই আহিছে যাৰ কাৰণে হাজাৰ হাজাৰ পৰিয়াললৈ অন্ধকাৰ নমাই আনিছে। বিশেষ ভাৱে যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখে লোক সভাত এটা তথ্য দাঙি ধৰিছিলে ।ICMR আৰু NCDR ৰ প্ৰতিবেদনৰ ভিত্তিত। এই তথ্য মতে ২০২১ চনত ৪৫ হেজাৰ ৩৬৫ জন , ২০২২ চনত ৪৭ হেজাৰ ২৯২ জন,২০২৩ চনত ৪৯ হেজাৰ ৩৪৯ জন, ২০২৪ চনত ৫১ হেজাৰ ৫৫৩ জন, ২০২৫ চনত ৫২ হেজাৰ ২৭ জন লোক নতুনকৈ কৰ্কট ৰোগত আক্ৰান্ত হৈছে। আৰু একে সমতে যোৱা বিধান সভাত সেই সময়ৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই সদনত দাঙি ধৰিছিল যে প্ৰতি বছৰে অসমত ৫০ হেজাৰ লোক এই কৰ্কট ৰোগত আক্ৰান্ত হয় আৰু ভয়াবহ ভাৱে এই ৰোগে প্ৰতিটো পৰিয়ালক যথেষ্ট ভাৱে সৰ্বস্বান্ত কৰিছিল। মই মোৰ সমষ্টিৰ কথা আজি কিছুদিনৰ পৰা লক্ষ্য কৰিছো যে প্ৰতি দিনে ৩/৪ জনকৈ কৰ্কট ৰোগত আক্ৰান্ত লোকে সহায় বিচাৰে। প্ৰতেকটো পৰিয়ালৰ যেতিয়া কৰ্কট ৰোগত আক্ৰান্ত হোৱা ব্যক্তি ঘৰত থাকে সেই পৰিয়ালটো সৰ্বস্বান্ত হয় অৰ্থিক ভাৱে ভাঙি পৰে। এনেকুৱা এটা জৰুৰী আৰু শোকবহ সমস্যা এই সমস্যাটো নিশ্চিত ভাৱে সমাধান কৰাৰ বাবে স্বাস্থ্য মন্ত্ৰী আৰু স্বাস্থ্য

বিভাগে যথেষ্ট কৰিবলগীয়া আছে। বিশেষ ভাৱে এই যে কৰ্কট ৰোগ ভয়ানক ভাৱে বৃদ্ধি পাইছে তাৰ কাৰণ সমূহ বিশ্লেষণ কৰাৰ লগতে ইয়াক প্ৰতিৰোধ কৰাৰ ব্যৱস্থাটো অতি জৰুৰী হৈ পৰিছে। আমি কিছু দিনৰ পৰা বিভিন্ন ধৰণে দেখিছো যে প্ৰতিটো খাদ্য ফলমূল, শাক পাচলি বা মাছ মাংসকে ধৰি সকলো ক্ষেত্ৰতে যি ৰাষায়নিক দ্ৰব্য ব্যৱহাৰ কৰা হয় কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰা হয় এই বোৰৰ কাৰণে কৰ্কত ৰোগ যথেষ্ট পৰিমাণে বৃদ্ধি হোৱাটো পৰিলক্ষিত হৈছে। এইবোৰ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰী ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্ত্ৰী মহোদয়ৰ ওচৰত আশা ৰাখিছো। আৰু ইয়াৰ লগে লগে আমাৰ হাজো শুৱালকুছি সমষ্টিৰ আমেৰিকাৰ বাসিন্দা আৰু জন্মগত ভাৱে শুৱালকুছিৰ সন্তান ডা° বিকুল দাসে কৰ্কট ৰোগৰ ক্ষেত্ৰত তেখেতৰ এটা নিজা প্ৰতিস্থান আছে কৃষ্ণ টেলি মেডিচিন আৰু আৰু কেঞ্চাৰ কেয়াৰ চেণ্টাৰ। তাৰ জৰিয়তে প্ৰায় ২০০০ ৰোগীক বিনামূলীয়া ভাৱে কৰ্কট ৰোগৰ চিকিৎসা কৰিছে আৰু নিজা ব্যক্তিগত উদ্যোগত গুৱাহাটীৰ IIT ত প্ৰায় ১০ কোটি টকা ব্যয় সাপেক্ষে এটা কৰ্কট গৱেষণা কেন্দ্ৰ প্ৰতিস্থা কৰিছে। এই পৰীক্ষাগাৰৰ পৰা যথেষ্ট সহায় লব পাৰি। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে ডা° বিকুল দাসৰ যি কৰ্কট গৱেষনা কেন্দ্ৰ গুৱাহাটী, IIT প্ৰতিস্থা কৰিছে আৰু সেই কেন্দ্ৰটোৰ জৰিয়তে যথেষ্ট পৰিমানৰ সুবিধা আমাৰ চৰকাৰে ল'ব পাৰে গতিকে সেই প্ৰতিস্থানৰ লগত সংযোগ হৈ সেই প্ৰতিস্থানক সমৰ্থন দি গ্ৰাম্য অঞ্চলৰ দুখীয়া ৰোগী সকলক যথেষ্ট পৰিমানে সহায় কৰিব পাৰে। কাৰণ তেওঁলোকে এই প্ৰতিস্থানৰ জৰিয়তে ইতিমধ্যে বিভিন্ন ৰোগীক বিনামূলীয়া চিকিৎসা বিনামূলীয়া পৰামৰ্শ লগতে আন আন ক্ষেত্ৰত কোন জন ৰোগীক কোনখন চিকিৎসা লয়ত কি ধৰণে পৰীক্ষা কৰি এই চিকিৎসা কৰিব পাৰি তাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে কাম কৰি আছে। গতিকে মই ভাৱো আমাৰ চৰকাৰে যথেষ্ট খিনিয়ে কৰিছে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আৰু তেখেতৰ দিনত প্ৰায় ১৪ খন চিকিৎসালয় নিৰ্মাণ কৰা হৈছে Tata Cancer, Assam Cancer Care Foundation ৰ জৰিয়তে যথেষ্ট পৰিমাণে চিকিৎসা পোৱাৰ ব্যৱস্থা হৈছে কিন্তু তাৰ পিছতো আজিও বহুত দুখীয়া ৰোগী আছে, যিসকলে সকলো ধৰণৰ চিকিৎসা কৰিবলৈ সমৰ্থণ নহয়। ইতিমধ্যে আয়ুষ্মান ভাৰত এই আঁচনিৰ জৰিয়তে চিকিৎসা যদিও পায় অত্যাধুনিক আধুনিক পদ্ধতিৰে যিসমূহ অস্ত্ৰোপ্ৰচাৰ হয়, বিশেষকৈ ৰাবটিক চাৰ্জাৰি, ৰবটিক চাৰ্জাৰি যথেষ্ট ব্যয়বহুল, এই অপৰেচন কৰা পদ্ধতিটো আজিও আয়ুষ্মান ভাৰতৰ জৰিয়তে সম্ভৱ হৈ উঠা নাই। মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয়া মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে সহজ সৰলভাৱে এই চিকিৎসা কৰিব পৰাকৈ দুখীয়া আৰু ধনী মানুহৰ মাজত বৈষম্য নোহোৱাকৈ যাতে সকলো চিকিৎসা পাব পাৰে, এই ৰবটিক চাৰ্জাৰি যাতে সুন্দৰভাৱে কৰিব পাৰে তাৰ কাৰণে আয়ুষ্মান ভাৰতৰ যি পেকেজ আছে, সেই পেকেজটো revised কৰি সুবিধা লাভ কৰিব পৰা ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে বা সেই দিশত চিন্তা কৰিব কাৰণে মই আহ্বান জনাইছোঁ আৰু

বিশেষভাৱে আজি এই ভয়াৱহ যি কেন্সাৰ ৰোগ, এই কেন্সাৰ ৰোগৰ প্ৰতিৰোধ কৰাটো আটাইতকৈ ডাঙৰ গুৰুত্বপূৰ্ণ কথা। কেন্সাৰ ৰোগ চিনাক্ত কৰণ কৰা হোৱাৰ সময়লৈকে বহুত পলম হৈ যায়, গতিকে প্ৰথমতে এই ৰোগটো কেনেধৰণে চিনাক্তকৰণ কৰিব পাৰে প্ৰথম পৰ্য্যায়তে, সেই বিষয়ত সজাগতা ব্যৱস্থা লোৱাৰ কিবা চিন্তা কৰিছে নেকি, মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আৰু যদি এই বিষয়ত প্ৰথম পৰ্য্যায়তে ৰোগ চিনাক্তকৰণৰ কৰা হয়, তেতিয়া হলে নিশ্চিতভাৱে এই কেন্সাৰ ৰোগ নিৰাময় হয়। গতিকে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা আশা ৰাখিছো যাতে কেন্সাৰ ৰোগৰ সজাগতাৰ দিশত যথেষ্ট ভাৱে গুৰুত্ব দিয়ে আৰু এই সজাগতাৰ লগতে প্ৰতিৰোধৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰি যাতে কেন্সাৰ ৰোগৰ ৰোগীসকলক যথেষ্ট সহায় পাব পৰা ব্যৱস্থা গ্ৰহণ কৰে, তাৰ কাৰণে মই সদনৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অশোক সিংহল, স্বাস্থ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সন্মানীয় সদস্যগৰাকীক ধন্যবাদ দিছোঁ যে বহুত গুৰুত্বপূৰ্ণ বিষয় তেখেতে আজি বিধানসভাৰ মজিয়াত লৈ আহিছে। অসম চৰকাৰে এক comprehensive approach-ৰ জৰিয়তে early detection, treatment, palliative care, survivorship আৰু research – এই চাৰিটা চিন্তাক লৈ কাম কৰি আছে। The distinctive feature of Assam's efforts is not merely the number of hospitals that we have created or the volume of service delivered, but the design of the cancer care system itself is the beauty of the cancer care system in Assam. We have a decentralized model of cancer care. Assam has adopted a distributed and decentralized cancer care model so that quality cancer care services are not concentrated only in Guwahati or bigger cities. A network of 17 hospitals has been planned, out of which 12 hospitals are operational. The network includes L1, অৰ্থাৎ State Cancer Institute at Guwahati; L2, Comprehensive Cancer Care Centres at Dibrugarh, Barpeta, Silchar and Diphu; and Diagnostic and Day Care Centres, that is L3, at Lakhimpur, Jorhat, Darrang, Tezpur, Kokrajhar, Golaghat and Tinsukia. এই বাৰখন operational hospital আৰু পাঁচখন নিৰ্মাণাধীন আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া স্বাস্থ্য মন্ত্ৰী আছিল, তেতিয়া টাটাৰ লগত লগ লাগি প্ৰায় তিনি হাজাৰ কোটি টকাৰ অধিক investment কৰি Assam Cancer Care Foundation গঠন কৰা হ'ল। তাৰ ফলত এই বাৰটা centre-এ যথেষ্ট অগ্ৰণী ভূমিকা cancer care-ৰ ক্ষেত্ৰত লৈছে। বহুতে ভাবে

যে L1 অৰ্থাৎ গুৱাহাটী বা L2 centre-তেই high standard আমি maintain কৰি আছোঁ, কিন্তু নহয়।

Highest standards are maintained even at L3 centres. Decentralization does not mean dilution of quality. A key feature of the Assam model is the effort to maintain high clinical and operational standards even in L3 diagnostic and day care centres through standard treatment protocols, trained manpower, quality assurance, specialist support and structured referral linkage with higher centres. এই যে L3 centres-বোৰ আছে, সেই centres-বোৰেও খুব ভাল সেৱা দি আছে। তেজপুৰত এটা centre আছে মোৰ জিলাত। তাতো মই চাইছোঁ যে ভাল চলি আছে আৰু review কৰোঁতে মই গম পালোঁ যে Cancer Care Foundation-এ যথেষ্ট ভাল কাম কৰিবলৈ সফল হৈছে। আমাৰ মডেলটো non-profit foundation model for flexibility and efficiency. চৰকাৰী যিটো তন্ত্ৰ থাকে, তাত বহুত flexibility নাথাকে। কিন্তু foundation model টাটা ট্ৰাষ্টৰ লগত কৰা গ'ল, বহুত flexible model আছে আৰু public-private partnership-ৰ এক ভাল example বুলি আমি ক'ব পাৰোঁ।বিধায়ক ডাঙৰীয়াই ক'লে cancer ৰোগী বাঢ়িছে বুলি। সেইটো ঠিক নহয়। Cancer ৰোগী বঢ়া নাই। আমি early detection আৰম্ভ কৰিছোঁ, mass screening কৰিছোঁ। যদি আমি mass screening নকৰিলোঁহেঁতেন, ধৰা নপৰিলেহেঁতেন, stage-3, stage-4-ত আহিলে আমাৰ একো কৰিবলগীয়া নাথাকে। এতিয়া বাতৰিকাকততো ওলাই থাকে যে বহু cancer ৰোগী হৈছে। বহুত ৰোগী ধৰা পৰিছে, আছে বুলিহে ধৰা পৰিছে। আমি intensive screening কৰি আছোঁ। প্ৰায় এক কোটি চৌব্বিছ লাখ মানুহক screening কৰাৰ programme আছে। তাৰ ভিতৰত প্ৰায় ৪৭ লাখ ইতিমধ্যে screening হ'ল। ইয়াৰ জৰিয়তে আমি ৯৮১ জন cancer ৰোগী চিনাক্ত কৰিব পাৰিলোঁ। অৰ্থাৎ যিটো জনসংখ্যাক আমি চিনাক্তকৰণ কৰোঁ, যদি stage-1, stage-2-ত আমি চিনাক্ত কৰিব পাৰোঁ, তাত চিকিৎসাটো কৰি cancer-টোক এটা positive development-লৈ আমি transfer কৰিব পাৰোঁ। এই যে detection বেছি হৈছে, ইয়াক আমি positive বুলি ল'ব লাগিব। এইটো negative নহয়। ইয়াক negative ভাবিলে এইটো ভুল হ'ব। ইমান যে cancer ৰোগী আমি ধৰি আছোঁ, অৰ্থাৎ আমি ground-ত কাম কৰি আছোঁ। এক কোটি চৌব্বিছ লাখ মানুহৰ যেতিয়া screening-ৰ আমি কথা কওঁ, তেতিয়া detection বাঢ়িব। আমি যদি screen নকৰোঁ, detection কমি যাব। Detection বঢ়া আৰু cancer ৰোগীক প্ৰথম বা দ্বিতীয় stage-ত চিনাক্তকৰণ কৰা এটা positive development। ই চৰকাৰৰ সফলতাক দেখুৱাইছে যে চৰকাৰে তৎপৰতাৰে কাম কৰিব পাৰিছে। আমাৰ উদ্দেশ্যটোহে early detection। NHM Assam is using ASHA, ANM, Community Health

Officers at Ayushman Aarogya Mandir. Almost one crore population of Assam is screened for cancers and whenever certain symptoms are found, they are referred for further examination. আপোনালোকে জানি ভাল পাব, cancer-ৰ অতি আধুনিক এক therapy ওলাইছে। Therapy-ৰ নাম হ'ল proton therapy। পূৰ্ব ভাৰতত কোনো ৰাজ্য চৰকাৰে proton therapy-ৰ machine আনিবলৈ সক্ষম হোৱা নাই, initiative লোৱা নাই। ভাৰতবৰ্ষৰ কোনো ৰাজ্যত আছেনে নাই মই নাজানো। বহুতে মোক কয় যে কোনো ৰাজ্যৰ কোনো চৰকাৰী সংস্থানত এই proton therapy উপলব্ধ নহয়। আপোনালোকে জানি ভাল পাব যে অসম চৰকাৰে Guwahati-ত proton therapy facility প্ৰদান কৰাৰ কাৰণে নিবিদা দিছে। মই ভাবোঁ যে কিছু সপ্তাহৰ ভিতৰতে আমি proton machine final কৰিব পাৰিম আৰু এই যিটো হৈ আছে, কোনোবাই ভাবিব পাৰে যে healthcare চিন্তাটো কেনেকুৱা। Cancer-ৰ চিন্তাক লৈ গোটেই সদনে নিজৰ concerns-বোৰ আমাক দেখুৱাইছে। কিন্তু cancer care-ক লৈ মই ক'ব খুজিছোঁ—Assam is leading the fight against cancer আৰু অসমৰ model-ক ভাৰত চৰকাৰে মান্যতা দিছে যে Assam Cancer Care Model should be adopted by all other States in the country. এইটো আমাৰ এটা উপলব্ধি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই পিছ পৰা বুলি গণ্য হোৱা ৰাজ্যই কেন্সাৰ কেয়াৰৰ ক্ষেত্ৰত এক অদ্ভুত প্ৰট'কল দেখুৱাব পাৰিলে, এক ক্ষমতা দেখুৱাব পাৰিলে আৰু ভাৰত চৰকাৰে ২০২৪ চনৰ ২৭ মাৰ্চ তাৰিখে মই পঢ়ি দিছো Ministry of Health and Family Welfare, Government of India, suggested all states to adopt Assam model of cancer care through its letter dated 27th March 2024. In addition, Assam's model is now being studied by other states. During a recent study tour, Shri Ranjan Kumar, IRS, CEO of Bihar Cancer Care and Research Society, and his team visited Assam Cancer Care Foundation. The delegation studied all three levels of Assam model the State Cancer Institute at Guwahati, Dibrugarh L2 model, Darang L3 model. After the visit, CEO of Bihar Cancer Care and Research Society conveyed his appreciation for the quality facilities created for common man within a short period. The unique network model deployed by Government of Assam and Tata Trusts, and efficiently run by ACCF, and the dedicated human resource model has been appreciated by them. Most importantly, the Bihar team conveyed that it would try to replicate the Assam model in Bihar. ইয়াতকৈ আৰু গৌৰৱৰ কথা কি হ'ব পাৰে যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কেঞ্চাৰ কেয়াৰৰ ক্ষেত্ৰত আমি যিটো পদক্ষেপ লৈছিলোঁ, আজি গোটেই ভাৰতবৰ্ষই adopt কৰিব বিচাৰিছে। আৰু বিহাৰৰ পৰা Cancer Care Research Society-ৰ CEO আহি আমাক কৈ গৈছে যে এই মডেলটো আমি adopt কৰিম।

This is a matter of satisfaction for Assam, and it demonstrates that our decentralized network approach is emerging as a model of interest beyond the state. Scale of public care. Till May 2026, Government Cancer Care Network registered 2,26,923 new cases, including 71,517 new cancer patients. The network has delivered 5,85,533 OPD visits. প্ৰায় ৬ লাখ OPD ভিজিট কেঞ্চাৰ ৰোগীসকলৰ পৰা ২০২৬ লৈ হৈছে। IPD admission 48,659. সৰু ফিগাৰ নহয়। যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই Cancer Care Foundationটো নহ'লহেঁতেন, তেতিয়া কি হাহাকাৰৰ অৱস্থা হ'লহেঁতেন, আপোনালোকে চিন্তা কৰি চাওক। Chemotherapy, which is an essential part of cancer care. উপাধ্যক্ষ মহোদয়ক অলপ কব দিয়ক সদস্যসকলে জানক যে চৰকাৰে কিমান বিস্তৃত চিন্তাৰে কাম কৰি আছে। অসমৰ ৰাইজে জানক, আপোনাৰ মাধ্যমত, যে কিমান বিস্তৃত চিন্তালৈ চৰকাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত কাম কৰি আছে। Chemotherapy, which is an essential protocol and part of cancer treatment, কিমান chemotherapy আমি দিছোঁ? 1,56,973. Radiation 17,408, Major surgery 9,563, CT scan more than one lakh. আৰু এই গোটেই ব্যৱস্থাটো প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনা আৰু এম এম এল এচ এ ৱাই ৰ জৰিয়তে বিনামূলীয়াকৈ হৈ আছে। এই লাখ লাখ patientsয়ে এই সুবিধা পাই আছে। মেডিকেল কলেজবোৰত, প্ৰতিটো District Hospitalত কেঞ্চাৰৰ বাবে এক ভাল ব্যৱস্থা আমি কৰিছোঁ। Home-based palliative care, which is around 4,000 patients, 3,759 patients has been followed up after discharge under Sahiyog Cancer Survivor Program. আৰু আপোনালোকে জানি ভাল পাব, অসমত কেঞ্চাৰ ৰোগীৰ survival percentage is 62, which is highest in the country, when the national average is 40 percent. Assam's survival percentage stands at 62 percent. This is a success of our model. This is a success of the visionary leadership Honourable Chief Minister has given, as a Health Minister and after as a Chief Minister. কিন্তু উপাধ্যক্ষ মহোদয়, ৰোগটো দিনক দিনে বাঢ়ি আছে, কথাটো সঁচা। তেখেতে শাক-পাচলিত বা যিবিলাক খাদ্য খাও তাত pesticides বা অন্যান্য chemicalsৰ কথাও কৈছে আমিও এই কথাৰ সন্ধান লৈছোঁ যে হয়, আৰু বহুত food safetyয়ে বহুত sample collection কৰে আৰু য'ত য'ত আমি দেখোঁ যে prescribed levelতকৈ বেছি আছে, তাত আমি ব্যৱস্থা লোৱাৰ চেষ্টা কৰোঁ। Honourable Deputy Speaker Sir, Assam's cancer care effort is based on five clear principles.That is 1. Decentralized access. 2. High standard at every level. 3. A flexible and efficient non-profit foundation model. 4. Emphasis on early-stage detection rather than numbers alone and Preparation for advanced treatment such as proton therapy. The

fact that another state has studied the complete L1, L2, L3 network and expressed an intention to replicate it is an important recognition of Assam's cancer care effort. The government remains committed to detecting cancer earlier, providing quality treatment closer to patients' homes, strengthening Assam-specific research and data, and ensuring affordable, patient-centric cancer care for the people of Assam as well as for the Northeast. উপাধ্যক্ষ মহোদয়, তেখেতে ড০ বিকুল দাসৰ কথা কৈছে। তেখেতে উত্থাপন কৰা প্ৰত্যেকটো কথাৰ সন্ধান লোৱা হ'ব। আৰু আপোনালোকে ভৱিষ্যতেও তেনেকুৱা দিহা পৰামৰ্শ দি থাকিব বুলি আশা ৰাখি আপোনালোকে যিখিনি সদস্য ডাঙৰীয়াই যিখিনি কথা কৈছিল, তাক এক প্ৰকাৰ সন্তুষ্টভাৱে উত্তৰ দিয়াৰ মই চেষ্টা কৰিছোঁ। ধন্যবাদ।

**শ্ৰীধৰ্মেশ্বৰ ৰয়, (বজালী)**ঃ:- ছাৰ, PET-CT Scan টো ফ্ৰী কৰি দিব নোৱাৰি নেকি, আয়ুষ্মান কাৰ্ডৰ জৰিয়তে।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আয়ুষ্মান কাৰ্ডৰ মাধ্যমত পাঁচ লাখ টকালৈকে ট্ৰিটমেণ্ট মুফ্‌ত আছে, প্ৰত্যেকটো পৰিয়ালৰ বাবে আৰু মই ভাবোঁ যে তাত যদি কেনেকুৱা ব্যৱস্থা আছে নে নাই, মই সুধিব লাগিব নাই যদি, তেখেতৰ প্ৰস্তাৱৰ ওপৰত আমি ব্যৱস্থা ল'ম।

**শ্ৰীধৰ্মেশ্বৰ ৰয়, (বজালী)ঃ** Thank you, Sir.

**মাননীয় উপাধ্যক্ষ** :- Thank you for your details. Next, Abdur Rahim Ahmed. Five minutes.

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, ৩০১ ৰ অধীনত এই বিষয়টো মোক উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। যে জালুকবাৰীৰ পৰা হাজোহৈ সৰভোগলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথক চাৰি লেনযুক্ত কৰা দাবী আৰু বৰপেটাৰ পৰা অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথ ৰাষ্ট্ৰীয় পথলৈ উন্নতিকৰণ কৰাৰ দাবী। কাৰণ আমি আটায়েই জানো যে জালুকবাৰীৰ পৰা হাজো হৈ বৰপেটালৈ যোৱা যিটো আমি ৰাষ্ট্ৰীয় ঘাইপথেৰে। সেইখিনি পাৰ হৈ একেটা পথেৰে আমি জনীয়া হৈ লেংটিছিঙা হৈ অভয়াপুৰী যাওঁ। কিন্তু এই পথখিনি আমাৰ জালুকবাৰীৰ পৰা বৰপেটালৈ ৰাষ্ট্ৰীয় ঘাইপথলৈ ইতিমধ্যে উন্নীতকৰণ কৰা হৈছে। কিন্তু বৰপেটাৰ পৰা জনীয়া হৈ লেংটিছিঙা হৈ অভয়াপুৰীলৈ যোৱা ৰাস্তাটো এতিয়াও ৰাজ্যিক ঘাইপথ হিচাপেই আছে । গতিকে একেটাই পথ, গতিকে এই পথটোকো অতি সোনকালে মই পি দব্লিউ বিভাগ তথা আমাৰ মুখ্যমন্ত্ৰী

ডাঙৰীয়াৰ নিজৰ বিভাগ কাৰণে মই অনুৰোধ জনাব খুজিছো যে অত্যন্ত ব্যস্ততাপূৰ্ণ এটা ৰাস্তা, নামনি অসমৰ যোগাযোগৰ প্ৰধান মাধ্যম। গতিকে এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি অতি গুৰুত্বসহকাৰে ব্যৱস্থা ল'ব লাগে। কাৰণ বহু ডাঙৰ ডাঙৰ প্ৰজেক্ট মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পি ডব্লিউ ডি বিভাগৰ অধীনত লোৱাৰ আৰম্ভ কৰিছে।

গতিকে একেটাই পথ, এই পথকো অতি সোনকালে উন্নীত কৰাৰ বাবে মই PWD বিভাগ তথা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো । ই অত্যন্ত ব্যস্ততাপূৰ্ণ এটা ৰাস্তা, নামনি অসমৰ যোগাযোগৰ প্ৰধান মাধ্যম, গতিকে এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এই বিষয়টো গুৰুত্ব সহকাৰে লয় যেন । কাৰণ বহুত ডাঙৰ ডাঙৰ প্ৰজেক্ট মুখ্যমন্ত্ৰী ডাঙৰীয়াই PWD বিভাগৰ অধীনত লোৱা আৰম্ভ কৰা আমি দেখিছো । PM-DevINE নামৰ এটা বিভাগৰ অধীনত Airport ৰ ৰাস্তাটো কৰিছে । গতিকে নামনি অসমৰ মুখ্য পথ আৰু আজি ইমানেই ব্যস্ততাপূৰ্ণ পথ যে আমি ডেৰ ঘন্টাত গুৱাহাটীৰ পৰা বৰপেটাত যাবলৈ সক্ষম হ'ম যদি চাৰিলেন যুক্ত কৰি দিয়ে বা অনুৰূপভাৱে বৰপেটাৰ পৰা জনীয়া হৈ, হাজো হৈ, লেংটিছিঙা হৈ অভয়াপুৰীলৈ যোৱা ৰাস্তা যদি চাৰিলেন যুক্ত হয় মই ভাবো নামনি অসমৰ এই বিশেষ ৰাস্তাটোৱে অৰ্থনৈতিক দিশতো আমাৰ অঞ্চলসমূহক যথেষ্টখিনি আগবাঢ়ি অহাৰ ক্ষেত্ৰত অগ্ৰনী ভূমিকা গ্ৰহণ কৰিব । কাৰণ অতি কমেও ২০ কিঃমিঃ ব্যাসাৰ্দ্ধৰ প্ৰতিটো অঞ্চলৰ সৰু সৰু বজাৰবোৰ টাউনলৈ পৰ্য্যবসিত হ'ব, হাজাৰ হাজাৰ দোকান পোহাৰ গঢ় লৈ উঠিব । গতিকে নামনি অসমৰ maximum অঞ্চলৰ economic condition উন্নীত আহিব । এইটো অত্যন্ত ব্যস্ততাপূৰ্ণ পথ । প্ৰতিদিনেই ইয়াত দুৰ্ঘটনা হৈ আছে, প্ৰতিদিনেই যান-জঁটত অফিচ, আদালত যাব নোৱাৰাৰ অৱস্থা এটাৰ সৃষ্টি হয় । এনে অৱস্থাত খুব কম সময়ত আমি বৰপেটাৰ পৰা লেংটিছিঙা হৈ অভয়াপুৰী লৈ যাব পাৰো । কিন্তু আমি বিকল্প পথ হিচাপে জালুকবাৰীৰ পৰা নলবাৰী হৈ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথক আমি বাচি ল'ব লগা হয় । ইয়াৰ মাজতে আজি বৰপেটাৰ পৰা লেংটিছিঙা হৈ অভয়াপুৰী যোৱা ৰাস্তাৰ মাজত জনীয়াৰ কৰাৰকুম ব্ৰীজ দীৰ্ঘদিন ধৰি মেৰামতি কৰি থকা হৈছে । গতিকে মই আশা কৰো বিভাগে অতি সোনকালে এই দলংখন মেৰামতি কৰি কাৰ্য্যক্ষম কৰিব আৰু চাৰিলেন যুক্ত ৰাস্তাৰ ব্যৱস্থা কৰি বিকল্প নতুনকৈ বেকী নদীৰ ওপৰত আৰু এখন দলং চৰকাৰে অতি সোনকালে sanction দিব বুলি মই আশা কৰিছো । আমাৰ বৰপেটা সত্ৰ নগৰী আমাৰ ঐতিহ্য । গোটেই অসমৰ পৰ্যটক, ভক্ত আমাৰ সত্ৰ নগৰীলৈ আহিব বিচাৰে । আটাইতকৈ সহজ ৰাস্তা গুৱাহাটীৰ পৰা হাজো হৈ বৰপেটা লৈ যোৱা এই ৰাস্তাটোৱে খুব কম সময় লগা এটা চিধা ৰাস্তা । সেইকাৰণে মই কওঁ যে এই ৰাস্তাৰ লগত সংলগ্ন আমাৰ অভয়াপুৰীৰ বিধায়ক ডাঙৰীয়া আছে,ইয়াত নলবাৰীৰ বিধায়ক ডাঙৰীয়া আছে । মই আগৰ বৰপেটাৰ বিধায়ক এতিয়া চেঙাৰ বিধায়ক হৈ আছো,

বৰপেটাৰ বিধায়ক ডাঙৰীয়া আছে, আমি সকলো কেইজন বিধায়ক আছো, সকলো বিধায়কে নিশ্চতভাৱে খুৱ আশাৰে বাট চাই আছে যে কেতিয়া অতি সোনকালে কিমান সময়ৰ ভিতৰত জালুকবাৰীৰ পৰা বৰপেটা যোৱা ৰাস্তাটো চাৰিলেন যুক্ত কৰি দিয়ে আৰু লগতে এটাই ৰাস্তা যিহেতু অভয়াপুৰীলৈ গৈছে, এই ৰাস্তাটোও ৰাজ্যিক ঘাইপথৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নতি কৰি আৰু বেকীৰ ওপৰত আৰু এখন দলং নিৰ্মাণ কৰি বৰ্তমান repairing কৰি থকা দলংখন অতি সোনকালে মেৰামতি কৰি কাৰ্য্যক্ষম কৰি যাতায়তৰ এটা সুচল ব্যৱস্থা কৰি আমাৰ এই নামনি অসমৰ এটা উল্লেখযোগ্য সমস্যা সমাধান কৰি দিব বুলি মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। বিভাগে এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি যিকোনো শিতানৰ পৰাই এই পইচাটো sanction কৰি ৰাজ্যিক পথটো ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নতি কৰি জালুকবাৰীৰ পৰা অভয়াপুৰীলৈকে গোটেই ৰাস্তাটো চাৰিলেন যুক্ত কৰি দিব বুলি মই আশা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা,মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কাৰ্য্যবাহী অভিযন্তা, লোকনিৰ্মাণ বিভাগ, গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথ মণ্ডলৰ পৰা লাভ কৰা তথ্য অনুসৰি জালুকবাৰীৰ পৰা আমিনগাওঁলৈ National Highway Authority of India(NHAI) ৰ অধীনত থকা ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো ইতিমধ্যে চাৰিলেন যুক্ত হৈ আছে। ভাৰতীয় Gazette অধিসূচনা নং -SO1921E তাৰিখ ১৫-০৭-২০১৫ অনুসৰি পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে আমিনগাওঁৰ পৰা আৰম্ভ হৈ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পূৱ-পশ্চিম কৰিডোৰ হাউলিত সংযুক্ত হোৱা পথটো নতুন ৰাষ্ট্ৰীয় ঘাইপথটো ৪২৭ নং হিচাপে ঘোষণা কৰিছে। ভাৰত চৰকাৰৰ পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে পৰৱৰ্তী সময়ত উক্ত পথটো আমিনগাওঁৰ পৰা বাৰাদীলৈকে অৰ্থ্যাৎ নিৰ্মাণ হৈ থকা বৰপেটা বাইপাচৰ আৰম্ভণি খণ্ডলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ মানদণ্ডলৈ উন্নীতকৰণৰ বাবে PMC নিয়োজিত কৰিছে আৰু এই পথছোৱাৰ DPR প্ৰস্তুতি চলি আছে। এই পথছোৱাৰ বৰ্তমান প্ৰস্থ ৭ মিটাৰ। প্ৰস্তুতি চলি থকা DPR ত এই পথছোৱাৰ আমিনগাওঁৰ পৰা কলিতাকুচিলৈকে চাৰিলেন যুক্ত আৰু কলিতাকুচিৰ পৰা বাৰাদীয়ালৈকে ১০ মিটাৰ প্ৰস্থ, 2 lane with paver shoulder প্ৰস্তাৱিত হৈছে। তাৰমানে উপাধ্যক্ষ ডাঙৰীয়া, আমিনগাওঁৰ পৰা কলিতাকুচিলৈকে এইখিনি প্ৰায় ১৭ মিটাৰ বহল হ'ব, চাৰিলেন যুক্ত হ'ব আৰু কলিতাকুচিৰ পৰা বাৰাদীয়ালৈকে ১০ মিটাৰ প্ৰস্থ, তাৰমানে 2 lane যুক্ত হ'ব কিন্তু paver shoulder থাকিব। মোৰ হাতত থকা তথ্য মতে এছোৱা হ'ব চাৰিলেন যুক্ত এছোৱা হ'ব ৭ মিটাৰৰ পৰা ১০ মিটাৰ বহল। উল্লেখযোগ্য যে সম্প্ৰতি ৪২৭ তম ৰাষ্ট্ৰীয় ঘাইপথটোৰ আমিনগাওঁৰ পৰা দৌলাখাল হৈ বাৰাদীলৈকে এই গোটেই পথছোৱাৰ খচৰা draft DPR

নিয়োজিত PMC ৰ দ্বাৰা দাখিল কৰা হৈছে আৰু DPR অনুমোদনৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ৰ নিৰিক্ষণত আছে। DPR বনাই তেখেতলোকে NHAI ক দিলে, গোটেই বিষয়টো under process ত আছে। বৰপেটা বাইপাচ প্ৰসঙ্গত উল্লেখযোগ্য যে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদন মৰ্মে ৪২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰাদী আৰু দেউৰীকুচিলৈ ৮.২৫ কিঃমিঃ দৈৰ্ঘ্যৰ নতুন পথ নিৰ্দেশনা new alignment ত বৰপেটা বাইপাচৰ কাম বৰ্তমান চলি আছে। নিৰ্মীয়মান বাইপাচৰ প্ৰস্থ ১০ মিটাৰ। বৰপেটাৰ পৰা সৰভোগলৈ National Highway Authority of India ৰ আধীনত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো  ইতিমধ্যে চাৰিলেন যুক্ত হৈ আছে। বৰপেটাৰ পৰা অভয়াপুৰীলৈ ৬৭ কিঃমিঃ দৈৰ্ঘ্যৰ ২ নং ঘাইপথটো বৰ্তমান অসম লোকনিৰ্মাণ পথ নিৰ্মাণৰ অধীনত আছে। যিকোনো ৰাজ্যিক ঘাইপথ ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰাৰ বাবে সিদ্ধান্ত পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ দ্বাৰা লোৱা হয়। উক্ত ৰাস্তাটো বৰ্তমান ৰাজ্য চৰকাৰৰ অধীনত আছে। কিন্তু যদি সিদ্ধান্ত লয় এইটো NHAI এ ল'ব লাগিব। মুখ্য অভিযন্তা, লোকনিৰ্মাণ পথ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি উত্থাপিত বিষয় সন্দৰ্ভত জনাব বিচাৰিছো যে জালুকবাৰীৰ পৰা হাজো হৈ সৰভোগলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেন যুক্ত কৰাৰ বিষয়টো ভাৰত চৰকাৰৰ পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ অধীনত আমিনগাওঁ, বৰপেটা, পাঞ্চালীলৈ পথছোৱা ০৯-০৮-২০২৩ তাৰিখে ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰা হৈছে। সেয়েহে উক্ত পথছোৱা বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথৰ অধীনত আছে আৰু ইয়াক চাৰিলেন যুক্ত পথলৈ ৰূপান্তৰ আৰু অন্যান্য উন্নয়নমূলক কাম-কাজবিলাক লোকনিৰ্মাণ বিভাগৰ লগত, এইটো কেন্দ্ৰীয় চৰকাৰে কৰিব। গতিকে আমাৰ State PWD ইয়াত জড়িত নহয়।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটাৰ পৰা অভয়াপুৰীলৈকে যোৱা ৰাস্তাটো  pursue  কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা)ঃ** ঠিক আছে। তেতিয়াহ'লে আমাক ডিটেইলচত নালাগে। গোটেইখিনিটো আপুনি বুজি পাইছে। উপাধ্যক্ষ ডাঙৰীয়া তেখেতে বুজি পাইছে , আৰু যিটো বৰপেটাৰ পৰা অভয়াপুৰিলৈ যোৱা ৰাস্তা তাৰ কাৰণে next step definitely  ল'ম।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী)ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ নিয়মাৱলীৰ ৩০১ ৰ অধীনত দুআষাৰ  ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বিষয় হৈছে অসমৰ বীৰ সন্তান পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ভাৰতবৰ্ষৰ প্ৰথম শ্বহীদ হিচাপে ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান আৰু তেওঁলোকৰ ইতিহাসক ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ দাবী।মাননীয় উপাধ্যক্ষ মহোদয়,আপোনাৰ জৰিয়তে  আমাৰ মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ক আহ্বান জনাব বিচাৰিছো যে অসমৰ ইতিহাসৰ এক অতি গুৰুত্বপূৰ্ণ, অথচ দীৰ্ঘদিন ধৰি উপেক্ষিত বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।১৮৫৭ চনৰ মহাবিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম বুলি স্বীকৃতি দিয়া হৈছে যদিও, ইয়াৰ ২৬ বছৰ ৬ মাহ পূৰ্বে, অৰ্থাৎ ১৮৩০ চনৰ ২৪ চেপ্তেম্বৰত অসমৰ দুগৰাকী বীৰ সন্তান পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ইংৰাজ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে সংগঠিত বিদ্ৰোহৰ অভিযোগত ফাঁচীকাঠত ওলোমোৱা হৈছিল। তেওঁলোকৰ এই আত্মবলিদান ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ এক অনন্য আৰু গৌৰৱোজ্জ্বল অধ্যায়। বীৰ মঙ্গল পাণ্ডেৰ শ্বহীদ বৰণৰ ২৬ বছৰ ৬ মাহ পূৰ্বেই অসমীয়া সন্তান দুগৰাকীয়ে বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে সংগঠিত বিদ্ৰোহৰ নেতৃত্বৰ সৈতে জড়িত ১৫ টা কাৰণ উল্লেখ কৰি গভৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধি ডেভিদ স্কটলৈ প্ৰেৰণ কৰা প্ৰতিবেদনত পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক মুখ্য অভিযুক্ত হিচাপে উল্লেখ কৰিছিল। উপাধ্যক্ষ মহোদয়, ঐতিহাসিক তথ্য, চৰকাৰী নথি-পত্ৰ আৰু বিভিন্ন গৱেষণামূলক গ্ৰন্থত স্পষ্টভাৱে উল্লেখ আছে যে, গোমধৰ কোঁৱৰ, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা, ৰূপচন্দ্ৰ কোঁৱৰ, দহা কোঁৱৰ ফুকন, ধেনুধৰ কোঁৱৰ, ধনঞ্জয় কোঁৱৰ, হৰনাথ বৰগোহাঞি, দেউৰাম ফুকন, মইনা খাৰঘৰীয়া ফুকন আদি বিপ্লৱীয়ে অসমৰ স্বাধীনতা পুনৰুদ্ধাৰৰ লক্ষ্যৰে সুসংগঠিত আন্দোলন গঢ়ি তুলিছিল। উজনি অসমৰ কমিছনাৰ জে.বি. লিংভিলে নিউভিলৰ ১৫ দফীয়া চিঠিৰ ভিত্তিত ১৮৩০ চনৰ ৬ আগষ্টত চেৰাপুঞ্জীত পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ন্যায়িক বিচাৰ প্ৰক্ৰিয়াত মৃত্যুদণ্ডৰ ৰায় প্ৰদান কৰা হয় আৰু ১৮৩০ চনৰ ২৪ চেপ্তেম্বৰত শিৱসাগৰৰ ঐতিহাসিক বৰপুখুৰীৰ পাৰত তেওঁলোকক ফাঁচী দি আদালতৰ ৰায় কাৰ্যকৰী কৰা হয়। এই ঘটনাই কেৱল অসমৰ ইতিহাসতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাসতো এক নতুন দিশ উন্মোচন কৰে। স্বাধীনতাৰ বাবে সংগঠিতভাৱে ইংৰাজ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে প্ৰাণ উৎসৰ্গা কৰা এই দুই বীৰ সন্তানে জাতীয় পৰ্যায়ত যি সন্মান লাভ কৰিব লাগিছিল, সেয়া এতিয়াও সম্ভৱ ন'হল। অসমৰ গৌৰৱোজ্জ্বল ইতিহাসক সমগ্ৰ দেশৰ আগত যথাযথভাৱে প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত এই ঐতিহাসিক সত্যক অধিক গৱেষণা, চৰকাৰী স্বীকৃতি আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী বুলি মই ভাবো। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে, ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত তেওঁলোকৰ যথোচিত মূল্যায়ন আজিও হোৱা নাই। যি সময়ত ১৮৫৭ চনৰ বিপ্লৱত অংশগ্ৰহণকাৰীসকলক ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সন্মান দিয়া হৈছে, সেই সময়তে ১৮৩০ চনতেই প্ৰাণ আহুতি দিয়া অসমৰ এই দুই বীৰ সন্তানে আজিও সেই মৰ্য্যদা লাভ কৰা নাই। ফলস্বৰূপে নতুন প্ৰজন্মই ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অসমৰ অগ্ৰণী ভূমিকা সম্পৰ্কে সঠিকভাৱে জানিব নোৱাৰিব। উপাধ্যক্ষ মহোদয়, এইক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত শক্তিশালীভাৱে বিষয়টো উত্থাপন কৰি পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ইংৰাজৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ন্যায়িক বিচাৰ প্ৰক্ৰিয়াৰে হোৱা ভাৰতৰ প্ৰথম শ্বহীদ হিচাপে ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত। লগতে, NCERT-ৰ ইতিহাসৰ পাঠ্যক্ৰমত তেওঁলোকৰ আত্মত্যাগ আৰু অসমৰ ইংৰাজ বিৰোধী সংগ্ৰামৰ ইতিহাস অন্তৰ্ভুক্ত কৰাৰ বাবে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰাৰো প্ৰয়োজন আছে। একে সময়তে অসমৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ পাঠ্যক্ৰমতো এই ইতিহাস অধিক

বিস্তৃতভাৱে সন্নিবিষ্ট কৰাৰ ব্যৱস্থা ল'ব লাগে। এই স্বীকৃতি কেৱল দুগৰাকী বীৰ সন্তানৰ সন্মানৰ বাবেই নহয়; অসমৰ ইতিহাস, সংস্কৃতি আৰু স্বাধীনতা সংগ্ৰামত ৰাজ্যখনৰ অনন্য অৱদানক সমগ্ৰ দেশৰ আগত যথোচিতভাৱে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো এক ঐতিহাসিক পদক্ষেপ হিচাপে পৰিগণিত হ'ব। উপাধ্যক্ষ মহোদয়, সেয়েহে এই সদনৰ জৰিয়তে মই ৰাজ্য চৰকাৰক বিনম্ৰভাৱে অনুৰোধ জনাব বিচাৰিছো ১. পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাক ইংৰাজ ঔপনিৱেশ বিৰোধী সংগ্ৰামত ন্যায়িক বিচাৰ প্ৰক্ৰিয়াৰে হোৱা ভাৰতৰ প্ৰথম

শ্বহীদ হিচাপে ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আনুষ্ঠানিক ভাৱে প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে।

২. NCERT-ৰ ইতিহাস পাঠ্যক্ৰমত অসমৰ ১৮২৮-১৮৩০ চনৰ ইংৰাজ বিৰোধী সংগ্ৰাম আৰু এই দুই বীৰৰ আত্মবলিদান অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাটো উচিত হ'ব। লগতে অনাগত শিক্ষাবৰ্ষৰ পৰা অসমৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ পাঠ্যক্ৰমত বীৰ শ্বহীদ দুগৰাকীৰ সাহস আৰু আত্মবলিদানৰ ইতিহাসক বিস্তৃত ৰূপত পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হওঁক।

৩. অসম চৰকাৰে ৰাজ্যিক পৰ্যায়ত গৱেষণা, নথি সংগ্ৰহ, স্মাৰক সংৰক্ষণ আৰু ইতিহাস প্ৰচাৰৰ বাবে এখন উচ্চস্তৰীয় বিশেষজ্ঞ সমিতি গঠন কৰি বিষয়টোৰ ওপৰত ব্যাপক আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰা উচিত। উপাধ্যক্ষ মহোদয়,এই বিষয়টো কেৱল ঐতিহাসিক দাবী হিচাপেই নহয়, সাম্প্ৰতিক সময়ত গৱেষণামূলক তথ্য-প্ৰমাণ ভিত্তিত অধিক শক্তিশালী ৰূপ লাভ কৰিছে। ২০২৪ চনৰ অক্টোবৰ মাহত National Archives of India-ৰ পৰা সাংবাদিক তথা শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি ভৈৰৱ মুণ্ডা আৰু বুৰঞ্জী গৱেষক প্ৰবীণ শৰ্মা, অধ্যাপক সঞ্জয় দাসৰ প্ৰচেষ্টাত সংগৃহীত চৰকাৰী নথি-পত্ৰত শ্বহীদ পিয়লি ফুকনৰ ফাঁচীৰ ৰায় তথা বিচাৰ প্ৰক্ৰিয়া আৰু বৃটিছ চৰকাৰৰ ন্যায়িক ব্যৱস্থাৰ বহু গুৰুত্বপূৰ্ণ তথ্য উদ্ধাৰ হয়। এই নথিসমূহে ১৮৩০ চনত পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ বিৰুদ্ধে চলোৱা বিচাৰ প্ৰক্ৰিয়া আৰু মৃত্যুদণ্ড সম্পৰ্কীয় বহু ঐতিহাসিক তথ্য নতুনকৈ স্পষ্ট কৰি তুলিছে। এই তথ্যসমূহৰ ওপৰত ভিত্তি কৰিয়েই ২০২৫ চনৰ জানুৱাৰী মাহত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত ৰাজ্যৰ একাংশ বুৰঞ্জীবিদ, গৱেষক আৰু ইতিহাস সচেতন ব্যক্তিৰ প্ৰচেষ্টাত পিয়লি ফুকন স্মৃতি সংৰক্ষণ সমিতি গঠন হোৱাৰ লগতে ২৯ এপ্ৰিল আৰু ৭মে' ২০২৫ তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ পদ্মশ্ৰী ইমৰান শ্বাহ, অৰ্জুন ভোগেশ্বৰ বৰুৱা শিৱসাগৰ ৰত্ন সোণাৰাম বৰুৱাকে ধৰি অসমৰ সমাজ জীৱনৰ বিশিষ্ট ব্যক্তি স্বাক্ষৰিত আবেদনৰ জৰিয়তে অসমৰ শ্বহীদ দুগৰাকীক ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ আহ্বান জনাইছিল। সমান্তৰালকৈ ৩০ নৱেম্বৰ-২০২৫ চনত শিৱসাগৰত ৰাষ্ট্ৰীয় পৰ্যায়ত বহুকেইগৰাকী বুৰঞ্জীবিদ-গৱেষকৰ উপস্থিতিত পিয়লি ফুকন স্মৃতি সংৰক্ষণ সমিতিয়ে এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰি মেজমেলতে সকলো তথ্যপাতি সন্নিবিষ্ট গৱেষণামূলক গ্ৰন্থ Swahid Piyoli Phukan the son of the Soil ও প্ৰকাশ কৰিছে।

( মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসনত উপবিষ্ট হয় )

মাননীয় অধ্যক্ষ মহোদয়, পিয়লি ফুকন -জীউৰাম দুলীয়া বৰুৱাৰ আত্মবলিদানৰ ইতিহাস কেৱল অসমৰ সম্পদ নহয়। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰো এক গৌৰৱোজ্জ্বল অধ্যায়। সেই ইতিহাসৰ প্ৰতি ন্যায় কৰা আৰু আমাৰ বীৰ সন্তানসকলক তেওঁলোকৰ প্ৰাপ্য সন্মান প্ৰদান কৰা আমাৰ নৈতিক, ঐতিহাসিক আৰু জাতীয় দায়িত্ব বুলি আমি অনুভৱ কৰো। শেষত, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত বৃটিছ শাসনৰ বিৰুদ্ধে আত্মবলিদান

আগবঢ়োৱা অসমৰ এই দুই মহান বীৰ সন্তানৰ বিষয়টো পবিত্ৰ সদনত উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ,মাননীয় মন্ত্ৰীয়ে উত্তৰ প্ৰদান কৰিব ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি)ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই অত্যন্ত গুৰুত্বপূৰ্ণ আৰু ইতিহাস জৰিত এটা অধ্যায় আমাৰ আজিৰ এই বিধান সভাত উপস্থাপন কৰিছে। অধ্যক্ষ ডাঙৰীয়া সেই কথাটো প্ৰকৃততে হ'ব লাগে এইটো হয়তো communication বা আমাৰ কিবা দুৰ্বলতাৰ কাৰণে ভাৰত চৰকাৰে মংগল পাণ্ডে ডাঙৰীয়াক ভাৰতৰ প্ৰথম শ্বহীদ হিচাবে ঘোষণা কৰিলে আৰু যাৰ কাৰণে আমাৰ অসমৰ দুগৰাকী বীৰে এই সন্মানটো নাপালে। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া প্ৰথম এংলোকৰ্মী যুদ্ধৰ অন্ত পৰাৰ পিছত ১৮২৬ চনত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু মান ৰজাৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল । এই চুক্তিৰ জৰিয়তে অসমত আহোম ৰাজবংশৰ ৬০০ বছৰীয়া স্বাধীন শাসনৰ অন্ত পৰে আৰু অসমৰ নিয়ন্ত্ৰণ আনুষ্ঠানিকভাৱে বৃটিছৰ হাতলৈ যায়। অধ্যক্ষ ডাঙৰীয়া, প্ৰথম অৱস্থাত ব্ৰিটিছে অসমীয়া মানুহক মানৰ অত্যাচাৰৰ পৰা মুক্ত কৰাৰ ভাও জুৰিছিল। অধ্যক্ষ ডাঙৰীয়া, আচলতে বৃটিছে অসমীয়া মানুহক মিছা কথা কৈছিল যে অসমীয়া মানুহখিনিক অসমক ব্ৰিটিছে মানৰ পৰা ৰক্ষা কৰিব। পিছলৈ তেওঁলোকে স্থানীয় ৰাজতন্ত্ৰ ঘূৰাই দিয়াৰ কথা আছিল যদিও ইয়াৰ পৰিৱৰ্তে অসমখনহে দখল কৰি লয়। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া ব্ৰিটিছৰ প্ৰতাৰণাই অসমৰ ডা -ডাঙৰীয়া জনজাতীয় মুৰব্বী আৰু সাধাৰণ ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছিল । ১৮২৮ খ্ৰীষ্টাব্দৰ শেষৰফালে ইংৰাজক বিতাৰিত কৰি অসমত পুনৰ আহোম ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ প্ৰথম প্ৰচেষ্টা চলাইছিল আমোলা ধনঞ্জয় বৰগোঁহাই আৰু আহোম ৰাজকুমাৰ ভুমধৰ কোঁৱৰে। ১৮২৮ খ্ৰীষ্টাব্দৰ শেষৰফালে ভুমধৰ কোঁৱৰ আৰু ধনঞ্জয় বৰগোঁহায়ে আৰম্ভ কৰো এই বিদ্ৰোহ সফলকাম নহ'ল। যোৰহাটৰ ওচৰৰ মৰিয়ণিত হোৱা যুদ্ধত ইংৰাজ সেনাৰ হাতত পৰাজিত হৈ ভুমধৰ কোঁৱৰে সাত বছৰ কাৰাদণ্ডৰ আদেশ পালে আৰু মৃত্যুদণ্ডেৰে দণ্ডিত হৈ ধনঞ্জয় বৰগোঁহাই প্ৰথমে নগা পাহাৰ আৰু তাৰ পিছত মতক ৰাজ্যলৈ পলাই গৈ আশ্ৰয় ল'লে । সন্মানীয় অধ্যক্ষ ডাঙৰীয়া মতক ৰাজ্যলৈ আশ্ৰয় পাৰ্থী হৈ পলাই গৈ ধনঞ্জয় বৰগোঁহাই পূৰ্বতকৈ অধিক উদ্যম আৰু সংগঠনৰে ইংৰাজ বিৰোধী কাৰ্য্যৰ প্ৰস্তুতি চলালে। অধ্যক্ষ মহোদয়, দুগৰাকীয়ে যুদ্ধ কৰিলে , এগৰাকী কৰায়ত্ত হ'ল সাত বছৰ কাৰাদণ্ড হ'ল, মানে ভূমধৰ কোঁৱৰ কৰায়ত্ত হ'ল সাত বছৰ তেখেতে কাৰাদণ্ড পালে আৰু ধনঞ্জয় বৰগোঁহাই পলাই যায়। পলাই গৈ আকৌ তেওঁ বহি নাথাকিল। আকৌ তেওঁ ব্ৰিটিচৰ বিৰুদ্ধে যোজাৰ কাৰণে শক্তি বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা চলালে । ধনঞ্জয় বৰগোঁহাই এই আয়োজনেৰে বিশ্বস্ত

সহযোগী আছিল তেওঁৰ জোৱায়েক জিউৰাম দলিয়া বৰুৱা আৰু পিয়লি বৰফুকন। অধ্যক্ষ ডাঙৰীয়া তেওঁলোকে মোৱামৰীয়া, ঠামটি, সিংফু, গাৰো, খাচী মণিপুৰীয়া আৰু নগা সকলৰ লগত গোপতে যোগাযোগ কৰি ৰংপুৰ আক্রমণ কৰাৰ বাবে আগবাঢ়িছিল। পিয়লি বৰফুকনে শদিয়া খোৱা গোঁহাইৰ পৰা সামৰিক সাহার্য্য পোৱাৰ আশাৰে চিঠি লিখিছিল। কিন্তু ইংৰাজৰ বিশ্বস্ত লোক হিচাপে পৰিচিত হ'বলৈ শদিয়া খোৱা গোঁহায়ে ইংৰাজ কৰ্তৃপক্ষক এই আয়োজনৰ সকলো খবৰ আগতীয়াকৈ জনাইছিল। মানে পিয়লি ফুকনে শদিয়া খোৱা বৰগোঁহাইৰ পৰা সহায় আশা কৰিছিল। কিন্তু শদিয়া খোৱা বৰগোঁহায়ে ইংৰাজৰ আৰু close হ'বলৈ সেই খবৰটো জনাইছিল। আৰু তাৰ ফলতে ১৮৩০ চনৰ ফেব্রুৱাৰী মাহত সেনাপতি নেবিউল চাহাবে ৰংপুৰ আক্রমণ কৰি যোৱা চাৰিশ সেনাৰ বিদ্রোহী বাহিনীটো সমলে গোটাবলৈ সমর্থ হ'ল। অধ্যক্ষ ডাঙৰীয়া আগেই খবৰখিনি পাই গ'ল। গতিকে পিয়লি ফুকন বা আমাৰ জিতো অসমীয়া চাৰিশ সেনাৰ বিদ্রোহী বাহিনী আছিল তেওঁলোকক হৰুৱাবলৈ সক্ষম হ'ল। যুদ্ধত হাৰি ধনঞ্জয়ৰ তেওঁৰ পুত্ৰ হৰকান্ত পলাই সাৰিল। কিন্তু পিয়লি ফুকন আৰু জিউৰাম দলিয়া বৰুৱা আদি আন বহুতো নেতাক বন্দী কৰি ইংৰাজে মৃত্যুদণ্ড দিলে। ব্ৰিটিছে মূল অভিযুক্ত হিচাপে পিয়লি ফুকন আৰু জিউৰাম দলিয়া বৰুৱাক ফাঁচি দিয়াৰ সিদ্ধান্ত লৈছিল আৰু ১৮৩০ খৃষ্টাব্দৰ আগষ্ট মাহৰ শিৱসাগৰ পুখুৰীৰ পাৰত পিয়লি ফুকন আৰু জিউৰাম বৰুৱাক ফাঁচি দিয়া হৈছিল। অধ্যক্ষ ডাঙৰীয়া নিশ্চয়কৈ মই আকৌ কৈছো এইটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা আমি definitely ইয়াৰ লগত এটা communicate কৰিব লাগে, কিন্তু নিশ্চয়কৈ এটাতো establish already হৈ গ'ল মংগল পাণ্ডে, তেখেতে ১৮৫৭ চনৰ চিপাহী বিদ্রোহৰ নেতৃত্ব লৈছিল আৰু তেওঁক এতিয়া যদিও আচলতে তথ্যমতে ২৬ বছৰ ৬ মাহৰ পূৰ্বেই আমাৰ পিয়লি ফুকন আৰু জিউৰাম দলীয়া বৰুৱাক মৃত্যুদণ্ড দিয়া হৈছিল। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমাৰ অসমীয়া সমাজখনৰ ক'ৰবাত নহয় ক'ৰবাত এইবিলাক দুৰ্বলতা। অধ্যক্ষ ডাঙৰীয়া একেলেগে মহাপুৰুষ শংকৰদেৱ আৰু গুৰুনানকে এই পৃথিৱীলৈকে আহিছিল। মই গুৰুনানক দেৱক সন্মান কৰি শ্রদ্ধা কৰি কওঁ তেখেততকৈ শংকৰদেৱৰ ধৰ্মৰ প্রতি যি তেখেতৰ নৱবৈষ্ণৱ ধৰ্ম শংকৰদেৱৰ যি মানসিক স্থিতি, শংকৰদেৱৰ যি ক্রিয়েশন মই ওপৰত আছিল বুলি নকওঁ কিন্তু বহুত বেছি দৃঢ় আছিল সলাগ ল'বলগীয়া আছিল। অধ্যক্ষ ডাঙৰীয়া আজি গুৰুনানক দেৱ ক'ত, শংকৰদেৱক কিমানে অসমৰ বাহিৰত, ভাৰতৰ বাহিৰত চিনি পায় আমি ক'বলৈ বেয়া পালেও ক'বলৈ বাধ্য। ঠিক তেনেকৈ আমি লাচিত বৰফুকনক যিমান সন্মান দিব লাগিছিল, যিমান স্বীকৃতি আনি দিব লাগিছিল আমি নোৱাৰিলো। লাচিত বৰফুকনে মোগলক সোমাব দিয়া নাছিল, শিৱাজী মহাৰাজে মোগলক সোমাব দিয়া নাছিল। শিৱাজী মহাৰাজৰ ভাৰতৰ প্রেক্ষাপতত পৃথিৱীৰ প্রেক্ষাপতত যিমান সন্মান, যিমান গৌৰৱ সিমান আমি লাচিত বৰফুকনক দিব নোৱাৰিলো। এইটো আমাৰ অসমীয়া সমাজখনৰ

দুৰ্বলতা, অস্বীকাৰ কৰিও উপায় নাই। ময়ো গৌৰৱী অসমীয়া কিন্তু এইটো এটা সঁচা কথা স্বীকাৰ কৰিব লাগে। গতিকে অধ্যক্ষ ডাঙৰীয়া এই ক্ষেত্ৰত আমি নিশ্চয়কৈ কাম কৰিব লাগিব আৰু এটা কথা কওঁ conflict হ'ব নালাগে। কিবা এটা স্বীকৃতি পোৱাৰ কাৰণে চেষ্টা কৰিব লাগে। কাৰণ মংগল পাণ্ডে ডাঙৰীয়াক ইতিমধ্যে announce কৰি থৈছে। গতিকে মই confusion বা কাজিয়া, মনোমালিন্য এইবোৰত যাব একেবাৰে নোখোজো। এই দুজন বীৰে কিবাকৈ সন্মান পাব বুলি ময়ো আশা কৰো। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া NCERT ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত কোনো ঐতিহাসিক ঘটনা ব্যক্তিত্ব বা স্বাধীনতা সংগ্ৰামীৰ জীৱন আৰু অৱদান অন্তৰ্ভূক্ত কৰাৰ বিষয়টো ৰাষ্ট্ৰীয় শিক্ষানীতি NCERT ৰ পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ নীতি আৰু কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ অধীনস্থ সংশ্লিষ্ট পক্ষৰ সিদ্ধান্তৰ ভিত্তিত নিৰ্ধাৰিত হয়। কিন্তু আমি যোগাযোগ কৰিব পাৰো আৰু যোগাযোগ কৰিবলৈকে যত্ন কৰিব পাৰো। অধ্যক্ষ ডাঙৰীয়া আকৌ কৈছো ৰাষ্ট্ৰীয় প্ৰথম শ্বহীদ হিচাপে কাক ঘোষণা কৰিব ভাৰত চৰকাৰে সেইটো নিৰ্ধাৰণ কৰে। কিন্তু আকৌ কৈছো conflict লৈ নগৈ এই দুগৰাকী বীৰক যদি আমি সন্মান দিব পাৰো তাৰ কাৰণে আমি চিন্তা কৰাটো উচিত , চেষ্টা কৰা উচিত আৰু এই ক্ষেত্ৰত definitely আমাৰ চৰকাৰে চেষ্টা কৰিব বুলি সন্মানীয় সদস্য গৰাকীক মই আশ্বস্ত কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ মন্ত্ৰী ডাঙৰীয়া। আমি conflict ত নগৈ justifically যদি claim টো কৰো atleast আমাৰ establish হৈ থাকিব ।আপুনি কোৱা কথাখিনি হয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ক্ষেত্ৰত অসমীয়া জাতিটো আমি প্ৰচাৰ বিমুখ, পিয়লি ফুকনৰ ক্ষেত্ৰতো সেইটোৱে হৈছে। লাচিত বৰফুকনৰ ক্ষেত্ৰতো সেইটোৱে হৈছে। যি কি নহওঁক ধন্যবাদ জনাইছো।

সদন অহা ৮ জুলাই পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।